প্রাকৃত ভাষা-সাহিত্য পরিচয়

শ্রীভুবনেশ্বরী বৈশ্য, এম, এ
অধ্যাপিকা, কটন কলেজ,
গুৱাহাটী।

১৯৭৫

Prakrita Bhasa-Sahitya Paricay
(An introduction to the language and literature of the Prakrita language by Prof. Bhubaneswari Baishya, Cotton College, Gauhati)

প্ৰথম প্ৰকাশ :
অক্টোবৰ, ১৯৭৫

প্ৰকাশিকা :
গিৰিবালা মজুমদাৰ
জালুকবাৰী, গুৱাহাটী--১৪

মূল্য : ৫·৫০

মুদ্ৰক :
শ্ৰীপ্ৰণবেন্দ্ৰ নাথ ভূঞা
ইউনাইটেড্ প্ৰিণ্টাৰ্চ,
হেমচন্দ্ৰ ৰোড,
গুৱাহাটী—১

দুটি আগকথা

(ডঃ মহেশ্বৰ নেওগ, জৱাহৰলাল নেহৰু অধ্যাপক আৰু কলাগুৰু,
গুৱাহাটী বিশ্ববিদ্যালয়।)

গুৱাহাটীৰ কটন কলেজৰ অসমীয়া বিভাগৰ প্ৰমুখ অধ্যাপিকা শ্ৰীমতী ভুবনেশ্বৰী বৈশ্য মোৰ পুৰণি কৃতী ছাত্ৰী। তেওঁ কিছুদিন পূৰ্বে অসমীয়া সাহিত্য সম্পৰ্কে এখনি সৰু পুথি প্ৰকাশ কৰিছিল। বৰ্তমানে তেওঁ আমাৰ এটি ডাঙৰ অভাৱ পূৰণ কৰিবলৈ আগবাঢ়ি অহা দেখি নিতান্ত আনন্দ অনুভৱ কৰিছোঁ। প্ৰাকৃত ভাষা-সাহিত্য সম্পৰ্কে অসমীয়া পুথিৰ সংখ্যা শূন্যৰ ঘৰত হ'লেও সেই ভাষা-সাহিত্যৰ চমু পৰিচয় দি আৰু লগে লগে তাৰ নিদৰ্শন সন্নিবিষ্ট কৰি শ্ৰীমতী বৈশ্যই প্ৰাকৃত ভাষা-সাহিত্য বিষয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটি বিশেষ উপকাৰ সাধন কৰিছে। প্ৰাকৃত ভাষাৰ স্বৰূপ আৰু উৎপত্তি সম্পৰ্কে বিভিন্ন কৰ্তৃত্বশীল পণ্ডিতৰ মত উদ্ধাৰ কৰি ইয়াত এটি চুকলি আলোচনা দাঙি ধৰা হৈছে। প্ৰাকৃতৰ জন্মৰ বিষয়ে আমি আজি বিভিন্ন অনুমানহে কৰিব পাৰোঁ। হেম-চন্দ্ৰৰ 'প্ৰকৃতি সংস্কৃতম্. তত্ৰ ভৱং তত আগতং বা প্ৰাকৃতম্' কথাষাৰৰে একাধিক ব্যাখ্যা সম্ভৱপৰ। প্ৰাকৃতক সংস্কাৰ কৰি সংস্কৃত ভাষা গঢ়া হ'ল নে সংস্কৃতৰ বিকৃতি (বহল অৰ্থত, বেয়া অৰ্থত নহয়) ঘটি প্ৰাকৃতৰ জন্ম দিলে? —এই তৰ্ক আমাৰ এতিয়াও বৈ গৈছে। পাশ্চাত্য পণ্ডিত সকলেই এনেবোৰ আলো-চনাৰ বিষয়ত আমাৰ আজিও পথ-প্ৰদৰ্শক। অধ্যাপিকা বৈশ্যই প্ৰাকৃত সাহিত্যৰো এটি মাত্ৰিবিস্তৃত বিৱৰণ দিছে—য'ৰপৰা পঢ় খেদি জিজ্ঞাসুসকল বহল অধ্যয়নৰ পথলৈ যাব পাৰিব। তেওঁ চমুকৈ বিভিন্ন স্তৰৰ প্ৰাকৃতৰ পঠন—লক্ষণবোৰ নিৰ্দেশ কৰিছে—যি নিৰ্দেশনা নিশ্চয় বিদ্যাৰ্থীসকলৰ বিশেষ সহায়ক হ'ব। কিন্তু মোৰ নিজৰ বিশেষ ভাল লাগিছে বৰ কষ্টলৈ মনে-প্ৰাণে বৈশ্য আইটীয়ে নিৰ্বাচন কৰা প্ৰাকৃত কৃতিৰ নিদৰ্শন সমূহ, তাৰ অসমীয়া-ইংৰাজী অনুবাদ আৰু ভাষাতাত্ত্বিক, ব্যাকৰণতাত্ত্বিক টোকাখিনি। এইখিনিয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাকৃত ভাষা-সাহিত্যক আপোন কৰি তোলাত কৃতকাৰ্যতা লাভ কৰিব পাৰিব বুলি মোৰ ভাব হৈছে।

বৰ্তমান খনিৰ দৰে বিশিষ্ট ভাষাজ্ঞানৰ পুথিত মুদ্ৰণৰ বিষয়ত আমাৰ সৰু-সুৰা ছপাশালবিলাকৰ পৰা বৰ সৰহ কাৰ্যক্ষমতা আৰু উচ্চ পৰ্যায়ৰ আন্তৰিক সহযোগিতা পোৱাটো সঁচায় দুৰূহ; আৰু সেই দুৰূহতাৰ জন্যেই বৰ্তমান কামটিও দেখিছোঁ পৰিব লগীয়া হৈছে। সেই সীমাবদ্ধতাৰ মাজতো অধ্যাপিকা বৈশ্যই পুথিখনি ছপাই উলিওৱা বাবে আমি শলাগ লবই লাগিব। আশাকৰোঁ বিদ্যাৰ্থী আৰু পণ্ডিত সকলেও এই বস্তুটি সাদৰে গ্ৰহণ কৰিব।

অসম ভৱন
১ কৌটিল্য লেন, নতুন দিল্লী
২০ অক্টোবৰ, ১৯৭৫

—মহেশ্বৰ নেওগ

মোৰ প্ৰস্তাৱ

প্ৰাকৃত ভাষা-সাহিত্য সম্বন্ধীয় আলোচনাৰ পুথি অসমীয়া ভাষাত নাই বুলিলেই হয়। এই অভাৱ পূৰণ কৰাৰ কথা বহু দিনৰ পৰা চিন্তা কৰা স্বত্বেও সি হৈ উঠা নাছিল। এতিয়া পুথিখনি লিখি উলিওৱা হল যদিও ইয়াক যুগুত কৰোতে যিমানখিনি প্ৰস্তুতিৰ আৱশ্যকতা আছিল সিমানখিনি কৰিব পৰা নগল—নানা অসুবিধাৰ কাৰণে। গতিকে বহুতো ভুল-ত্ৰুটি হৈ যোৱা-টোৱেই স্বাভাৱিক। সুধীসকলে পুথিখনি এবাৰ চকু ফুৰাই চাই ভুল ত্ৰুটিবোৰ আঙুলিয়াই দিলে পৰম কৃতাৰ্থ মানিম।

ছাত্ৰ-ছাত্ৰীসকলৰ তাগিদাতে পুথিখনি লিখিবলৈ লৈছিলো—সেয়ে এই-খিনিতে তেওঁলোকলৈ মোৰ সস্নেহ কৃতজ্ঞতা জনালো। পুথিখনিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ উপকাৰ সাধিব পাৰিলে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি মানিম।

পুথিখনি যুগুত কৰোতে প্ৰধানতঃ A. C. Woolner-অৰ INTRODUCTION TO PRAKPIT আৰু ডাঃ সুনীতি কুমাৰ চেটাৰ্জ্জী আৰু ডাঃ সুকুমাৰ সেন সম্পাদিত A Middle Indo-Aryan Reader Part I আৰু Part II পুথিৰ সহায় লোৱা হৈছে। তদুপৰি এই পুথিৰ শেষৰ ফালে সংযোগ কৰা গ্ৰন্থপঞ্জীৰ সকলো গ্ৰন্থৰে সহায় লোৱা হৈছে। সমূহ গ্ৰন্থ-কাৰলৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জনালো।

ছপাশালৰ অসুবিধাৰ কাৰণে পুথিখনিত ভাষাতাত্ত্বিক চিহ্ন সমূহ ব্যৱহাৰ কৰিব পৰা নগল। তাৰ বাবে মই দুঃখীত। পুথিখনিয়ে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিব পাৰিলে আগলৈ এই দোষ ত্ৰুটিবোৰ আঁতৰোৱাৰ আশা ৰাখিলো।

গুৱাহাটী
২ অক্টোবৰ, ১৯৭৫

ভুবনেশ্বৰী বৈশ্য

সূচী-পত্র

প্রথম খণ্ড

প্রাকৃত ভাষা-সাহিত্য পরিচয়

বিষয় : পৃষ্ঠা সংখ্যা :

ভূমিকা

ভারতীয় আর্য্যভাষা—	...	১
প্রাচীন ভারতীয় আর্য্য ভাষা—	...	৩
মধ্য ভারতীয় আর্য্য ভাষা—	...	৪
আধুনিক ভারতীয় আর্য্য ভাষা—	...	৫

প্রথম অধ্যায় :

মধ্য ভারতীয় আর্য্য ভাষা বা প্রাকৃত—	...	৭
প্রাকৃত ভাষা সমূহের সাধারণ লক্ষণ—	...	১০
ধ্বনি তত্ত্বের বৈশিষ্ট্য—	...	১০
রূপ তত্ত্বের বৈশিষ্ট্য—	...	১৩

দ্বিতীয় অধ্যায় :

প্রাকৃত ভাষার স্তর বিভাগ—	...	১৪
আদি প্রাকৃত—	...	১৫
পালি ভাষা—	...	১৫
পালি ভাষার প্রধান লক্ষণ—	...	১৬
অশোকের অনুশাসন—	...	১৭
শিলা প্রাকৃত—	...	১৭
মধ্য প্রাকৃত—	...	১৯
অন্ত্য প্রাকৃত (অপভ্রংশ)—	...	১৯

তৃতীয় অধ্যায় :

মধ্য স্তরের প্রাকৃত ভাষা সমূহের বিবরণ—	...	২০

বিষয় :		পৃষ্ঠা সংখ্যা
জৈন মহারাষ্ট্রী প্রাকৃত—	...	২১
শৌরসেনী প্রাকৃত—	...	২৩
মাগধী প্রাকৃত—	...	২৪
অর্দ্ধ-মাগধী প্রাকৃত—	...	২৬
পৈশাচী প্রাকৃত—	...	২৭

চতুর্থ অধ্যায় :

অন্ত্য প্রাকৃত বা অপভ্রংশ—	...	২৯

দ্বিতীয় খণ্ড

প্রাকৃত ভাষা-সাহিত্য পরিচয়

পালি সাহিত্য—	...	৩৫
সুত্তাসিত—	...	৩৫
মিশ্র প্রাকৃত—	...	৫৭
বজ্ৰধিবর গলীল—	...	৫৭
থেরোক্তী ধম্মপদ—	...	৬২
অপ্রমাদ বতি ভিক্ষু বর্গ—	...	৬২
মহারাষ্ট্রী প্রাকৃত সাহিত্য—	...	৭৪
গাহা সত্তসঈ—	...	৭৪
শৌরসেনী প্রাকৃত সাহিত্য—	...	১০২
অভিজ্ঞান শকুন্তলম্—	...	১০২
স্বপ্ন বাসবদত্তা—	...	১২২
অপভ্রংশ প্রাকৃত সাহিত্য—	...	১২৯
অনামী কবির কবিতা—	...	১২৯
প্রাকৃত পৈঙ্গলম্—	...	১৪৫
শব্দাবলীর টীকাতে উল্লেখ করা অনুচ্ছেদ সমূহের ব্যাখ্যা—		১৬৪
ধ্বনি পরিবর্তনের কৌতূহলময় নিয়ম—	...	১৬৫

—০:০—

প্ৰথম খণ্ড

প্ৰাকৃত ভাষা পৰিচয়

ভূমিকা

ভাৰতীয় আৰ্য্য ভাষা :

পৃথিৱীৰ বিভিন্ন অঞ্চলত বহুতো ভিন্ন ভিন্ন ভাষা চলে। ভাষাতাত্ত্বিক সকলে মৌলিক সাদৃশ্য থকা ভাষাবোৰক একো একোটা বংশ বা গোষ্ঠিত (group বা family) ভাগ কৰিছে। ইণ্ডো-ইউৰোপীয়, আফ্ৰিক, দ্ৰাবিড়, তিব্বত-চীনীয় আদি কেইটাও প্ৰধান ভাষাগোষ্ঠী আছে। ইয়াৰ ভিতৰত ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীটো বিশেষভাৱে উল্লেখযোগ্য। এই ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কেইটা প্ৰধান শাখাৰ ভিতৰত এটা হৈছে ইণ্ডো-ইৰাণীয় শাখা। ইয়াক আকৌ দুভাগত ভগোৱা হৈছে— (১) ইৰাণীয় আৰু (২) আৰ্য্য ভাষা। ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত যিবোৰ ভাষা ভাৰতত প্ৰাচীনকালৰ পৰা চলি আহিছে সেইবোৰেই আৰ্য্য উপশাখাৰ অন্তৰ্গত। এই ভাষাবোৰকে **ভাৰতীয় আৰ্য্য ভাষা** বোলা হয়।

অতি প্ৰাচীন কালৰ পৰাই আৰ্য্যসকল ভাৰতত বাস কৰি আহিছে। আৰ্য্য-সকলৰ আদি বাসস্থান ক'ত আছিল সঠিককৈ কব নোৱাৰি। পণ্ডিতসকলে এই বিষয়ে বিভিন্ন মত পোষণ কৰে। কোনো কোনো পণ্ডিতৰ মতে মধ্য এচিয়া তেওঁলোকৰ আদি বাসস্থান আছিল। কোনোৱে পশ্চিম এচিয়া, কোনোৱে দক্ষিণ-পূব ইউৰোপ, কোনোৱে আকৌ ৰুচীয়াৰ কাস্পিয়ান সাগৰৰ উত্তৰপাৰ ভূমি মত প্ৰকাশ কৰে। এওঁলোকৰে এটা দল খৃঃ জন্মৰ ১৫শ মান বছৰ

আগতে উত্তৰ-পশ্চিম কোণেৰে ভাৰতত প্ৰৱেশ কৰি পোণতে সিন্ধু উপত্যকাত আৰু পিছলৈ ভাৰতৰ বিভিন্ন অঞ্চলত বিয়পি পৰে। এওঁলোকৰ ভাষাকে ভাৰতীয় আৰ্য্যভাষা বোলে। ভাৰতীয় আৰ্য্যভাষা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ এটা প্ৰধান শাখা।

আৰ্য্যসকলে ভাৰতত বসতি কৰিবলৈ আৰম্ভ কৰাৰ পৰা আজিলৈকে ভাৰতীয় আৰ্য্য ভাষাই বিভিন্ন ৰূপ পৰিগ্ৰহ কৰিছে। বেদ সমূহৰ ভাষাতে আৰ্য্যসকলৰ ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা যায়। বেদৰ ভিতৰত প্ৰাচীনতম হৈছে ঋগ্বেদ। বেদৰ ৰচনাকাল খৃঃ পূঃ ১৫শৰ পৰা খৃঃ পূঃ ১২শ শতিকা বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। গতিকে এইখিনি সময়ৰ ভিতৰতে ভাৰতত আৰ্য্য ভাষাৰ প্ৰচলন হৈছিল বুলিব পাৰি। ভাষা আৰু বোৱতী নদীৰ মাজত যথেষ্ট সাদৃশ্য আছে। নদী যেনেকৈ অবিৰামভাৱে বৈ থাকে আৰু সময়ে সময়ে গতি পৰিবৰ্ত্তন কৰে ভাষাৰ ক্ষেত্ৰতো সেইটো দেখা যায়। মানুহে অবিৰতভাৱে ভাষা ব্যৱহাৰ কৰে যদিও সময়ৰ লগে লগে কব নোৱাৰাকৈয়ে ইয়াৰ ৰূপ সলনি হৈ গৈ থাকে। আজিৰ ভাষা আৰু কালিৰ ভাষাৰ মাজত হোৱা পৰিবৰ্ত্তন আমাৰ চকুত নপৰে, কিন্তু এশ বছৰ আগৰ ভাষা আৰু আজিৰ ভাষাৰ মাজত, পৰিবৰ্ত্তনৰ ফলত, যিটো পাৰ্থক্যৰ সৃষ্টি হয় সেইটো সহজে চকুত পৰে। এইদৰে যুগে যুগে ভাষাৰ পৰিবৰ্ত্তন হৈ থাকে। বৈদিক যুগৰ আৰ্য্যসকলৰ ভাষা আৰু আজিৰ আৰ্য্যসকলৰ ভাষাৰ মাজতো এনে পৰিবৰ্ত্তনৰ ফলত পাৰ্থক্যৰ সৃষ্টি হৈছে। সময়ৰ লগে লগে আৰ্য্য ভাষাই পৰিবৰ্ত্তন লাভ কৰি বিভিন্ন যুগত বিভিন্ন ৰূপ লৈছে। বৈদিক যুগৰ আৰু তাৰ অলপ পিছৰ আৰ্য্যসকলৰ কথিত ভাষা আৰু সাহিত্যৰ ভাষাৰ এটা বিশিষ্ট ৰূপ আছিল। মধ্যযুগত ইয়াৰ ৰূপ সলনি হয়, আধুনিক যুগত ভাষাটোৱে আৰু পৰিবৰ্ত্তন লাভ কৰে। প্ৰাচীন কালৰ পৰা আজিলৈকে যিবোৰ আৰ্য্যভাষা ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন সময়ত, বিভিন্ন ৰূপত, বিভিন্ন নামত চলি আহিছে সেই আটাইবোৰকে একেলগে ভাৰতীয় আৰ্য্যভাষা বুলি (Indo-Aryan Languages) অভিহিত কৰা হৈছে।

ভাৰতীয় আৰ্য্যভাষাক সময়ৰ কালৰ পৰা তিনিটা স্তৰত ভাগ কৰা হয়—

(১) প্ৰাচীন ভাৰতীয় আৰ্য্যভাষা (Old Indo-Aryan চমুকৈ O.I.A.)

(২) মধ্য ভাৰতীয় আৰ্য্যভাষা (Middle Indo-Aryan, চমুকৈ M. I. A.)

আৰু (৩) আধুনিক ভাৰতীয় আৰ্য্যভাষা (New Indo-Aryan, চমুকৈ N. I. A.)

এই সম্পৰ্কে History of Indian Literature গ্ৰন্থৰ গ্ৰন্থকাৰ M. Winternitzএ মত প্ৰকাশ কৰিছে—"Those languages of India which belong to the Indo-European family of languages, have passed through three great phases of development, partly consecutive in time, but partly also parallel. These are :

I Anciant Indian

II The middle Indian languages and dialects

III The modern Indian languages and dialects.

(১) প্ৰাচীন ভাৰতীয় আৰ্য্যভাষা :

পাশ্চাত্য দেশীয় প্ৰাচ্যবিদ পণ্ডিত মেক্সমূলাৰৰ মতে প্ৰাচীন ভাৰতীয় আৰ্য্য-ভাষাৰ আৰম্ভণীৰ সময় খৃঃ পূঃ ১২শ শতিকা । অন্যান্য পণ্ডিতে এই সময় আৰু অলপ আগবাই খৃঃ পূঃ ১৫শ শতিকা বুলি মত প্ৰকাশ কৰে । এই সময়ৰ ভিতৰতে বেদসমূহ ৰচিত হৈছিল । পণ্ডিত উইণ্টাৰনিজৰ মতে বেদ সমূহৰ ৰচনা শেষ হয় খৃঃ পূঃ ৫ম শতিকাত । গতিকে ইয়াৰ কমেও পাঁচশ বছৰ আগতে, অৰ্থাৎ খৃঃ পূঃ দশম শতিকা বা তাৰো আগতে যে বেদৰ ৰচনা আৰম্ভ হৈছিল সেইটো অনুমান কৰিব পাৰি । বৈদিক যুগৰ সাহিত্যৰ ভাষাৰ তত আৰু প্ৰাচীনতম ৰূপ বেদৰ ভাষাত পোৱা যায় । এই যুগৰ আৰ্য্যসকলৰ কথিত ভাষাৰ কোনো নিৰ্দশন আমি আৰু পাবলৈ নাই । বেদৰ ভাষাৰে অলপ পৰিবৰ্ত্তিত ৰূপ বেদৰ পৰৱৰ্ত্তী 'ব্ৰাহ্মণ' 'উপনিষদ' আদিত পোৱা যায় । ইয়াৰ কিছুকাল পিছত, খৃঃ পূঃ প্ৰায় ৫ম শতিকামানত বৈদিক যুগৰ কথিত ভাষাক পাণিনিয়ে তেওঁৰ 'অষ্টাধ্যায়ী' নামৰ গ্ৰন্থত ব্যাকৰণৰ নিয়মেৰে বান্ধি কিছু সালসলনি ঘটাই, ভাষাটোক সংস্কাৰ কৰি, নাম দিলে—'সংস্কৃত' । এই সংস্কৃত ভাষাতেই ৰামায়ণ, মহাভাৰত পুৰাণ আদি ৰচনা কৰা হয় । যদিও বৈদিক আৰু সংস্কৃত ভাষা দুয়োটাই প্ৰাচীন, তথাপি দুয়োটা ভাষাৰ বিশেষ সাদৃশ্য থকা কাৰণেই বহুতে 'বৈদিক ভাষা' বুজাবলৈকো 'সংস্কৃত'—শব্দটো ব্যৱহাৰ কৰে, কিন্তু প্ৰকৃততে দুয়োটা ভাষা একে নহয় । বেদৰ ভাষা আৰু পৰৱৰ্ত্তী যুগৰ সাহিত্যৰ ভাষাৰ মাজৰ প্ৰভেদটো দেখুৱাবলৈকে পিছলৈ 'বৈদিক সংস্কৃত' আৰু 'লৌকিক সংস্কৃত' (Vedic Sanskrit, Classical Sanskrit) —এই দুটা নামৰ সৃষ্টি হল । বৈদিক যুগৰ ভাষাৰ সাহিত্যিক

নিদৰ্শন যদিও বহুতো পোৱা যায়, সেই যুগৰ মানুহৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ প্ৰকৃত ৰূপ কিন্তু পোৱা নেযায়। তথাপি সেই যুগৰ মানুহৰ যে কথিত ভাষা একোটা আছিল, তাত সন্দেহ নাই। এই কথিত ভাষাৰ লগত বৈদিক সাহিত্যৰ ভাষাৰ যথেষ্ট সাদৃশ্য আছিল যদিও অঞ্চলভেদে কথিত ভাষাৰ বেলেগ বেলেগ ৰূপ আছিল। তদুপৰি প্ৰাকৃতিক কাৰণত আৰু আৰ্য্য-পূৰ্ব্ব লোকসকলৰ ভাষাৰ সংস্পৰ্শতো ভাষাৰ পৰিবৰ্ত্তন হৈছিল। 'Introduction to Prakrit' গ্ৰন্থৰ লিখক A, C. Woolnerএ মত প্ৰকাশ কৰিছে যে প্ৰাচীন আৰ্য্যসকলৰ ভাষাৰ নিদৰ্শন (১) ঋগ্বেদৰ ভাষাত, (২) বেদ সমূহৰ পিছত ৰচিত সাহিত্যৰ ভাষাত, (৩) মহাকাব্যৰ ভাষাত, (৪) পাণিনি, পতঞ্জলিৰ সংস্কৃত ভাষাত আৰু তেওঁলোকৰ পিছৰ কালিদাস আদি কবিৰ ৰচনা সমূহ আৰু আজিলৈকে সংস্কৃত ভাষাত ৰচিত গ্ৰন্থ সমূহত পোৱা যায়। মুঠতে, বৈদিক যুগৰ সাহিত্যৰ ভাষা, সেই যুগৰ কথিত ভাষা আৰু সংস্কৃত সাহিত্যৰ ভাষা—এই আটাইবিলাকে **প্ৰাচীন ভাৰতীয় আৰ্য্যভাষা** বোলা হয়।

(২) মধ্য ভাৰতীয় আৰ্য্যভাষা :

ভাৰতীয় আৰ্য্যভাষাৰ দ্বিতীয় স্তৰটোৱেই মধ্য ভাৰতীয় আৰ্য্যভাষা, বা উইন্টাৰনিজৰ বিভাজন মতে 'Middle Indian Languages and dialects.' এই স্তৰৰ ভাষাবোৰ প্ৰাকৃত নামেৰে জনা যায়। প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ কথিত ৰূপৰ পৰিবৰ্ত্তনৰ ফল স্বৰূপেই ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। প্ৰাকৃত ভাষাবোৰ কেতিয়াৰ পৰা প্ৰচলন হ'বলৈ ধৰে সেই বিষয়ে পণ্ডিতসকলে বিভিন্ন মত পোষণ কৰে। মহাৰাজ অশোকৰ অনুশাসনবোৰেই প্ৰাকৃত ভাষাৰ প্ৰাচীনতম নিদৰ্শন। প্ৰাকৃত ভাষাৰেই প্ৰাচীন ৰূপ পালি ভাষাত ৰচিত এই অনুশাসনবোৰ খৃঃ পূঃ প্ৰায় ৩য় শতিকাৰ। গতিকে প্ৰাকৃত ভাষাৰ উৎপত্তিৰ কাল তাৰ কিছু আগতে অৰ্থাৎ, প্ৰায় খৃঃ পূঃ ৫ম শতিকামান বুলি অনুমান কৰিব পাৰি। প্ৰাকৃত ভাষাবোৰ প্ৰথমতে কথিত ভাষাৰূপে ব্যৱহাৰ হৈছিল, পিছলৈ পণ্ডিত লোকৰ হাতত ভাষাটো মাৰ্জ্জিত হয় আৰু সাহিত্যত ব্যৱহাৰ হ'বলৈ ধৰে। বৌদ্ধ আৰু জৈনধৰ্ম্ম বাণীবোৰ প্ৰাকৃত ভাষাতে ৰচিত হৈছিল, পিছলৈ ধৰ্ম্মনিৰপেক্ষ (Secular) সাহিত্যও প্ৰাকৃত ভাষাত ৰচিত হ'বলৈ ধৰে। এই দুই ধৰ্ম্মৰ ধৰ্ম্মগ্ৰন্থ সমূহ,—'ধম্মপদং', 'ৰাৱণবহো', 'পউম চৰিঅ', সত্তসই, কৰ্পূৰ-মঞ্জৰী, বৃহৎ-কথা, সন্দেশ ৰাসক আদি বহুতো ধৰ্ম্মীয়গ্ৰন্থ আৰু ধৰ্ম্ম নিৰপেক্ষ কাব্য, নাট ইত্যাদি মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ বিভিন্ন ৰূপ—পালি, অৰ্দ্ধ-মাগধী, মহাৰাষ্ট্ৰী, শৌৰসেনী আদি

বিভিন্ন প্ৰাকৃত ভাষাত ৰচিত হৈছিল। খৃঃ পূঃ ৫ম শতিকা মানৰ পৰা খৃষ্টীয় ১০ম-১১শ শতিকাৰ ভিতৰত আৰ্য্যসকলে দৈনন্দিন জীৱনত যি ভাষা ব্যৱহাৰ কৰিছিল আৰু সেই কথিত ভাষাৰ ভিত্তিত যি সাহিত্যিক ভাষা সৃষ্টি হৈছিল সেই আটাইবিলাকে **মধ্য ভাৰতীয় আৰ্য্য ভাষা বা প্ৰাকৃত** বোলা হয়। বহুতে ভাবে যে মধ্য ভাৰতীয় আৰ্য্য ভাষা বা প্ৰাকৃতৰ সৃষ্টি হৈছে সংস্কৃত ভাষাৰ পৰা, কিন্তু প্ৰকৃততে সেইটো নহয়। প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ কথিত ৰূপটোৰ পৰিবৰ্ত্তনৰ ফলতহে মধ্যভাৰতীয় আৰ্য্যভাষা বা প্ৰাকৃতৰ সৃষ্টি হৈছে। সংস্কৃত ভাষাৰ পৰা প্ৰাকৃত ভাষাৰ সৃষ্টি হোৱা বুলি যি ভুল ধাৰণা প্ৰচলিত আছে, তাক দূৰ কৰাৰ উদ্দেশ্যেই উইণ্টাৰনিজে মত প্ৰকাশ কৰিছে যে—"The languages and dialects which we distinguish as "Middle Indian" are not indeed derived directly from the Sanskrit, but rather from the Indo-Aryan popular languages which underlie the Ancient High Indian and the Sanskrit or are related to the two latter." (ইয়াত Ancient High Indian বুলি বৈদিক সাহিত্যৰ ভাষাটোক বুজাইছে।)

পালিভাষা প্ৰাকৃতৰে এটা প্ৰাচীন ৰূপ। পিছলৈ ভাৰতৰ বিভিন্ন অঞ্চলত ভিন্ন ভিন্ন প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। দক্ষিণ-পশ্চিম ভাৰতত মহাৰাষ্ট্ৰী প্ৰাকৃত, মধ্যদেশত শৌৰসেনী প্ৰাকৃত, পূৱ ভাৰতত মাগধী প্ৰাকৃত, উত্তৰ-পশ্চিম অঞ্চলত পৈশাচী প্ৰাকৃতেই প্ৰধান আছিল। এই আঞ্চলিক প্ৰাকৃতবোৰেই খৃষ্টীয় ৫ম শতিকাৰ পৰা খৃঃ ১০ম শতিকামানৰ ভিতৰত পৰিবৰ্ত্তন হৈ অপভ্ৰংশ নাম পায়। মুঠতে খৃঃ পূঃ প্ৰায় ৫ম শতিকা মানৰ পৰা খৃষ্টীয় ১০ম—১১শ শতিকাৰ ভিতৰত আৰ্য্যভাষা যি ৰূপত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত আছিল সেই আটাইবোৰ ভাষা আৰু উপভাষা মধ্যভাৰতীয় আৰ্য্য ভাষাৰ অন্তৰ্গত।

(৩) আধুনিক ভাৰতীয় আৰ্য্যভাষা ঃ

প্ৰাকৃতিক প্ৰভাৱ আৰু আৰ্য্যপূৰ্ব জাতিৰ সংস্পৰ্শ আদি বিভিন্ন কাৰণত আৰ্য ভাষাই প্ৰাচীন স্তৰৰ পৰা মধ্যস্তৰ পাইছিল, সেই একেবোৰ কাৰণতে মধ্যস্তৰৰ ভাষাবো ক্ৰমে পৰিবৰ্ত্তন হৈ থাকে। কালক্ৰমত এনেদৰে পৰিবৰ্ত্তন লাভ কৰি ভাষাই মধ্যস্তৰৰ পৰা তালৈকিনি পৃথক হৈ পৰে। ফলত আৰ্য্য ভাষাই খৃষ্টীয় ১০ম—১১শ শতিকামানত আধুনিক স্তৰত প্ৰৱেশ লাভ কৰে, আৰু নাম পায় আধুনিক ভাৰতীয় আৰ্য্য ভাষা। এই বিষয়ে উইণ্টাৰনিজৰ মত হৈছে—"by about the year 1000 A.D. the modern

Indian Vernaculars had developed out of the middle Indian dialects, and from the 12th Century onwards these languages can show literatures of their own . ...." ভাৰতীয় আৰ্য্য ভাষাৰ মধ্য আৰু আধুনিক স্তৰৰ মাজৰ সময়খিনিত, অৰ্থাৎ খৃষ্টীয় প্ৰায় ৫ম শতিকা মানৰ পৰা ১০ম শতিকা মানৰ ভিতৰত এই ভাষাই যি ৰূপ লাভ কৰিছিল তাক 'অপভ্ৰংশ' বুলি নামাকৰণ কৰা হৈছে। আধুনিক স্তৰ পোৱাৰ আগখিনিতে প্ৰাকৃত ভাষাবোৰে পৰিবৰ্ত্তনৰ ফলত অপভ্ৰংশ ৰূপ পাইছিল। বিভিন্ন অঞ্চলত প্ৰচলিত অপভ্ৰংশ ভাষাবোৰ মধ্যভাৰতীয় আৰ্য্যভাষাৰ শেষ স্তৰ আৰু আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ অব্যৱহিত পূৰ্ব্বস্তৰ। অপ্ৰভ্ৰংশৰ বিভিন্ন আঞ্চলিক ৰূপৰ পৰাই আধুনিক যুগৰ আৰ্য্যভাষাবোৰৰ সৃষ্টি হৈছে। যেনে :—মাগধী অপভ্ৰংশৰ পৰা অসমীয়া, বঙলা, বিহাৰী আদি, শৌৰসেনী অপভ্ৰংশৰ পৰা পশ্চিমা হিন্দী, মহাৰাষ্ট্ৰী অপভ্ৰংশৰ পৰা মাৰাঠী ইত্যাদি। খৃষ্টীয় ১০ম শতিকা মানৰ পৰা আধুনিক আৰ্য্যভাষাবোৰৰ বিকাশ আৰম্ভ হয়, আৰু ১২শ শতিকামানত বিকাশ সম্পূৰ্ণ হৈ, প্ৰাকৃত—অপভ্ৰংশৰ প্ৰভাৱ মুক্ত হৈ, স্বকীয় ভাষাৰূপে নিজ নিজ অস্তিত্ব লাভ কৰে।

এইদৰেই বৈদিকযুগৰ কথিত আৰ্য্য ভাষাই যুগে যুগে পৰিবৰ্ত্তনৰ মাজেৰে আহি আহি মধ্যভাৰতীয় আৰ্য্য ভাষা আৰু তাৰ পিছত আধুনিক ভাৰতীয় আৰ্য্য ভাষা নামেৰে পৰিচিত হয়।

এইখিনিতে এটা কথা খৰচি মাৰি আলোচনা কৰা আৱশ্যক। ভাৰতীয় আৰু ইউৰোপীয় ভাষাতাত্ত্বিক সকলে 'সংস্কৃত' আৰু 'প্ৰাকৃত'—শব্দ দুটা বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ কৰাৰ ফলত নতুন শিকাৰুৰ কাৰণে বুজিবলৈ অলপ অসুবিধা হৈছে। বহুতো পণ্ডিতে বেদৰ ভাষাটো বুজাবলৈও 'সংস্কৃত' শব্দটো ব্যৱহাৰ কৰিছে। কোনো কোনোৱে বেদৰ ভাষা বুজাবলৈ 'বৈদিক সংস্কৃত' আৰু ৰামায়ণ-মহাভাৰত আদি পৰবৰ্ত্তী সাহিত্যৰ ভাষা বুজাবলৈ 'লৌকিক সংস্কৃত'—নাম ব্যৱহাৰ কৰিছে। কিন্তু 'সংস্কৃত' ভাষাৰ ব্যৱহাৰ পাণিনিৰ পিছৰ পৰাহে হয়। খৃঃ পূঃ ৫ম শতিকামানত, বেদসমূহ ৰচনা হোৱাৰ পিছতহে পাণিনিয়ে বৈদিক যুগৰ কথিত ভাষাক সংস্কাৰ কৰি 'সংস্কৃত' ভাষাটো সৃষ্টি কৰে। গতিকে বৈদিক সাহিত্যৰ ভাষাক সংস্কৃত নুবুলি 'বৈদিক আৰ্য্যভাষা' বোলাই সমীচীন। অৱশ্যে বেদৰ ভাষাটো 'ছন্দস্' বা 'ছন্দঃ' বুলি কোৱা হয়।

'প্ৰাকৃত' শব্দটোও সেইদৰে কোনো কোনোৱে কেৱল মধ্যযুগৰ ভাৰতীয় আৰ্য্যভাষা বুজাবলৈ ব্যৱহাৰ কৰে, আনবোৰে আকৌ বৈদিক যুগৰ জনসাধাৰণৰ কথিত ভাষাটোকো 'প্ৰাকৃত' বুলিব খোজে। ভাষাতাত্ত্বিক গ্ৰীয়াৰচন, ৱাকাৰ-

মাগেল আদি পণ্ডিতে কয় যে, যিহেতুকে 'প্ৰাকৃত'—শব্দটোৰ অৰ্থ 'জন সাধাৰণৰ ভাষা', গতিকে বৈদিক যুগৰ আৰ্য্যসকলৰ কথিত ভাষা বুজাবলৈ 'প্ৰথম স্তৰৰ প্ৰাকৃত' (Primary Prakrit), মধ্য যুগৰ আৰ্য্যসকলৰ কথিত ভাষা বুজা-বলৈ 'মধ্যস্তৰৰ প্ৰাকৃত' (Secondary Prakrit) আৰু আধুনিক যুগৰ আৰ্য্যসকলৰ কথ্যভাষা বুজাবলৈ 'তৃতীয় স্তৰৰ প্ৰাকৃত' (Tertiary Prakrit) বুলিব পাৰি। এই পুথিত 'প্ৰাকৃত'—শব্দটোৱে 'মধ্য ভাৰতীয় আৰ্য্যভাষা' বুজোৱা হব। উইণ্টাৰনিজ, কীথ, উলনাৰ, পিশ্বেল আদি সৰহভাগ পণ্ডিতে মধ্য ভাৰতীয় আৰ্য্যভাষা বুজাবলৈকে 'প্ৰাকৃত' শব্দটো ব্যৱহাৰ কৰিছে।

প্ৰথম অধ্যায়

মধ্য ভাৰতীয় আৰ্য্যভাষা বা প্ৰাকৃত

আগতেই উল্লেখ কৰি অহা হৈছে যে, ভাৰতীয় আৰ্য্যভাষাৰ দ্বিতীয় স্তৰটো, অৰ্থাৎ খৃঃ পূঃ ৫ম শতিকাৰ পৰা খৃষ্টীয় ১০ম—১১শ শতিকাৰ ভিতৰত ভাৰতীয় আৰ্য্যভাষাই যি ৰূপ পৰিগ্ৰহ কৰিছিল তাক 'মধ্যভাৰতীয় আৰ্য্যভাষা' বা 'প্ৰাকৃত' বোলে। 'প্ৰাকৃত'—শব্দটো পণ্ডিতসকলে ভিন্ন ভিন্ন ধৰণে ব্যাখ্যা কৰিছে। প্ৰকৃতিৰ পৰা যাৰ উৎপত্তি সেয়ে 'প্ৰাকৃত'। 'প্ৰকৃতি'—শব্দটোৰ দুটা অৰ্থ কৰিব পাৰি—(১) মূল (original), (২) স্বাভাৱিক (natural)। ইয়াৰে প্ৰথম অৰ্থটো যদি লোৱা হয়, তেতিয়াহলে কব লাগিব যে কোনো এটা মূল ভাষাৰ পৰা যি ভাষাৰ সৃষ্টি হৈছে সেয়ে 'প্ৰাকৃত'। ভাৰতীয় বৈয়াকৰণসকলে এই মতকে গ্ৰহণ কৰা দেখা যায়। খৃষ্টীয় ১১শ—১২শ শতিকাৰ জৈনাচাৰ্য্য হেমচন্দ্ৰ নামৰ এজন পণ্ডিতে 'সিদ্ধ-হেম-শব্দানুশাসন'—নামৰ যি ব্যাকৰণ ৰচনা কৰিছিল, সেইখন এখন বিশেষ উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ অষ্টম অধ্যায়ত প্ৰাকৃত ভাষা সম্বন্ধে আলোচনা কৰিছে। সেই প্ৰসঙ্গত লিখকে প্ৰাকৃত ভাষা সম্বন্ধে লিখিছে—"প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং তত আগতং বা প্ৰাকৃতম্।" (অৰ্থাৎ সংস্কৃতেই মূল ভাষা, তাৰ পৰা যি ভাষাৰ সৃষ্টি হৈছে সেয়ে প্ৰাকৃত ভাষা।) খৃষ্টীয় ১৭শ শতিকাৰ বৈয়াকৰণ মাৰ্কণ্ডেয়ই তেওঁৰ 'প্ৰাকৃত সৰ্ব্বস্ব' নামৰ পুথিখনত লিখিছে—"প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং প্ৰাকৃতমুচ্যতে।" (অৰ্থাৎ, মূল ভাষা সংস্কৃত, তাৰ পৰা হোৱা ভাষাক প্ৰাকৃত বোলে।) অন্যান্য ভাৰতীয়

বৈয়াকৰণ সকলেও প্ৰাকৃত শব্দ-ভাণ্ডাৰ সম্বন্ধে আলোচনা কৰোঁতে 'তৎসম', 'তদ্ভৱ' আদি বিভাগ কৰিছে, আৰু 'তৎ' শব্দেৰে 'সংস্কৃত' ভাষা বুজাইছে। সুঠতে ভাৰতীয় পণ্ডিত সকলৰ মতে সংস্কৃত ভাষাই প্ৰাকৃতৰ মূল বা উৎস। তেওঁলোকৰ মতে সংস্কৃত ভাষাৰ পৰাই প্ৰাকৃত ভাষাৰ সৃষ্টি হৈছে। এই বিষয়ে ইংৰাজ পণ্ডিত A. B. Keithএ তেওঁৰ 'A History of Sanskrit literature'—নামৰ গ্ৰন্থত লিখিছে— "The most widely accepted etymology of Prakrit current in India treats the name as denoting derivative, the prime source (Prakriti) being Sanskrit."

'প্ৰকৃতি' শব্দৰ দ্বিতীয় অৰ্থটো যদি লোৱা হয়, তেতিয়াহ'লে কব লাগিব যে, স্বাভাবিক ভাষাৰ পৰা যি ভাষাৰ সৃষ্টি হৈছে সেয়ে 'প্ৰাকৃত'। 'স্বাভাবিক' —শব্দটোৱে জনসাধাৰণৰ ভাষা বুজায়, গতিকে জনসাধাৰণৰ ভাষাৰ পৰা সৃষ্টি হোৱা ভাষাই প্ৰাকৃত ভাষা। এই বিষয়ে উইণ্টাৰনিজে লিখিছে—"... Samskrta, as much as 'made ready, ordered, prepared, parfect, pure, sacred'—Signifies the noble or sacred language, in contradistinction to 'Prakrit'—Prakrta, as much as 'original, natural, ordinary, common'—which signifiies the common language of the people."

কীথৰ ভাষাত—"Perhaps speeches other than Sanskrit received the name (Prakrit) from being the Common or Vulgar Speech, the langurge of the humble man as opposed to him of education who could talk the pure language."

ভাষাতাত্ত্বিক গ্ৰীয়াৰচনে দ্বিতীয় মতটোক সমৰ্থন কৰি লিখিছে—"this language, so fixed. was known by the name of 'Sanskrit' (Samskrata, purified), which the language of the common people, the 'loka' of Patanjali was called 'Prakrit' (Prakrta, natural unsophisticated)."

পাণিনি আদি পণ্ডিতে বৈদিক যুগৰ কথিত ভাষাক মাৰ্জিত কৰি, ব্যাকৰণৰ নিয়মেৰে বান্ধি সংস্কাৰ কৰিলে। তেতিয়াৰ পৰা সেই ভাষাটোৰ নাম হ'ল 'সংস্কৃত ভাষা'; আৰু এই ভাষাটোৰ পৰা পৃথক বুলি বুজাবৰ কাৰণেই লোকসাধাৰণৰ ভাষাক 'প্ৰাকৃত ভাষা' বোলা হ'ল। গ্ৰীয়াৰচন আদি পণ্ডিতে মত পোষণ কৰে যে, নিৰেহুকে প্ৰাকৃত জনসাধাৰণৰ ভাষা,

ইয়াৰ অন্তিম বৈদিক যুগতো অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্যভাষা-কালতো আছিল, আৰু আজিও অৰ্থাৎ আধুনিক ভাৰতীয় আৰ্যভাষা-কালতো আছে। (Primary, Secondary আৰু Tertiary Prakritৰ কথা আগতে উল্লেখ কৰি অহা হৈছে।) তেখেতৰ মতে বৈদিক যুগৰ পৰা আজিলৈকে আৰ্য্য জনসাধাৰণৰ যি কথিত ভাষা আছিল আৰু আজিও আছে সেয়ে প্ৰাকৃত ভাষা। এই মত বিশেষভাৱে গ্ৰহণযোগ্য, কাৰণ সকলো ভাষা পোনতে কথিত ভাষা হিচাপেহে সৃষ্টি হয়; পিছতহে তাক মাৰ্জিত কৰি সাহিত্যত ব্যৱহাৰ কৰা হয়। প্ৰাকৃত ভাষাও প্ৰথমতে কথিত ভাষা আছিল, পিছলৈ ইয়াৰ পৰাই পাণিনি আদি পণ্ডিতে 'সংস্কৃত' নামৰ কৃত্ৰিম সাহিত্যিক ভাষাৰ সৃষ্টি কৰে। ব্যাকৰণৰ নিয়মেৰে সুসংবদ্ধ, মাৰ্জিত ভাষাৰপৰা জনসাধাৰণৰ কথিত ভাষাৰ সৃষ্টি হোৱাৰ উদাহৰণ পৃথিৱীৰ ভাষাৰ ইতিহাসত দেখা নেযায়। গতিকে ভাৰতীয় পণ্ডিতসকলে যদিও 'সংস্কৃত'ক 'প্ৰাকৃত'ৰ মূল বুলি ধৰে, সেইটো সম্পূৰ্ণভাৱে শুদ্ধ বুলিব নোৱাৰি। 'সংস্কৃত' নামৰ মাৰ্জিত ভাষাটোৰ পৰা প্ৰাকৃত ভাষাৰ সৃষ্টি হোৱা নাই। 'সংস্কৃত ভাষা' বুলি যদি 'বৈদিক সংস্কৃত'কো ধৰা হয়, অৰ্থাৎ বৈদিক ভাষাকো ধৰা হয়, তেতিয়াহে 'সংস্কৃত'ৰ পৰা 'প্ৰাকৃত'ৰ সৃষ্টি হৈছে বুলিব পাৰি। হেমচন্দ্ৰ আদি ভাৰতীয় পণ্ডিত সকলে এনে বহল অৰ্থতে 'সংস্কৃত' শব্দটো ব্যৱহাৰ কৰিছিল—সেই কাৰণেহে "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভৱং তত আগতং বা প্ৰাকৃতম্" বুলি মত প্ৰকাশ কৰিছে।

'ভাৰতীয় আৰ্য্য ভাষা', 'প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষা', মধ্য ভাৰতীয় আৰ্য্য ভাষা আদি নাম আধুনিক যুগৰ—বিশেষকৈ ইউৰোপীয় ভাষাতাত্বিক আৰু প্ৰাচ্যবিদ সকলেহে সৃষ্টি কৰিছে। প্ৰাচীন ভাৰতৰ বৈয়াকৰণ আৰু আলঙ্কাৰিক সকলে এনে ধৰণে নামাকৰণ কৰা নাছিল। 'সংস্কৃত', 'প্ৰাকৃত' আদি নামো খৃঃ পূঃ ৫ম শতিকা মানৰ পিছৰ পৰাহে ভাৰতীয় পণ্ডিতসকলে ব্যৱহাৰ কৰিছিল বুলি অনুমান হয়। গ্ৰীয়াৰচনে যদিও 'প্ৰাকৃত ভাষা'ৰ ভিতৰত বৈদিক যুগৰ আৰ্য্যসকলৰ কথিত ভাষাকো ধৰিছে তথাপি ভাৰতীয় আৰু ইউৰোপীয় সৰহভাগ পণ্ডিতে 'মধ্য ভাৰতীয় আৰ্য্যভাষা' বুজাবলৈহে 'প্ৰাকৃত' শব্দটো ব্যৱহাৰ কৰিছে। গ্ৰীয়াৰচনে এই মতৰ বিৰোধিতা কৰিছে বুলিব নোৱাৰি। এই বিষয়ে তেখেতে লিখিছে—

"When we speak of 'Prakrit' without qualification, we mean this later phase of the Secondary Prakrits, when they had developed beyond the phase of pali, and before they had reached the analytic stage of the IAVs," (অৰ্থাৎ

Primary, Secondary আদি বিশেষণ যোগেৰাকৈ যেতিয়া কেৱল 'প্ৰাকৃত' বুলি কোৱা হয়, তেতিয়া ই মধ্যস্তৰৰ প্ৰাকৃতে 'পালি'-ৰূপৰ পৰা পৰিবৰ্তন হোৱা, অথচ আধুনিক আৰ্য্য ভাষা-ৰূপ পোৱাৰ আগৰ অৱস্থাটোকে বুজায়।)

ভাৰতীয় বৈয়াকৰণ আৰু আলংকাৰিক সকলে আকৌ 'মহাৰাষ্ট্ৰী', 'শৌৰসেনী' আদি কেইটিমান কৃত্ৰিম সাহিত্যিক ভাষা বুজাবলৈহে "প্ৰাকৃত" শব্দটো ব্যৱহাৰ কৰিছে। এই বিষয়ে জাৰ্মান ভাষাতাত্ত্বিক Dr. R. Pischelএ তেওঁৰ Grammatik der Prakrit sprachen—নামৰ গ্ৰন্থত লিখিছে—"By the term Prakrit, the Indian grammarians and rhetoricians comprehended a multitude of literary languages."

সি যিয়েই নহওক, আধুনিক ভাৰতীয় ভাষাতাত্ত্বিক আৰু ইউৰোপীয় পণ্ডিত সকলৰ মতকে সমৰ্থন কৰি মধ্য ভাৰতীয় আৰ্য্য ভাষা বুজাবলৈকে "প্ৰাকৃত" শব্দটো ব্যৱহাৰ কৰা সমীচিন। Introduction to Prakrit গ্ৰন্থত A. C. Woolner এ লিখিছে—"The mediaeval or middle Indian period (of Indo-Aryan languages) is represented in literature by pali and the Prakrits." গতিকে পালি আৰু প্ৰাকৃতেই হৈছে ভাৰতীয় আৰ্য্য ভাষাৰ মধ্যস্তৰ।

প্ৰাকৃত ভাষা সমূহৰ সাধাৰণ লক্ষণ :

মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, পৈশাচী আদি বিভিন্ন প্ৰাকৃত ভাষা ভাৰতৰ ভিন্ন ভিন্ন অঞ্চলত প্ৰচলিত আছিল। প্ৰাকৃত ভাষাবোৰৰ আঞ্চলিক ৰূপৰ মাজত বহুতো প্ৰভেদ আছিল যদিও কিছুমান মৌলিক লক্ষণ আটাইবোৰ প্ৰাকৃতত দেখা যায়। তেনে ধৰণৰ কেইটিমান বিশেষ লক্ষণ তলত আলোচনা কৰা হ'ল—

প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব প্ৰাকৃতত বহুখিনি সৰল হৈ পৰিছে। প্ৰাকৃত **ধ্বনিতত্ত্বৰ বৈশিষ্ট্য** সমূহ হৈছে :— (১) প্ৰাচীন ভাষাৰ ঋ, ৠ, ঌ, ৡ—এই কেইটা স্বৰধ্বনিৰ ব্যৱহাৰ প্ৰাকৃতত নাইকিয়া হৈছে। ঌ, ৡ—ধ্বনি সম্পূৰ্ণভাৱে লুপ্ত হৈছে, ঋ, ৠ—ধ্বনিৰ সলনি অ, ই, উ, ৰ, ৰি আৰু ৰু—ধ্বনিৰ ব্যৱহাৰ হয়। যেনে—

বৃক্ষ > বচ্ছ। (ঋ > অ)
ঘৃণ > ঘিণ। (ঋ > ই)
মৃণাল > মুণাল। (ঋ > উ)
বৃক্ষ > ৰুক্খ। (ঋ > ৰু) ইত্যাদি।

(২) সন্ধ্যক্ষৰ ঐ আৰু ঔৰ সলনি ক্ৰমে এ আৰু ও ব্যৱহাৰ হয়। যেনে :—

শৈলঃ > সেলা। (ঐ > এ)

ঔষধ > ওসহ। (ঔ > ও)

(৩) অয় আৰু অৱ-ৰ সলনিও ক্ৰমে এ আৰু ও ব্যৱহাৰ হয়। যেনে :—

কথয়তু > কহেদু। (অয় > এ)

নৱমালিকা > ণোমালিআ। (অৱ > ও)

শব্দৰ আদি, মধ্য আৰু অন্ত্য স্থানত থকা ব্যঞ্জন বৰ্ণবোৰ প্ৰাকৃতত বহুবিধ পৰিৱৰ্ত্তন হৈছে।

(১) শব্দৰ আদিস্থানত ন, য়, শ আৰু ষ-ৰ বাহিৰে অন্য একক ব্যঞ্জন বৰ্ণৰ পৰিৱৰ্ত্তন নহয়।

(ক) প্ৰাকৃতত ণ-ৰ ব্যৱহাৰ বেছি। ন—ৰ সলনি সাধাৰণতে ণ ব্যৱহাৰ হয়।

(খ) মাগধী প্ৰাকৃতৰ বাহিৰে অন্য প্ৰাকৃতত য—ৰ সলনি জ—ব্যৱহাৰ হয়।

(গ) শ, ষ আৰু স—ৰ ঠাইত প্ৰাকৃতত সাধাৰণতে স—ব্যৱহাৰ হয়, কেৱল মাগধী প্ৰাকৃতত সদায় শ-ব্যৱহাৰ হয়।

(২) শব্দৰ মধ্য স্থানৰ স্বৰ মধ্যৱৰ্ত্তী একক ব্যঞ্জন বৰ্ণৰ ভিতৰত ক, গ, চ, জ, ত আৰু দ—সাধাৰণতে প্ৰাকৃতত লোপ হয়। যেনে :—

যুগল > জুঅল,

মদন > মঅণ, ইত্যাদি।

(৩) স্বৰ মধ্যৱৰ্ত্তী প, ব আৰু ৱ—বৰ্ণও কেতিয়াবা কেতিয়াবা লোপ হয়। যেনে :—

দীপ > দীঅ

ধ্ৰুৱ > ধুঅ।

(৪) স্বৰ মধ্যৱৰ্ত্তী য—সদায় লুপ্ত হয়।

যেনে :— প্ৰিয় > পিঅ

(৫) স্বৰ মধ্যৱৰ্ত্তী মহাপ্ৰাণ বৰ্ণ খ, ঘ, থ, ধ, ফ আৰু ভ—সাধাৰণতে হ—লৈ পৰিৱৰ্ত্তন হয়।

যেনে :— অভিনৱ > অহিণৱ, অহিণৱ

কথিত > কহিঅ, ইত্যাদি।

(৬) শব্দৰ অন্ত্য স্থানৰ ব্যঞ্জন বৰ্ণবোৰ প্ৰাকৃতত সদায় লুপ্ত হয়।

(৭) অন্ত্যস্থানৰ বিসৰ্গ সাধাৰণতে লোপ হয়, নাইবা কেতিয়াবা কেতিয়াবা ও—লৈ পৰিবৰ্ত্তন। যেনে:—

কাকঃ > কাঅ, কাও

সুজনঃ > সুঅণ, সুঅণো, ইত্যাদি।

(৮) অন্ত্যস্থানত অনুনাসিক বৰ্ণৰ ঠাইত ং—ব্যৱহাৰ হয়। যেনে:—

গন্তম্ > গঅং

এবম্ > এবং, ইত্যাদি।

যুক্ত ব্যঞ্জন বৰ্ণৰ ব্যৱহাৰবো কিছুমান বিশেষ নিয়ম প্ৰাকৃতত আছে।

(১) শব্দৰ আদিস্থানত ণ্হ আৰু ম্হ—ৰ বাহিৰে অন্য যুক্ত ব্যঞ্জনবৰ্ণ ব্যৱহাৰ নহয়। যেনে:—

ক্লেশঃ > কিলেসো

মৃদঙ্গ > মিঅঙ্গ, ইত্যাদি।

(ণ্হ — স্নান > ণ্হাণ

ম্হ — স্মঃ > ম্হ, ম্হো)

(২) শব্দৰ মধ্যস্থানত দুটাতকৈ বেছি ব্যঞ্জনবৰ্ণ যুক্ত হৈ থাকিব নোৱাৰে।

যেনে:—কৰ্ত্তব্যম্ — কত্তব্বং, কাত্তব্বং, কাদব্বং,

বৰ্দ্ধন — বড্ঢণ, ইত্যাদি।

(৩) দুটা ব্যঞ্জনবৰ্ণ যুক্ত হৈ থাকিব পাৰে যদিও

(ক) একে ব্যঞ্জনবৰ্ণ দ্বিত্ব হৈ, নাইবা

(খ) অনুনাসিক বৰ্ণ আৰু স্পৰ্শবৰ্ণ যুক্ত হৈ

(অৰ্থাৎ ঙ+ক, ণ+ড ইত্যাদি), নাইবা

(গ) অনুনাসিক আৰু হ যুক্ত হৈ

(যেনে:—ণ্হ, ম্হ, ন্হ, ইত্যাদি)

ব্যৱহাৰ হব পাৰে। তাৰ বাহিৰে অন্য ব্যঞ্জনবৰ্ণ যুক্ত হৈ নথকে। সেইবাবে প্ৰাকৃতত যুক্ত ব্যঞ্জনবৰ্ণ সহজ কৰিবলৈ 'সমীভৱন' (Assimilation) আৰু 'স্বৰভক্তি' বা 'বিপ্ৰকৰ্ষ' (Anaptyxis)—মানৱ ধ্বনি পৰিবৰ্ত্তনৰ দুই সূত্ৰ বা নিয়মৰ প্ৰয়োগ বৰ বেছিকৈ দেখা যায়।

যুক্ত ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰৰ কেইটিমান উদাহৰণ:—

(১) ক্ৰ > ক্ক, বক্ৰ > বক্ক।

(২) ক্ষ > ক্খ, পক্ষ > পক্খ।

(৩) গ্ন > গ্গ, অগ্নি > অগ্গি।

(৪)	ল্প	> প্প,	কল্পিত	>	কপ্পিঅ।
(৫)	স্থ	> ট্‌ঠ,	অস্থি	>	অট্‌ঠি।
(৬)	ক্ষ	> চ্ছ, ক্‌খ,	অক্ষি	>	অচ্ছি, অক্‌খি।
(৭)	ত্য	> চ্চ,	নিত্য	>	নিচ্চ।
(৮)	ধ্য	> জ্‌ঝ,	মধ্য	>	মজ্‌ঝ।
(৯)	র্ধ	> ড্‌ঢ	অর্ধ	>	অড্‌ঢ।
(১০)	ন্ম	> ম্ম,	উন্মুখ	>	উম্মুহ।
(১১)	ষ্ম	> ম্হ,	গ্রীষ্ম	>	গিম্হ।
(১২)	ঃখ	> ক্খ,	দুঃখ	>	দুক্খ।
(১৩)	ষ্প	> প্ফ,	পুষ্প	>	পুপ্‌ফ ইত্যাদি।

ইয়াৰ উপৰি মূৰ্দ্ধন্যীভৱন, তালব্যীভৱন, স্বৰবৰ্ণৰ হ্ৰস্বীভৱন, দীৰ্ঘীভৱন (Cerebralisation, Palatalisation, Shortening of Vowel, lengthening of vowel আদি বিভিন্ন ধ্বনি পৰিৱৰ্তনৰ নিয়মবোৰৰ প্ৰয়োগ হোৱাৰ ফলতো প্ৰাকৃত—ধ্বনিতত্ত্বই প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ পৰা বহুখিনি পৃথক হৈ পৰিছে.

প্ৰাকৃত ভাষাসমূহৰ ৰূপতত্ত্বও প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ তুলনাত বহুখিনি সৰল হৈ পৰিছে। প্ৰাকৃত শব্দৰূপত দেখা যায় যে,

(১) প্ৰাচীন ভাষাত ব্যৱহাৰ হোৱা তিনিটা বচন— একবচন, দ্বিবচন আৰু বহুবচনৰ ঠাইত প্ৰাকৃতত দুটা বচন—একবচন আৰু বহুবচনহে ব্যৱহাৰ হয়। দ্বিবচনৰ ব্যৱহাৰ নাই।

(২) বিভক্তিৰ ভিতৰত ৪ৰ্থী বিভক্তিৰ ব্যৱহাৰ নাই। ৪ৰ্থী বিভক্তিৰ সলনি ৬ষ্ঠী বিভক্তি ব্যৱহাৰ হয়।

(৩) ১মা আৰু ২য়া বিভক্তিৰ বহুবচনত সাধাৰণতে একে ৰূপ হয়।

(৪) প্ৰাকৃত শব্দৰূপৰ আন এটা বৈশিষ্ট্য হৈছে—ইয়াত ব্যঞ্জনান্ত শব্দ নথকাৰ ফলত শব্দৰূপৰ জটিলতা বহুখিনি কমি গৈছে। প্ৰাকৃতত সকলো শব্দ স্বৰান্ত পদ্ধতিৰে স্বৰান্ত শব্দ ৰূপহে আছে।

সেইদৰে ধাতুৰূপৰ বৈশিষ্ট্য হৈছে—

(১) প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ দুটা পদৰ ভিতৰত প্ৰাকৃতত মাত্ৰ এটাহে আছে। প্ৰাকৃতত সকলো ধাতু প্‌ৰস্মৈপদী ধাতুৰ দৰে ৰূপ কৰা হয়।

(২) আদি-প্ৰাকৃত স্তৰত আত্মনেপদ ধাতুৰ ব্যৱহাৰ কিছু আছিল যদিও পিছলৈ ইয়াৰ ব্যৱহাৰ নাইকিয়া হৈ আহিল।

(৩) প্ৰাচীন ভাষাত কাল, ভাব্য আদিৰ বহুতো ৰূপ আছিল, প্ৰাকৃতত সেই-

বোৰ লোপ পায়। মাত্ৰ লট্, লোট্, বিধিলিঙ্ আৰু লৃট্—অৰ ব্যৱহাৰ হে প্ৰাকৃতত দেখা যায়। অতীত কাল বুজাবলৈ সাধাৰণতে সহায়ক ক্ৰিয়া আৰু কৃদন্ত পদ ব্যৱহাৰ হয়। কৃদন্ত পদ, অসমাপিকা ক্ৰিয়া আদিৰ ব্যৱহাৰ প্ৰাকৃতত বৰ বৃদ্ধি পাইছে।

(৪) ব্যঞ্জনান্ত শব্দৰূপ নথকাৰ দৰে ব্যঞ্জনান্ত ধাতু ৰূপো প্ৰাকৃতত নাই।

মুঠতে প্ৰাকৃত ব্যাকৰণ প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ তুলনাত অতি সৰল আৰু অজটিল।

দ্বিতীয় অধ্যায়

প্ৰাকৃত ভাষাৰ স্তৰ বিভাগ

প্ৰাকৃত ভাষাবোৰক তিনিটা স্তৰত ভাগ কৰা হয়—(১) আদি প্ৰাকৃত (Old Prakrit বা pali) (২) মধ্য প্ৰাকৃত (Middle Prakrit) (৩) অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ (Late Prakrit বা Apabhramsa).

খৃঃ পূঃ ৫ম শতিকাৰ পৰা খৃষ্টীয় ২য় শতিকাৰ ভিতৰৰ অশোকৰ অনুশাসনবোৰ, চীনীয় তুৰ্কিস্তানত পোৱা মিশ্ৰ প্ৰাকৃত প্ৰত্নলিপিবোৰ, হীনযান বৌদ্ধসকলৰ ধৰ্ম্মবাণী, প্ৰাচীন জৈন ধৰ্ম্মবাণী, মহাবংশ, জাতক, আৰু অশ্বঘোষৰ প্ৰাচীন সংস্কৃত নাটকৰ মাজে মাজে আদি প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। এই আদি প্ৰাকৃত বা পালি ভাষা প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাতকৈ কিছু সৰল যদিও ইয়াত প্ৰাচীন ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ জটিলতা বহুখিনি সংৰক্ষিত হৈছে।

খৃষ্টীয় ২য় শতিকামানৰ পৰা খৃষ্টীয় ৬ষ্ঠ শতিকামানৰ ভিতৰত প্ৰাকৃত ভাষাই মধ্যস্তৰ পায়। মধ্য-প্ৰাকৃত ভাষা সাহিত্যত বহুলভাৱে ব্যৱহাৰ কোৱা দেখা যায়। মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত কাব্যসমূহত, সংস্কৃত নাটকৰ কিছুমান চৰিত্ৰৰ মুখৰ বচনত, পিছৰ যুগৰ জৈন ধৰ্ম্মবাণী আৰু অন্যান্য সাহিত্যত মধ্য-প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। মধ্য প্ৰাকৃতৰ ভিতৰত মহাৰাষ্ট্ৰী, শৌৰসেনী আৰু মাগধী প্ৰাকৃতক নাটকীয় প্ৰাকৃত (Dramatic Prakrit) বুলি কৰা যায়; কাৰণ সংস্কৃত নাটকত এই কেইবিধ প্ৰাকৃতৰ ব্যৱহাৰ অধিক।

খৃষ্টীয় ৫ম—৬ষ্ঠ শতিকামানৰ পৰা খৃষ্টীয় ১০ম—১১শ শতিকামানলৈ অন্ত্য প্ৰাকৃত বা অপভ্ৰংশৰ সময়। এই স্তৰৰ প্ৰাকৃতো আদিতে কথিত ভাষা ৰূপেহে

সৰ্ব্বসাধাৰণৰ মাজত ব্যৱহাৰ হৈছিল; কিন্তু পিছলৈ এই ভাষাতো সাহিত্য সৃষ্টি হয়। অন্ত্য প্ৰাকৃত বা অপভ্ৰংশই প্ৰাকৃত ভাষাসমূহৰ সৰ্ব্বশেষ ৰূপ। ইয়াৰ পিছতে ভাৰতীয় আৰ্য্য ভাষাই আধুনিক স্তৰত প্ৰৱেশ কৰে। গতিকে অন্ত্য প্ৰাকৃতক প্ৰাকৃতৰ শেষ অৱস্থা আৰু আধুনিক আৰ্য্যভাষাৰ আদি অৱস্থা বুলিব পাৰি।

আদি প্ৰাকৃত—প্ৰাচীন জৈন ধৰ্ম্মগ্ৰন্থ আৰু অশ্বঘোষৰ নাটকত আদি প্ৰাকৃতৰ নিদৰ্শন পোৱা যায় যদিও বৌদ্ধ ধৰ্ম্ম গ্ৰন্থত ব্যৱহৃত **পালি ভাষাই** আদি-প্ৰাকৃতৰ প্ৰকৃষ্ট নিদৰ্শন। অশোকৰ অনুশাসনবোৰতো পালি ভাষাৰ বিভিন্ন আঞ্চলিক ৰূপ ব্যৱহাৰ কৰিছিল।

'পালি' শব্দটোৰ মূল অৰ্থ হৈছে—'পৰিসীমা', 'সীমা' বা 'শাৰী' (boundary limit, line)। কিন্তু 'পালি' শব্দটো মূলতে ব্যৱহাৰ হৈছিল—থেৰবাদ বৌদ্ধ সকলৰ 'ধৰ্ম্মবাণী' বুজাবলৈহে। জাৰ্ম্মাণ পণ্ডিত Wilhelm Geigerএ লিখিছে—"The word Pali however signifies only "text", "Sacred text". পিছলৈ বৌদ্ধ ধৰ্ম্মগ্ৰন্থ—বিশেষকৈ ত্ৰিপিটকৰ ভাষাটো বুজাবলৈ "পালি ভাষা"—নামৰ প্ৰয়োগ হ'বলৈ ধৰিলে। তাৰো পিছলৈ অন্যান্য গ্ৰন্থও এই ভাষাতে ৰচিত হ'বলৈ ধৰে, তাৰ ভিতৰত বুদ্ধঘোষকে আদি কৰি টীকাকাৰ সকলে কৰা ত্ৰিপিটকৰ টীকা ('অথকথা') সমূহ, দীপবংস, মহাবংস নামৰ ঐতিহাসিক গ্ৰন্থ, 'মিলিন্দপঞ্হ' নামৰ থেৰবাদী বৌদ্ধসকলৰ ধৰ্ম্মতত্ত্বমূলক গ্ৰন্থ—ইত্যাদিয়েই প্ৰধান।

অন্যান্য প্ৰাকৃতৰ তুলনাত পালিভাষা অধিক প্ৰাচীন। ইয়াত প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ ধ্বনিতত্ত্ব আৰু ব্যাকৰণৰ প্ৰভাৱ বেছি দেখা যায়। পালি ভাষাত আত্মনেপদৰ ব্যৱহাৰ, লুঙ্ বিভক্তিৰ ব্যৱহাৰ, ণ, য়, ল—ৰ ব্যৱহাৰ, স্বৰ মধ্যস্থ ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰ, ম্ন, ত্ৰ আদি যুক্ত বৰ্ণৰ ব্যৱহাৰ আছে। ইয়াৰ পৰাই বুজা যায় যে ভাষাটো অন্য প্ৰাকৃত ভাষাৰ তুলনাত প্ৰাচীন।

Westergaard, E. Kuhn আদি পণ্ডিতে উজ্জয়িনীৰ ভাষাকে পালি-ভাষাৰ মূল বুলি ভাবে। Oldenberg আৰু অন্যান্য পণ্ডিতে আকৌ কলিঙ্গৰ ভাষাকহে ইয়াৰ মূল বুলি কব খোজে। থেৰবাদ বৌদ্ধসকলৰ মতে মাগধী ভাষাই পালি ভাষাৰ মূল—মাগধা নিৰুক্তি, মাগধিক ভাষা। কিন্তু মাগধী ভাষাত নথকা কেইটামান লক্ষণ পালি ভাষাত থকা গতিকে উক্ত মত ভুল যেন দেখায়। (পালি ভাষাৰ ৰ, স, জ—ৰ ব্যৱহাৰ, অকাৰান্ত পুংলিঙ্গ আৰু ক্লীবলিঙ্গ শব্দৰ ১মা একবচনত —ও আৰু —অং—ৰ ব্যৱহাৰ আছে,

মাগধী ভাষাত এইবোৰৰ ব্যৱহাৰ নাই।) তথাপি বৌদ্ধ ধৰ্মৰ জন্মস্থান আৰু বুদ্ধদেৱৰ কৰ্মস্থান মগধৰ ভাষাই 'বুদ্ধ বচন'ৰ ভাষাক গঢ় দিয়াটো অসম্ভৱ নহয়। পালি ভাষাৰ অভিধান ৰচক R. C, Childers-ৰ মতে মাগধীয়েই পালি-ভাষাৰ মূল। গ্ৰীয়াৰচনেও এনে অনুমান কৰে। সেইবাবেই Geiger আদি পণ্ডিতে মাগধী ভাষাকে পালি ভাষাৰ মূল বুলি মোটামুটি ভাৱে মানি লৈছে। এই বিষয়ে Geigerএ মত প্ৰকাশ কৰিছে যে,……"Pali was indeed no pure Magadhi, but was yet a form of the popular speech which was based on Magadhi and which was used by Buddha himself" বৌদ্ধ ধৰ্মীয় সাহিত্যৰ এটা বুজন ভাগৰ টীকাকাৰ হৈছে বুদ্ধঘোষ। এওঁ চুল্লবগ্‌গত উল্লিখিত 'অনুজানামি ভিক্খৱে সকায় নিৰুত্তিয়া বুদ্ধবচনম্ পৰিয়াপুণিতুম্'—কথাষাৰ এইদৰে ব্যাখ্যা কৰিছে—'মই আজ্ঞা কৰো যে বুদ্ধবচন তেওঁৰ নিজৰ ভাষাত (অৰ্থাৎ বুদ্ধই নিজে ব্যৱহাৰ কৰা ভাষা—মাগধী) শিকা উচিত।' ('I ordain the words of Buddha to be learnt in his own language (i.e. in Magrdhi, the language used by Buddha himself.') ইয়াৰ উপৰি Geigerএ মত প্ৰকাশ কৰিছে যে পালি এটা মৌলিক ভাষা নহয়। কেবাটাও ভাষাৰ সংমিশ্ৰণত সৃষ্টি হোৱা এটা মিশ্ৰ ভাষাহে। ("Pali is not a homogeneous language. Numerous double forms reveal it to be a mixed dialect.") উইণ্টাৰনিজেও এনে মতকে পোষণ কৰিছে। তেওঁৰ মতে "Pali is a language of literature which has been exclusively employed by the Buddhists and has sprung like every literary language more or less from an admixture of several dialects."

মুঠতে বুদ্ধদেৱৰ শিষ্যবৰ্গে গোটেই ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰাকৃত ভাষা-ভাষী লোকৰ প্ৰভাৱত মাগধী প্ৰাকৃতক মূল কৰি বুদ্ধবচনৰ প্ৰচাৰৰ কাৰণে যি সাহিত্যিক ভাষাৰ সৃষ্টি হৈছিল সেয়ে পালিভাষা নামে জনাজাত হয়।

অনুশাসনবোৰত ব্যৱহৃত পালিভাষা আৰু বুদ্ধবচন, অৰ্থাৎ বৌদ্ধধৰ্মৰ শাস্ত্ৰসমূহত ব্যৱহৃত পালিভাষাৰ মাজত কিছু প্ৰভেদ আছে যদিও আটাইবোৰকে একেলগে আদি-প্ৰাকৃত বা পালি বুলি অভিহিত কৰা হৈছে।

পালিভাষাৰ কেইটিমান বিশিষ্ট লক্ষণ হৈছে :—

(১) 'শ', 'ষ' আৰু 'স'-ৰ ভিতৰত মাত্ৰ 'স'হে ব্যৱহাৰ হয়।

(২) 'ঋ'- ধ্বনিৰ ব্যৱহাৰ আছে।

(৩) 'ষ'—ৰ সলনি কেতিয়াবা 'স' ব্যৱহাৰ হয়।

(৪ 'স'—ৰ সলনি কেতিয়াবা 'ষ' ব্যৱহাৰ হয়।

(৫) শব্দ মধ্যস্থ ব্যঞ্জনবৰ্ণ সাধাৰণতে লোপ নহয়।

(৬) অন্যান্য প্ৰাকৃতৰ তুলনাত পালি ভাষাত বৈদিক যুগৰ আৰ্য্য ভাষাৰ বৈয়াকৰণিক ৰূপ বেছি সংৰক্ষিত হৈছে।

(৭) কমকৈ হ'লেও পালিভাষাত আত্মনেপদৰ ব্যৱহাৰ আছে।

(৮) অতীত কাল বুজাবলৈ এই ভাষাত 'লুঙ্' (Aorist) বিভক্তিৰ ব্যৱহাৰ বেছি।

(৯) বিপ্ৰকৰ্ষৰ (Anaptyxis) ব্যৱহাৰো পালিভাষাত বেছি দেখা যায়।

ধৰ্মগ্ৰন্থত ব্যৱহৃত পালি ভাষাৰ উপৰি 'অশোকৰ অনুশাসন' বোৰৰ ভাষাও আদি প্ৰাকৃতৰ অন্তৰ্গত। বৌদ্ধ ধৰ্মৰ বাণীসমূহ প্ৰচাৰৰ উদ্দেশ্যে সম্ৰাট অশোকে ভাৰতৰ বিভিন্ন ঠাইত বহুতো শিলালিপি, স্তম্ভলিপি আদি খোদিত কৰাইছিল। তাৰ ভিতৰত শাহবাজ গঢ়ী, মানসেৰা, ধৌলী, জৌগড় আদিত থকা অনুশাসনবোৰ উল্লেখযোগ্য। এই অনুশাসনবোৰত ব্যৱহৃত প্ৰাকৃত ভাষাৰ চাৰিটা উপভাষা দেখা যায়। যেনে :—

(১) উত্তৰ পশ্চিমা। (২) দক্ষিণ-পশ্চিমা। (৩) প্ৰাচ্য-মধ্যা আৰু (৪) প্ৰাচ্যা। এই লিপিবোৰৰ কেইখনমান খৰোষ্ঠী লিপিত আৰু বাকীবোৰ ব্ৰাহ্মীলিপিত খোদিত। অশোকৰ অনুশাসনবোৰৰ বাহিৰেও 'সুতনুকা' প্ৰত্নলিপি বেচিওড়োৰৰ 'বেসনগৰৰ গৰুড়স্তম্ভ লিপি' 'খৰবেলৰ হাতীগুম্ফা' গুহালিপি আদি উল্লেখযোগ্য।

খৃষ্টীয় ৩য় শতিকাত মধ্য-এচিয়াৰ চীনীয় তুৰ্কিস্তানৰ শানশান প্ৰদেশত লিখিত প্ৰত্নলিপিবোৰকো আদি প্ৰাকৃতৰ ভিতৰত ধৰিব পাৰি। "নিয়া" নামৰ ঠাইৰ বালিত পোতখাই থকা অৱস্থাৰ পৰা ১৯ শতিকাত এইবোৰ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভাষাক "নিয়া-প্ৰাকৃত" বোলা হয়। পণ্ডিতসকলে অনুমান কৰে যে খৃষ্টীয় ১ম শতিকাৰ পৰা ৩য় শতিকাৰ ভিতৰত প্ৰাচীন শানশান ৰাজ্যত "নিয়া-প্ৰাকৃত" ভাষা প্ৰচলিত আছিল। অশোকৰ অনুশাসনৰ দক্ষিণ-পশ্চিমা উপভাষাৰ লগত নিয়া-প্ৰাকৃতৰ ভালেখিনি সাদৃশ্য আছে। তাৰ পৰাই অনুমান কৰা হৈছে যে এই ভাষা-ভাষী সকল মূলতে উত্তৰ-পশ্চিম ভাৰতৰ লোক আছিল। এই ভাষাৰ ওপৰত ইৰাণীয়, তোখাৰীয় আৰু মঙ্গোলীয় ভাষাৰ যথেষ্ট প্ৰভাৱ পৰিছে। এই প্ৰত্নলিপি বোৰতো খৰোষ্ঠীলিপি ব্যৱহাৰ কৰা দেখা যায়। এই লিপিবোৰ প্ৰধানকৈ ৰাজ্য-শাসন সম্বন্ধীয় আৰু ব্যৱসায়-বাণিজ্য

আদি বিষয়ৰ। ডাঃ সুকুমাৰ সেনৰ মতে 'নিম্না-প্ৰাকৃতৰ' বিশিষ্ট লক্ষণ হৈছে :—

(১) স্বৰ মধ্যস্থ ব্যঞ্জন-ধ্বনিৰ ঘোষীভৱন, অৰ্থাৎ ক>গ; শ, স>জ় (সাধাৰণ 'জ'তকৈ বেলেগ উচ্চাৰণ বুজাবলৈ তলত বিন্দু দিয়া হৈছে। জ়=z)

যেনে :—অৱকাশ>অৱগজ়।

(২) শব্দৰ আদিস্থানত 'দ'ৰ সলনি 'ধ' ব্যৱহাৰ হয়।

যেনে :—দিৱস>ধিৱঝ

দত্তঃ>ধিত্তু

(৩) ক্ত প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়াত উত্তম পুৰুষ আৰু মধ্যম পুৰুষত √অস্ ধাতুৰ বৰ্ত্তমানৰ ৰূপ সংযোগ কৰি, আৰু প্ৰথম পুৰুষৰ বহুবচনত—অন্তি বিভক্তি যোগ কৰি অতীত কাল বুজোৱা হয় :—

যেনে :—শ্ৰুতোঽস্মি>শ্ৰুতেমি (শুনিছো)

তে গতাঃ>গতংতি (তেওঁলোক গ'ল বা গৈছে।)

অশোকৰ অনুশাসনৰ ভাষাৰ লগত মিল থকা অন্য এখন পুথি হৈছে "খৰোষ্ঠী ধম্মপদ" বা "খোটান ধম্মপদ"। ইয়াৰ ভাষাটো যদিও মধ্য প্ৰাকৃত স্তৰৰ অন্তৰ্গত তথাপি অশোকৰ অনুশাসনৰ উত্তৰ-পশ্চিমা উপভাষাৰ লগত ইয়াৰ ভালেখিনি সাদৃশ্য আছে। মধ্য আৰু দক্ষিণ-পূব এচীয়াৰ বৌদ্ধ-ধৰ্মাৱলম্বী দেশবোৰত বৌদ্ধ ধৰ্ম্মশাস্ত্ৰ "ধম্মপদ"ৰ আদৰ আছিল। মধ্য এচীয়াৰ খোটান অঞ্চলৰ পৰা প্ৰাপ্ত "ধম্মপদ"খনো আদি প্ৰাকৃত ভাষাত ৰচিত। এই পুথিখন খৰোষ্ঠী লিপিত লিপিবদ্ধ কাৰণে ইয়াক "খৰোষ্ঠী ধম্মপদ" বুলিয়েই নামাকৰণ কৰা হৈছে। কোনো কোনোৱে "খোটান ধম্মপদ" বুলিও উল্লেখ কৰিছে। ইয়াৰ ভাষাটো যথেষ্ট প্ৰাচীনগন্ধী। "খৰোষ্ঠী ধম্মপদ"ৰ ভাষাৰ কেইটিমান বৈশিষ্ট্য হৈছে :—

(১) ৰ-কাৰ আৰু স-কাৰ যুক্ত ব্যঞ্জন-ধ্বনিৰ পৰিবৰ্ত্তন নহয়। যেনে :—প্ৰিয়, অস্তি ইত্যাদি।

(২) য়-যুক্ত ব্যঞ্জন-ধ্বনিৰ সমীভৱন হয়।

যেনে :— কৰ্ত্তব্যঃ > কট্টব্বো > কটবো

কল্যাণম্ > কল্লাণং > কলণং

(৩) 'ষ' 'স'-ৰ ঠাইত 'ম্প' ব্যৱহাৰ হয়।

যেনে :—বিস্ময় > বিম্পাম

(৪) ত্বা প্ৰত্যয়ৰ ঠাইত -ত্বী 7 ত্তি হয়।

যেনে :—পৰিবৰ্জয়িত্বা 7 পৰিবজেত্বী 7 পৰিবজেত্তি।

(৫) ঘোষ ধ্বনিৰ ঠাইত অঘোষ আৰু অঘোষ ধ্বনিৰ ঠাইত ঘোষ ধ্বনিৰ

ব্যৱহাৰ হোৱা দেখা যায়।

যেনে :—গ > ক, ক > গ, দ > ত, ড়

সমাগত > সমাকত, মদন > মতন

(৬) আ-কাৰৰ ব্যৱহাৰ খুব কম।

যেনে :— সদা > সদ

শাসন > শশণ ইত্যাদি

(৭) 'ত'ৰ সলনি কেতিয়াবা 'দ' ব্যৱহাৰ হয়।

যেনে :—ব্ৰতবান্ > বদৱ, সমাহিত > সমহিদ।

(৮) যুক্ত বৰ্ণৰ ঠাইত একক বৰ্ণ ব্যৱহাৰ হয়।

যেনে :—মিচ্ছ > মিছ, অন্ন > অন্ন > অণ।

মধ্য প্ৰাকৃত— খৃষ্টীয় ২য় শতিকা মানৰ পৰা খৃষ্টীয় ৬ষ্ঠ শতিকামানলৈ— এইছোৱা সময়ৰ ভিতৰত প্ৰাকৃত ভাষাই যি ৰূপ লৈছিল তাক "**মধ্য প্ৰাকৃত**" বোলা হয়। মধ্য প্ৰাকৃত স্তৰৰ ভাষাবোৰ প্ৰধানকৈ সাহিত্যত ব্যৱহাৰ হৈছিল। কাব্য নাটকত ব্যৱহৃত মহাৰাষ্ট্ৰী ভাষা, সংস্কৃত নাটকত ব্যৱহৃত মাগধী, শৌৰসেনী আদি বিভিন্ন প্ৰাকৃত ভাষা, "বৃহৎ-কথা" নামৰ গ্ৰন্থত ব্যৱহৃত পৈশাচী প্ৰাকৃত আৰু জৈন ধৰ্ম-গ্ৰন্থ সমূহত ব্যৱহৃত জৈন-মহাৰাষ্ট্ৰী, জৈন-শৌৰসেনী, অৰ্দ্ধ মাগধী আদি ভাষা আৰু ইয়াৰ উপভাষাবোৰ মধ্য প্ৰাকৃত স্তৰভুক্ত। মধ্য প্ৰাকৃতক দুটা প্ৰধান ভাগত ভাগ কৰা হয়—

(১) নাটকীয় প্ৰাকৃত (Dramatic Prakrit) আৰু

(২) জৈন ধৰ্ম শাস্ত্ৰৰ প্ৰাকৃত (Jaina Canonical Prakrit)

নাটকীয় প্ৰাকৃতৰ ভিতৰত প্ৰধানকৈ মহাৰাষ্ট্ৰী, শৌৰসেনী আৰু মাগধী প্ৰাকৃতক ধৰা হয়। জৈন প্ৰাকৃতৰ ভিতৰত অৰ্দ্ধ-মাগধী, জৈন-মহাৰাষ্ট্ৰী, জৈন-শৌৰসেনীয়েই প্ৰধান। ইয়াৰ উপৰি "পৈশাচী প্ৰাকৃত" নামৰ আৰু এক প্ৰকাৰৰ প্ৰাকৃতৰ উল্লেখ বৈয়াকৰণ সকলে কৰিছে।

অন্ত্য প্ৰাকৃত—মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ শেষ স্তৰটোকে অন্ত্য প্ৰাকৃত বোলা হয়। গ্ৰীয়াৰ্চনে ইয়াক Late Prakrit বুলিছে। ভাৰতীয় বৈয়াকৰণ সকলে ইয়াক অপভ্ৰংশ বুলি অভিহিত কৰিছে। পোনতে পতঞ্জলিৰ "মহাভাষ্যত" 'সংস্কৃত ভাষাতকৈ বিকৃত'—বুজাবলৈ 'অপভ্ৰংশ' বা 'অপভ্ৰষ্ট' শব্দটো ব্যৱহাৰ কৰা হৈছিল। পিছলৈ ইয়েই '**অপভ্ৰংশ ভাষা**' নামেৰে অন্ত্য প্ৰাকৃত ভাষাৰ এটা বিশেষ ৰূপ বুজাবলৈ ধৰিলে। ডঃ সুকুমাৰ সেনে তেওঁৰ "ভাষাৰ ইতিবৃত্ত" নামৰ পুথিত লিখিছে—"মধ্য ভাৰতীয়-আৰ্য্যৰ যে সৰ্বশেষ স্তৰটি তা-ই

লোক সাহিত্যেৰ বাহক হইয়া উঠিয়াছিল তাহাই প্ৰাচীন অপভ্ৰংশ.........।"
প্ৰাকৃত ভাষাবোৰে যেতিয়া সাহিত্যিক মৰ্য্যদা লাভ কৰি জনসাধাৰণৰ কথিত ভাষাৰ পৰা আঁতৰি গল, তেতিয়াৰ পৰাই কথিত আৰ্য্য ভাষাই অপভ্ৰংশ স্তৰত প্ৰবেশ কৰে, আৰু অপভ্ৰংশয়ো যেতিয়া সাহিত্যিক মৰ্য্যাদা লাভ কৰি জনসাধাৰণৰ ভাষাৰ পৰা পৃথক হৈ পৰিল, তেতিয়াই ভাৰতীয় আৰ্য্য ভাষাই আধুনিক স্তৰত প্ৰবেশ কৰিলে।

খৃষ্টীয় ১২শ শতিকাৰ পিছৰ ভাৰতীয় বৈয়াকৰণ সকলে সাহিত্যিক অপভ্ৰংশৰ বিষয়ে আলোচনা কৰোঁতে ইয়াৰ তিনিটা উপভাষাৰ উল্লেখ কৰিছে—

(১) নাগৰ
(২) ব্ৰাচড় (বা ব্ৰাচট)
আৰু (৩) উপনাগৰ

গ্ৰীয়াৰচন আদি ভাষাতাত্ত্বিকে শৌৰসেনী অপভ্ৰংশ, মাগধী অপভ্ৰংশ আদি বিভিন্ন বিভাগ নিৰ্দ্দেশ কৰিছে। ডাঃ সেনে আকৌ প্ৰাচীন অপভ্ৰংশ আৰু অৰ্ব্বাচীন অপভ্ৰংশ (বা অবহট্‌ঠ)—বুলি দুটা ভাগ কৰিছে। প্ৰাকৃত ভাষা-বোৰে যেতিয়া জনসাধাৰণৰ সংস্পৰ্শ হেৰুৱালে তেতিয়া অপভ্ৰংশ ভাষাই জন-প্ৰিয়তা লাভ কৰিবলৈ ধৰিলে, আৰু ক্ৰমে এই ভাষাতো সাহিত্য সৃষ্টি হবলৈ ধৰিলে।

তৃতীয় অধ্যায়

মধ্য স্তৰৰ প্ৰাকৃত ভাষা সমূহৰ বিবৰণ

মহাৰাষ্ট্ৰী প্ৰাকৃত—মহাৰাষ্ট্ৰী প্ৰকৃতক প্ৰাকৃত ভাষাবোৰৰ ভিতৰত শ্ৰেষ্ঠ বুলি ধৰা হয় (Prakrit par excellence)। এই ভাষাত বহুতো কাব্য ৰচনা হৈছিল। সংস্কৃত নাটকতো এই ভাষাটো বহুল ভাবে ব্যৱহাৰ হৈছিল। ভাষাটোৰ স্বাভাৱিক মাধুৰ্য্যৰ বাবে ই বৰেই জনপ্ৰিয়ও হৈ উঠিছিল। সেই কাৰণেই, প্ৰাচীন বেৰাৰ প্ৰদেশেই (আধুনিক মহাৰাষ্ট্ৰ) ইয়াৰ কেন্দ্ৰ ঠাই আছিল যদিও ভাষাটো গোটেই ভাৰতত কাব্য, গীত আদি ৰচনাৰ কাৰণে ব্যৱহাৰ হৈছিল। ফলত অন্যান্য প্ৰাকৃতকৈ মহাৰাষ্ট্ৰী প্ৰাকৃতে বেছি প্ৰসাৰ লাভ কৰিছিল। প্ৰাকৃত বৈয়াকৰণ সকলে প্ৰাকৃত ভাষাবোৰৰ বিষয়ে আলোচনা

কৰোতে প্ৰথমতে মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বিষয়ে আলোচনা কৰে, আৰু বাকীবোৰ প্ৰাকৃতৰ পাৰ্থক্যখিনি মাত্ৰ উল্লেখ কৰে। গোদাবৰী অঞ্চলৰ কথিত ভাষাৰ ভিত্তিত এইবিধ প্ৰাকৃতে গঢ় লৈছে। এই প্ৰাকৃতত ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰ বৰ কম। তাৰ সলনি স্বৰবৰ্ণ বেছিকৈ ব্যৱহাৰ হয়। এই বিষয়ে গ্ৰীয়াৰচনে লিখিছে যে, "In the Secondary stage, the language is still synthetic, but diphthongs and harsh combinations of consonants are eschewed,—so much so that, in the latest artificial literary phase,—the literary Maharastri Prakrit,—it arrives at a condition of almost absolute fluidity, becoming a mere emasculated collection of vowels hanging for support on to an occassional consonant more lucky or more hardy than its brethren." (অৰ্থাৎ, প্ৰাকৃত স্তৰত ভাষাবোৰ স্থিৰ আছিল যদিও সন্ধ্যক্ষৰ আৰু কঠিন উচ্চাৰণৰ যুক্তাক্ষৰবোৰ পৰাপক্ষত বাদ দিবলৈ চেষ্টা কৰা হৈছিল। এই চেষ্টা কৃত্ৰিম সাহিত্যিক ভাষা মহাৰাষ্ট্ৰী প্ৰাকৃতত ইমান বেছি হৈছিল যে ভাষাটো স্বৰবৰ্ণৰ বাহুল্যৰ কাৰণে অতি কোমল হৈ পৰিছিল। স্বৰবৰ্ণবোৰক লগলগাই ৰাখিবলৈহে যেন ব্যঞ্জনবৰ্ণ মাজে মাজে সুবুৰাই দিয়া হৈছিল।) কঠিন উচ্চাৰণ নথকা কাৰণে ভাষাটো অতি কোমল আৰু সুৰলা, ফলত কাব্য, গীত আদি ৰচনাৰ বাবে বিশেষ উপযোগী আছিল। একেটা কাৰণতে John Beams-এ ভাষাটোক পুৰুষত্বহীন ভাষা (emasculate language) বুলিছে।

সংস্কৃত নাট্য-ৰীতিমতে বিদূষক বা উচ্চ শ্ৰেণীৰ নাৰী চৰিত্ৰই নাটত কাব্য বা গীত ব্যৱহাৰ কৰিব লগীয়া হ'লে মহাৰাষ্ট্ৰী প্ৰাকৃত ভাষা ব্যৱহাৰ কৰিব লাগে। অভিজ্ঞান শকুন্তলা, মৃচ্ছকটিকা, বিক্ৰমোৰ্ৱশী, মুদ্ৰাৰাক্ষস, স্বপ্ন বাসৱদত্তা আদি সংস্কৃত নাটত আৰু কৰ্পূৰ-মঞ্জৰী (কপ্পূৰ-মঞ্জৰী) নামৰ প্ৰাকৃত নাটৰ গীতাংশত মহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহাৰ কৰিছে। তাৰ উপৰি মহাৰাষ্ট্ৰী প্ৰাকৃতত কেইখনমান কাব্য ৰচিত হৈছিল। তাৰ ভিতৰত ৬ষ্ঠ—৭ম শতিকাৰ প্ৰবৰ সেনৰ 'ৰাৱণবহো' বা 'দহমুহ বহো', বাক্‌পতি ৰাজৰ (ৱপ্পইৰাঅ) গউড়বহো (৭ম—৮ম শতিকাৰ) বিশেষ উল্লেখযোগ্য। কবিতা সংকলনৰ ভিতৰত 'গাথা সপ্তশতী' (গাহা সত্তসঈ) আৰু বজ্জালগ্গ উল্লেখযোগ্য।

জৈন মহাৰাষ্ট্ৰী ভাষাক মহাৰাষ্ট্ৰী প্ৰাকৃতৰে এটা উপভাষা বুলিব পাৰি। শ্বেতাম্বৰ জৈন সকলে কাব্য, কাহিনী আদি ৰচনাৰ কাৰণে এইবিধ মহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহাৰ কৰিছিল। খৃষ্টীয় ২য়—৩য় শতিকামানৰ জৈন কবি বিমল

সুৰীৰ 'পউম চৰিঅ' আৰু খৃষ্টীয় ৮ম শতিকাৰ হৰিভদ্ৰৰ 'সমৰাইচ্চ কহা'—জৈন মহাৰাষ্ট্ৰী ভাষাৰ প্ৰথম উল্লেখযোগ্য গ্ৰন্থ।

মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বিশেষ লক্ষণ হৈছে—

(১) স্বৰ মধ্যস্থ অঘোষ অল্পপ্ৰাণ ব্যঞ্জন ধ্বনি ক, গ, চ, জ, ত, দ, ট, ড লোপ পায়।

যেনে— নগৰ > ণঅৰ, অটল > অঅল।

(২) মহাপ্ৰাণ বৰ্ণবোৰ 'হ'-লৈ পৰিবৰ্ত্তন হয়।

যেনে— অভিনৱ > অহিণঅ, মেঘ > মেহ।

(৩) উষ্ম বৰ্ণৰ (শ, ষ, স) সলনি 'স' হয়।

যেনে— শশী > সসী, মনুষ্য > মনুস্স, মানুস।

(৪) 'আত্মন্' শব্দৰ 'ত্ম'-ৰ ঠাইত 'প্প' হয়।

যেনে— আত্মন্ > অপ্প।

(৫) ক্ষ > ছ বা চ্ছ।

যেনে—ক্ষুধা > ছুহা, কুক্ষি > কুচ্ছি।

(৬) শব্দৰূপত ৭মী একবচনৰ বিভক্তি -ম্মি।

যেনে— মুহম্মি (in the mouth) —মুখত।

(৭) অন্য প্ৰাকৃতত যদিও ৪ৰ্থী একবচনৰ ৰূপ নাই, মহাৰাষ্ট্ৰী প্ৰাকৃতত কিন্তু অ-কাৰান্ত শব্দৰ ৪ৰ্থী একবচনত —আঅ বিভক্তিৰ ব্যৱহাৰ আছে।

যেনে— পুত্ত—পুত্তাঅ (বা পুত্তস্স)

(৮) শব্দৰূপত শেষৰ অনুস্বাৰ ব্যৱহাৰ হবও পাৰে নহবও পাৰে।

যেনে — পুত্তেহিং বা পুত্তেহি
পুত্তাণং বা পুত্তাণ।

(৯) ৭মী বহুবচনত সুং বা সু বিভক্তি হয়।

যেনে— পুত্তেসু বা পুত্তেসুং।

(১০) সৰ্ব্বনাম শব্দৰ ভিতৰত 'অহং' শব্দ কৰ্ম্মকাৰকত 'মম', 'তুমং' শব্দ কৰ্ত্তৃ-কাৰকত 'তং' অধিকৰণকাৰকত 'তুমম্মি' ৰূপ হয়।

(১১) অসমাপিকা ক্ৰিয়া (ক্ত্বাচ্ প্ৰত্যয়) কৰিবলৈ ধাতুত উণ যোগ কৰা হয়।

যেনে— কৃত্বা > কৰিউণ, পৃষ্ট্বা > পুচ্ছিউণ।

(১২) জৈন মহাৰাষ্ট্ৰী ভাষাৰ বিশেষ লক্ষণৰ ভিতৰত উল্লেখযোগ্য হৈছে -

(১) শব্দৰ আদিস্থানত 'ণ'-ৰ সলনি 'ন' ব্যৱহাৰ হয়।

যেনে— নগৰ > নয়ৰ। (অন্য প্ৰাকৃতত 'ণয়ৰ' হয়)

(২) স্বৰ মধ্যস্থ 'ক'-ৰ ঠাইত 'গ' হয়।

যেনে— শক-কুলং > সগ-কুলং

শৌৰসেনী প্ৰাকৃত—শৌৰসেনী প্ৰাকৃতৰ উদ্ভৱ হয় মধ্যদেশত, অৰ্থাৎ ব্ৰজ-মথুৰা অঞ্চলত। এই অঞ্চলটোৰ প্ৰাচীন নাম আছিল শূৰসেন প্ৰদেশ। তাৰ পৰাই ভাষাটোৰ নাম হয় শৌৰসেনী। সংস্কৃত ভাষাও এই অঞ্চলৰ ভাষাৰ ভিত্তিতে গঢ় লৈ উঠিছিল। গতিকে দুয়োটা ভাষাৰ মাজত অতি ওচৰ সম্বন্ধ। 'প্ৰাকৃত—প্ৰকাশ' নামৰ ব্যাকৰণৰ বৈয়াকৰণ বৰৰুচিৰ মতে শৌৰসেনী প্ৰাকৃত সংস্কৃত ভাষাৰ পৰা সৃষ্টি হৈছে। উইন্টাৰনিজৰ মতে "its foundation is the dialect of Surasena, the Capital of which is Mathura." উলনাৰে মত প্ৰকাশ কৰিছে যে, "it arose in the same country, and is descended from the spoken language, on which classical Sanskrit was mainly based." শৌৰসেনী প্ৰাকৃত আৰু সংস্কৃত ভাষা একেটা অঞ্চলতে আৰু একেটা মূল কথিত ভাষাৰ ভিত্তিতে সৃষ্টি হৈছে, গতিকে দুইটা ভাষাৰ সম্বন্ধ ভগ্নীস্থানীয় হোৱাটোহে বেছি সম্ভৱ। অৱশ্যে শক্তিশালী সংস্কৃত ভাষাৰ প্ৰভাৱ যে শৌৰসেনী প্ৰাকৃতত পৰিছিল তাত কোনো সন্দেহ নাই।

সংস্কৃত নাটকত শৌৰসেনী প্ৰাকৃতৰ বহুল প্ৰয়োগ দেখা যায়। সংস্কৃত নাটকত ৰাণী, সখীসকল আৰু উচ্চ শ্ৰেণীৰ নাৰী চৰিত্ৰই শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰিব লাগে। বিদূষকেও শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰে। 'নাট্য-শাস্ত্ৰ'-কাৰ ভৰত মুনীৰ এয়ে মত। 'সাহিত্য দৰ্পণ'-কাৰ বিশ্বনাথ কবিৰাজৰ মতে শিক্ষিতা মহিলা, ৰাণীৰ পৰিচাৰিকা, জ্যোতিষী, শিশু, বাতুল আদিয়েও শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰিব লাগে। সাধাৰণতে সংস্কৃত নাটকত ৰাণী, পৰিচাৰিকা, পণ্ডিতা নাৰী আৰু বিদূষকে এইবিধ প্ৰাকৃত কথোপকথনত ব্যৱহাৰ কৰে। 'কৰ্পূৰমঞ্জৰী' নামৰ সট্টকখন আকৌ সম্পূৰ্ণভাৱে শৌৰসেনী প্ৰাকৃতত ৰচিত। 'মৃচ্ছকটিকা' নাটকৰ বসন্তসেনা আদি নাৰী চৰিত্ৰই, 'শকুন্তলা' নাটকৰ প্ৰতিহাৰী, চেটি, তাপসী আদিয়ে আৰু 'মৃচ্ছকটিকা', 'শকুন্তলা', 'বিক্ৰমোৰ্ৱশী', 'মালবিকাগ্নিমিত্ৰম্' নাটকত বিদূষকে শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰিছে। সূত্ৰধাৰে সাধাৰণতে সংস্কৃত ভাষা ব্যৱহাৰ কৰে যদিও ভাসৰ 'চাৰুদত্ত' নাটত আৰু শূদ্ৰকৰ 'মৃচ্ছকটিকা'ত সূত্ৰধাৰে শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰিছে। ইয়াৰ বাহিৰে 'বিলাসৱতী', 'চন্দ্ৰলেখা', 'আনন্দসুন্দৰী' আৰু 'শিংগাৰ মঞ্জৰী' শৌৰসেনী প্ৰাকৃত ভাষাত ৰচিত 'সট্টক'।

দিগম্বৰ জৈন সকলৰ ধৰ্ম্মবাণীবোৰ জৈন-শৌৰসেনী ভাষাত ৰচিত। জৈন শৌৰসেনী ভাষাটো শৌৰসেনী ভাষাৰে এটা উপভাষা স্বৰূপ যদিও ইয়াৰ ওপৰত শ্বেতাম্বৰ জৈন সকলৰ ধৰ্ম্মীয় ভাষা অৰ্দ্ধ-মাগধীৰ যথেষ্ট প্ৰভাৱ পৰিছে। 'কত্তিগেয়াণুপেক্‌খা,' 'পৱয়ণসাৰ', 'মূলাচাৰ', 'সময়সাৰ' আদি বহুতো পুথি এই ভাষাত লিখা হৈছিল।

শৌৰসেনী প্ৰাকৃতৰ প্ৰধান লক্ষণবোৰ হৈছে—

(১) স্বৰ মধ্যস্থ অঘোষ ত, থ-ৰ সলনি ঘোষ দ, ধ ব্যৱহাৰ হয়।

যেনে— অতিথি > অদিধি।

(২) স্বৰ মধ্যস্থ দ, ধ ধ্বনি লুপ্ত নহয়।

(৩) অকাৰান্ত শব্দত ৫মী একবচনত —দো আৰু ৭মী একবচনত —এ যোগ হয়।

(৪) —ই আৰু —উ-কাৰান্ত শব্দত ৬ষ্ঠী একবচনত —ণো যোগ হয়।

যেনে— অগ্‌গিণো।

(৫) সংস্কৃত —তুমুন্ প্ৰত্যয়ৰ ঠাইত —দুং ব্যৱহাৰ হয়।

যেনে— কৰ্ত্তুম্ > কৰিদুং বা কাদুং

গন্তুম্ > গমিদুং বা গচ্ছিদুং।

(৬) সংস্কৃত —ক্ত্বাচ্ প্ৰত্যয়ৰ ঠাইত —ইঅ বা —উঅ ব্যৱহাৰ হয়।

যেনে— পৃষ্ট্বা > পুচ্ছিঅ।

√কৃ আৰু √গম্ ধাতুত দ আগম হয়।

যেনে— কৃত্বা > কদুঅ, গত্বা > গদুঅ।

কবিতাত ব্যৱহাৰ কৰিব লগীয়া হলে —ইঅ আৰু উঅ-ৰ ঠাইত কেতিয়াবা —ঊণ, —দূণ ব্যৱহাৰ হয়। যেনে— পুচ্ছিঊণ।

(৭) কৰ্ম্মবাচ্য কৰিবলৈ ধাতুত —ঈঅ যোগ হয়।

যেনে— গম্যতে > গমীঅদি।

জৈন শৌৰসেনী ভাষাত কিছুমান শব্দ আৰু বৈয়াকৰণিক ৰূপ পোৱা যায়, যিবোৰ সাধাৰণতে শৌৰসেনী ভাষাত দেখা নেযায় অথচ মহাৰাষ্ট্ৰী অথবা অৰ্দ্ধ মাগধী ভাষাত পোৱা যায়। ইয়াত কৰ্ত্তাকাৰকৰ একবচনত '—ও' হয়। 'ত' আৰু 'থ'-ৰ সলনি ক্ৰমে 'দ' আৰু 'ধ' হয়।

মাগধী প্ৰাকৃত বৈশিষ্ট্যৰ কাৰণে পৰা মাগধী প্ৰাকৃত যথেষ্ট গুৰুত্বপূৰ্ণ। এইবিধ প্ৰাকৃত সম্বন্ধে পণ্ডিত সকলৰ মাজত বিভিন্ন মত দেখা যায়। ডাঃ সুকুমাৰ সেনৰ মতে ই সম্পূৰ্ণভাবে কৃত্ৰিম সাহিত্যিক ভাষা আছিল।

উলমাৰে কিছু ভাষাটোক কৃত্ৰিম বুলি উল্লেখ কৰা যায়। —"Magadhi is the Prakrit of the East. The geographical centre was in the ancient Magadha........" গ্ৰীয়াৰচনেও আকৌ মত প্ৰকাশ কৰিছে যে, "In Asoka's time, Kotvn (languafranca) was the eastern langnage of Magadha, as we know from aumerous examples of Magadhi in the most distant inscriptions."—ইয়াৰ পৰাই এইটোও বুজিব পাৰি যে ভাষাটোৱে যথেষ্ট প্ৰসাৰ লাভ কৰিছিল। পালি ভাষাৰ ওপৰতো মাগধী ভাষাৰ যথেষ্ট প্ৰভাৱ পৰা দেখা যায়। আন-হাতে শৌৰসেনী প্ৰাকৃতৰ লগত ইয়াৰ ভালেখিনি সাদৃশ্য আছে। বৰৰুচিয়ে মাগধী প্ৰাকৃতৰ মূল সম্বন্ধে "প্ৰকৃতিঃ শৌৰসেনী"—অৰ্থাৎ শৌৰসেনীয়েই মাগধীৰ মূল, বুলি উল্লেখ কৰিছে। মুঠতে কথিত ভাষাৰ ভিত্তিতে সাহিত্যিক ভাষাটোৰ সৃষ্টি হৈছিল।

সংস্কৃত নাটকত হাস্যৰস সৃষ্টিৰ উদ্দেশ্যে ব্যৱহাৰ কৰাৰ বাহিৰে এইবিধ প্ৰাকৃতত উচ্চ সাহিত্য সৃষ্টি হোৱা নাছিল। সংস্কৃত নাটকতো নিম্ন থাপৰ চৰিত্ৰ, যেনে:—ভিক্ষু, চেটী, নপুংসক, ৰাক্ষস, বন্দী, ধীবৰ, ভৃত্য আদিয়েহে মাগধী প্ৰাকৃত ব্যৱহাৰ কৰে। ঢক্কী, শাকাৰী, চাণ্ডালী, শাবৰী আদি মাগধী প্ৰাকৃতৰ উপভাষা।

মাগধী পূৰ্বভাৰতৰ ভাষা। এই অঞ্চলত আৰ্য্য বহিৰ্ভূত ভাষা-ভাষীৰ সংখ্যাই বেছি, গতিকে সেইসকল লোকৰ সংস্পৰ্শত ভাষাটোৰ, বিশেষকৈ, ধ্বনিতত্ত্বই ভালেখিনি পৰিবৰ্তন লাভ কৰিছে।

মাগধী ভাষাৰ বিশেষ লক্ষণ সমূহ হৈছে—

(১) ৰ > ল, যেনে:—ৰত্ন > ৰতন > লদণ।

(২) ষ, স > শ, যেনে:—দিবসং > দিঅশং।

(৩) জ > য, যেনে:—জাতিং > যাদিং।

(৪) অনুনাসিক ধ্বনি থকা যুক্ত ব্যঞ্জনবৰ্ণৰ সলনি তালব্য-নাসিক্য ধ্বনি—'ঞ্ঞ' হয়। যেনে:—ৰাজ্ঞা > লঞ্ঞা।

(৫) চ্ছ > শ্চ। যেনে:—প্ৰতিচ্ছেদক > পৰিশ্চেদক, গচ্ছ > গশ্চ।

(৬) ক্ষ > শ্ক। যেনে:—প্ৰেক্ষামি > পেশ্কামি।

(৭) স্বৰ মধ্যস্থ ৰ, ৰ লোপ হয়। যেনে:—উদৰ > উঅল।

(৮) স্বৰ মধ্যস্থ ক, গ আদি স্পৰ্শ ধ্বনি কেতিয়াবা কেতিয়াবা লোপ নহয়। যেনে:—আগমঃ > আগমে।

(৯) শব্দৰ শেষত থকা বিসৰ্গৰ ঠাইত 'এ' হয়। যেনে:—পোতকঃ > পোতকে।

(১০) ন্ত, র্জ, র্য্য > য্য় । যেনে ঃ—অকার্য্য > অকয্য় ।

(১১) ষ আৰু স একক হিচাপে শব্দত ব্যৱহাৰ নহয় যদিও যুক্তবৰ্ণত ইহঁতৰ ব্যৱহাৰ আছে । যেনে ঃ—অস্মাণং ।

(১২) র্ত, র্থ, > স্ত । যেনে ঃ—ভৰ্ত্তৃক > ভট্টক, অৰ্থ > অস্ত ।

(১৩) কৰ্ত্তৃকাৰকৰ একবচনত অকাৰান্ত পুংলিঙ্গ শব্দত '—এ' যোগ হয় । যেনে ঃ—মাসঃ > মাশে, পুত্ৰঃ > পুত্তে ।

(১৪) সম্বন্ধ কাৰকত একবচনত অকাৰান্ত পুংলিঙ্গ শব্দত কেতিয়াবা '—আহ' যোগ হয় । যেনে ঃ—পুত্তস্স বা পুত্তাহ ।

(১৫) 'অহং' (মই) শব্দৰ ঠাইত 'হগে' ব্যৱহাৰ হয় ।

অৰ্দ্ধ-মাগধী—শূৰসেন আৰু মগধৰ মধ্যৱৰ্ত্তী অঞ্চলৰ কথিত ভাষাৰ ভিত্তিত এই ভাষাটোৰ সৃষ্টি হৈছিল । কোনো কোনোৱে কয় যে মগধৰ আধা অঞ্চলত প্ৰচলিত আছিল কাৰণে এই ভাষাৰ নাম অৰ্দ্ধ-মাগধী ; আন একদলৰ মতে মাগধী ভাষাৰ আধা লক্ষণ এই ভাষাত থকা কাৰণেই ভাষাটোক অৰ্দ্ধ-মাগধী বোলে । মাগধীৰ উপৰি শৌৰসেনী ভাষাৰ লক্ষণো অৰ্দ্ধ মাগধীত দেখা যায় । অৱশ্যে এই ভাষাত এনে কিছুমান ৰূপ আছে যিবোৰ শৌৰসেনী ভাষাতকৈ প্ৰাচীনতৰ । এই ভাষাত সংস্কৃতৰ প্ৰভাৱ কম । প্ৰাচীন জৈন সূত্ৰবোৰ অৰ্দ্ধ-মাগধী ভাষাত ৰচিত । জৈন সকলে ভাষাটোক অতি শ্ৰদ্ধা কৰে । তেওঁলোকৰ মতে, ইয়েই হৈছে মূল ভাষা, অন্য সকলো ভাষা অৰ্দ্ধ-মাগধীৰ পৰা সৃষ্টি হৈছে । নমিসাধু নামৰ জৈন সাধক এজনে এই ভাষাটোক দেৱতা বা ঋষিৰ ভাষা বুলি কৈছে-"আৰিস বয়নে সিদ্ধং দেৱাণং অৰ্দ্ধ-মাগহা বাণী ।" জৈন ধৰ্ম্মী বৈয়াকৰণ হেমচন্দ্ৰইও ভাষাটোক 'ঋষিৰ ভাষ"—অৰ্থত 'আৰ্ষ-প্ৰাকৃত' বুলি উল্লেখ কৰিছে । ("ঋষীণাম্ ইদম্ আৰ্ষম্") । এওঁৰ মতে প্ৰাকৃতৰ নিয়মবোৰ অৰ্দ্ধ-মাগধীত বিকল্পে হয় । জৈন মহাৰাষ্ট্ৰী আৰু জৈন-শৌৰসেনী ভাষাৰ ওপৰত অৰ্দ্ধ-মাগধীৰ বিশেষ প্ৰভাৱ পৰিছিল । জৈন সূত্ৰ সমূহৰ পদ্য আৰু গদ্যত ব্যৱহাৰ কৰা অৰ্দ্ধ-মাগধী ভাষাৰ মাজত কিছু পাৰ্থক্য আছে । পদ্যৰ অৰ্দ্ধ-মাগধী বেছি প্ৰাচীন যেন অনুমান হয় ।

শ্বেতাম্বৰ জৈন সকলৰ ধৰ্ম্মশাস্ত্ৰ, অঙ্গ, উৱঙ্গ (উপাঙ্গ), পঞ্চন্ন, ছেয়সুত্ত, মূলসুত্ত, নন্দী, অণুওগদাৰা আদি অৰ্দ্ধ-মাগধী প্ৰাকৃতত ৰচিত । অশ্বঘোষৰ নাটকতো এই ভাষাৰ কিছু আভাস পোৱা যায় । কন্নুকৰ শিলালিপিতো এই বিধ প্ৰাকৃতৰ ব্যৱহাৰ দেখা যায় । ভদ্ৰবাহুৱে 'কল্পসুত্ত' নামে মহাবীৰৰ জীৱন চৰিত এখন অৰ্দ্ধ-মাগধী ভাষাত ৰচনা কৰে । কেইটামান বিষয়ত মাগধী-

প্ৰাকৃতৰ লগত ইয়াৰ বিশেষ মিল দেখা যায়। যেনে :—

(১) কৰ্তৃকাৰকৰ একবচনত দুয়োটা ভাষাতে —এ যোগ হয়।

(২) সম্বন্ধকাৰকৰ একবচনত —স্স যোগ হয়।

(৩) সম্বোধনৰ একবচনত —অ প্লুত অৰ্থাৎ তিনি মাত্ৰাৰ হয়। কিন্তু দুটা প্ৰধান বিষয়ত ভাষা দুটাৰ অমিল দেখা যায়। সেই কেইটা হৈছে—

(১) অৰ্দ্ধ-মাগধীত 'ৰ' আৰু 'স'ৰ ব্যৱহাৰ আছে।

(২) এই ভাষাত মূৰ্দ্ধণ্যীভৱনৰ (cerebralisation) ব্যৱহাৰ বেছি দেখা যায়।

অৰ্দ্ধ-মাগধী ভাষাটোৰ বিশিষ্ট লক্ষণবোৰ হৈছে :—

(১) পদান্ত বিসৰ্গৰ ঠাইত 'এ' আৰু 'ও' ব্যৱহাৰ হয়। সাধাৰণতে পদ্যত 'ও' হয়।

(২) স্বৰ মধ্যস্থ ব্যঞ্জনবৰ্ণৰ সলনি 'য়' ব্যৱহাৰ হয়। যেনে :—নগৰ > নয়ৰ।

(৩) অসমাপিকা ক্ৰিয়া (ক্ত্বাচ্) কৰিবলৈ 'ত্তা' আৰু 'ত্তাণং', 'তুং' ব্যৱহাৰ হয়। পিছত অনুনাসিক ধ্বনি থাকিলে 'ত্তা'ৰ ঠাইত 'ত্তা' হয়।

যেনে :—কৃত্বা > কৰিত্তা, ভূত্বা > ভবিত্তাণং।

(৪) 'তুমুন্' প্ৰত্যয়ৰ ঠাইত '—ত্তএ', '—ইত্তএ' হয়।

যেনে :— গন্তুম্ > গচ্ছিত্তএ।

(৫) তুমৰ্থক —টু, —ইত্তু প্ৰত্যয় অসমাপিকা ক্ৰিয়া (gerund) অৰ্থত ব্যৱহাৰ হয়।

যেনে :—সুণিট্টু (অৰ্থাৎ শুনি, শ্ৰুত্বা)

(৬) 'ক'ৰ ঠাইত কেতিয়াবা 'গ' ব্যৱহাৰ হয়;

যেনে :—অশোক > অসোগ, প্ৰকাশ > পগাস।

(৭) অৰ্দ্ধ-মাগধী শব্দৰূপৰো বহুবিধ বৈশিষ্ট্য আছে।

পৈশাচী প্ৰাকৃত—যদিও নাটকীয় প্ৰাকৃত আৰু জৈন প্ৰাকৃতৰ ভিতৰত নপৰে তথাপি 'পৈশাচী' প্ৰাকৃত নামৰ আন এবিধ প্ৰাকৃতৰ উল্লেখ হেমচন্দ্ৰ, বৰৰুচি আদি বৈয়াকৰণসকলে কৰিছে। বৰৰুচিয়ে যি চাৰি প্ৰকাৰৰ প্ৰাকৃতৰ বৰ্ণনা দিছে তাৰ ভিতৰত পৈশাচীও এক প্ৰকাৰৰ প্ৰাকৃত। হেমচন্দ্ৰই পৈশাচীৰ লগতে 'চূলিকা' পৈশাচী নামৰ উপভাষাৰো উল্লেখ কৰিছে। প্ৰাকৃত বৈয়াকৰণসকলৰ মতে পিশাচৰ ভাষা কাৰণেই ইয়াক পৈশাচী বোলে। বৰৰুচি আদি পণ্ডিতে ইয়াক 'পিশাচানাং ভাষা পৈশাচী' বুলিছে। কোনো কোনোৱে আকৌ ভাষাটোক 'ভূত-ভাষা' বুলিও উল্লেখ কৰিছে। মধ্য-প্ৰাকৃত ভাষাবোৰৰ ভিতৰত ই এটা প্ৰাচীন ভাষা। গ্ৰীয়াৰচনে অনুমান কৰে যে হিন্দুকুশ পাৰ্বত্য

অঞ্চলৰ দৰ্দ্দ আৰু কাফিৰ ভাষাৰ লগত পৈশাচী প্ৰাকৃতৰ সম্বন্ধ আছে । উত্তৰ-পশ্চিম আৰু দক্ষিণ ভাৰতৰ শাহবাজগঢ়ী আৰু মানসেৰা শিলালিপিত পৈশাচী প্ৰাকৃতৰ লক্ষণ দেখা যায় । গ্ৰীয়াৰচনৰ অনুমান যে এই ভাষাটো ভাৰতৰ একেবাৰে উত্তৰ-পশ্চিম অঞ্চলত থকা প্ৰাচীন জনজাতিৰ ভাষা আছিল । গ্ৰীয়াৰচনে মত প্ৰকাশ কৰে যে ভাৰতৰ উত্তৰ-পশ্চিমত থকা 'পিশাচ' নামৰ মানুহবোৰেই পিছলৈ সিন্ধু নদীৰে ভটিয়াই আহি উত্তৰ গুজৰাট আৰু মধ্য ভাৰতৰ পাৰ্ব্বত্য অঞ্চলত বসতি কৰে । Sten Konowৰ মতে মধ্য ভাৰতৰ 'পিশাচ' নামৰ জাতিটোৰ ভাষাই পৈশাচী । তেওঁৰ মতে বিন্ধ্য পাৰ্ব্বত্য অঞ্চলেই পৈশাচী প্ৰাকৃত ভাষা-ভাষী সকলৰ বাসস্থান । অন্য প্ৰাকৃতত নথকা কিছুমান বিশেষ লক্ষণ পৈশাচী প্ৰাকৃতত আছে । ইয়াৰ কাৰণ নিৰ্দ্দেশ কৰিবলৈ চেষ্টা কৰি আধুনিক যুগৰ ভাৰতীয় পণ্ডিত, প্ৰাচ্যতত্ত্ববিদ ভাণ্ডাৰকাৰে (R. G. Bhandarkar) অনুমান কৰে যে, সম্ভৱতঃ আৰ্য্যসকলৰ মূল বাসস্থানত এদল আৰ্য্য ৰৈ গৈছিল ; তেওঁলোকেই বহু পিছত ভাৰতত সোমাই সীমান্তৰ পাৰ্ব্বত্য অঞ্চলত ৰৈ যায়, নাইবা প্ৰথম দল আৰ্য্যৰ লগত একেলগে আহি সীমান্ত অঞ্চলত ৰৈ যায় । তেওঁলোকৰ ভাষাই সুকীয়াভাৱে গঢ় লয় । আন কোনো কোনোৱে অনুমান কৰে যে উত্তৰ-পশ্চিম ভাৰতৰ আদিম অধিবাসী সকলে আৰ্য্যভাষা গ্ৰহণ কৰি তাক বিকৃত কৰাৰ ফলত পৈশাচী প্ৰাকৃতৰ সৃষ্টি হয় । (ডাঃ দীনেশ চন্দ্ৰ সৰকাৰৰ মত)

এই ভাষাটো সম্বন্ধে স্থিৰ সিদ্ধান্তত উপনীত হবলৈ কোনো লিখিত সাহিত্য নাই । প্ৰাকৃত বৈয়াকৰণ সকলে ভাষাটোৰ বিষয়ে যিখিনি আলোচনা কৰিছে—তাৰ পৰা, আৰু 'বৃহৎ কথা' নামৰ কাহিনী সংকলনখনৰ উল্লেখৰ পৰাহে এই ভাষাটোৰ বিষয়ে জনা যায় । বৰৰুচি, হেমচন্দ্ৰ আদি পণ্ডিতৰ মতে পৈশাচী প্ৰাকৃতৰ মূল হৈছে শৌৰসেনী ভাষা । আকৌ গ্ৰীয়াৰচনৰ মতে পালি ভাষা পৈশাচী প্ৰাকৃতৰ মূল হোৱাটো সম্ভৱ । দ্ৰাবিড় ভাষাৰো কিছুমান লক্ষণ এই ভাষাত দেখা যায় । 'বৃহৎ কথা'ৰ সংগ্ৰাহক গুণাঢ্য দক্ষিণ ভাৰতৰ লোক আছিল । ইয়াৰ পৰা অনুমান হয় যে দক্ষিণ ভাৰততো পৈশাচী প্ৰাকৃতৰ প্ৰচলন আছিল । পৈশাচী প্ৰাকৃতত লিখা মূল 'বৃহৎ-কথা' পুথিখন লুপ্ত হৈছে । কিন্তু ইয়াৰ উল্লেখ সংস্কৃত সাহিত্যৰ বহু ঠাইত পোৱা যায় । মূল পুথিখন ৬ষ্ঠ শতিকাৰ আগতে ৰচিত হৈছিল, কিন্তু ১১শ শতিকাতহে কাশ্মীৰত ইয়াৰ জনপ্ৰিয়তা দেখা যায় । কাশ্মীৰী কবি ক্ষেমেন্দ্ৰৰ 'বৃহৎ-কথা মঞ্জৰী' আৰু সোমদেৱৰ 'কথা সৰিৎসাগৰ' 'বৃহৎ-কথা'ৰেই আংশিক ৰূপ । এই দুয়োখন গ্ৰন্থ সংস্কৃত ভাষাত ৰচিত ।

উলনাৰে এই ভাষাটো সম্বন্ধে আলোচনা কৰোতে ইয়াৰ উৎপত্তি স্থল সম্বন্ধে কোনো স্থিৰ সিদ্ধান্ত কৰিব নোৱাৰি লিখিছে—"......it seems quite as possible that the original cockscomb (culika) demons belonged to the Vindyas as that they were cannibals of Kashmir." চূলিকা পৈশাচী, কৈকেয় পৈশাচী আদি পৈশাচী ভাষাৰ কেইটি-মান উপভাষাৰো উল্লেখ পোৱা যায়।

পৈশাচী প্ৰাকৃতৰ প্ৰধান লক্ষণ হৈছে—

(১) বৰ্গৰ ৩য় আৰু ৪ৰ্থ বৰ্ণৰ সলনি ক্ৰমে ১ম আৰু ২য় বৰ্ণ ব্যৱহাৰ হয়।

যেনে :— নগৰম্ > নকৰং

মেঘঃ > মেখো

(২) 'ণ'-ৰ সলনি 'ন' ব্যৱহাৰ হয়।

(৩) 'ল'-ৰ সলনি মূৰ্দ্ধণ্য 'ল' ব্যৱহাৰ হয়।

(৪) 'ষ'-ৰ পৰিবৰ্ত্তন নহয়।

(৫) 'জ্ঞ', 'ন্য' আৰু 'ণ্য'-ৰ ঠাইত 'ঞ্ঞ' হয়।

(৬) 'ৰাজন্' শব্দৰ ৰূপ কৰোতে 'জ্ঞ'-ৰ সলনি চিঞ্ হয়।

যেনে :—ৰাজ্ঞঃ > ৰঞ্ঞো বা ৰাচিঞো।

(৭) স্বৰ মধ্যস্থ ব্যঞ্জন বৰ্ণ লুপ্ত নহয়।

(৮) মহাপ্ৰাণ বৰ্ণৰ সলনি 'হ' ব্যৱহাৰ নহয়।

(৯) ক্ত্বাচ্ প্ৰত্যয়ৰ ঠাইত —তুন হয়।

(১০) কৰ্মবাচ্যত —ইয্য হয়।

যেনে :- গীয়তে > গিয্যতে (কিন্তু ক্ৰিয়তে > কীৰতে)

(১১) অকাৰান্ত শব্দৰ ৫মী একবচনত —'আতো' আৰু '—আতু' হয়।

যেনে—পুত্ৰাৎ > পুত্তাতো, পুত্তাতু।

চূলিকা পৈশাচীৰ বিশেষ লক্ষণ হিচাপে হেমচন্দ্ৰই দুটা লক্ষণ উল্লেখ কৰিছে—

(১) বৰ্গৰ ৩য়, ৪ৰ্থ বৰ্ণৰ সলনি ১ম আৰু ২য় বৰ্ণ ব্যৱহাৰ হয়। (কোনো কোনো পণ্ডিতৰ মতে ইয়াৰ অন্যথাও হয়।)

(২) 'ৰ'-ৰ ঠাইত 'ল' হয়। যেনে— চৰণ > চলণ।

চতুৰ্থ অধ্যায়

অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ

খৃষ্টীয় ৫ম-৬ষ্ঠ শতিকাৰ পৰা খৃষ্টীয় ১০ম-১১শ শতিকাৰ ভিতৰত প্ৰাকৃত

ভাষাই পৰিবৰ্ত্তন লাভ কৰাৰ ফলত যি অৱস্থা পাইছিল তাকেই 'অন্ত্য-প্ৰাকৃত' বা 'অপভ্ৰংশ' (Late Prakrit) বোলে । ই মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ তৃতীয় বা শেষ স্তৰ । 'অপভ্ৰংশ' শব্দটো পোন প্ৰথমে 'মহাভাষ্য'কাৰ পতঞ্জলিয়ে ব্যৱহাৰ কৰিছিল । এওঁ খৃষ্টীয় ১ম-২য় শতিকামানৰ লোক আছিল । মান্য ভাষাতকৈ (standard language), অৰ্থাৎ সংস্কৃততকৈ 'নিকৃষ্ট', 'বিকৃত'— এনে অৰ্থত 'অপভ্ৰংশ' 'অপভ্ৰষ্ট' শব্দৰ ব্যৱহাৰ কৰা হৈছিল ; আৰু ইয়াৰ দ্বাৰা অশিক্ষিত বা অপণ্ডিত জনসাধাৰণৰ ভাষাকে বুজোৱা হৈছিল । পিছলৈ ইয়েই অপভ্ৰংশ ভাষা নাম পায় । প্ৰাকৃত ভাষাৰ সৰ্ব্বপ্ৰাচীন ব্যাকৰণ হৈছে বৰৰুচি কৃত "প্ৰাকৃত-প্ৰকাশ" (আনুমানিক সময় খৃষ্টীয় ৪ৰ্থ-৫ম শতিকা) । এই পুথিত অপভ্ৰংশ ভাষাৰ উল্লেখ নাই । খৃষ্টীয় ১১শ-১২শ শতিকাৰ হেমচন্দ্ৰ আৰু তেওঁৰ পিছৰ বৈয়াকৰণ সকলে অৱশ্যে অপভ্ৰংশ ভাষাৰ বিষয়ে উল্লেখ কৰিছে, আৰু বিস্তৃতভাৱে আলোচনাও কৰিছে । এওঁলোকে প্ৰধানতঃ সাহিত্যিক অপভ্ৰংশৰ বিষয়েহে আলোচনা কৰিছে ।

অপভ্ৰংশ ভাষা সম্বন্ধে ইউৰোপীয় পণ্ডিত সকলৰ মাজত বিভিন্ন মত দেখা যায় । উইণ্টাৰনিজৰ মতে "Apabhramsa is a general term for literary idioms which, though based on the Prakrit, are more closely adapted to certain popular dialects." কীথে আকৌ মত প্ৰকাশ কৰিছে যে, "The essential fact regarding Apabhramsa is that it is the collective term employed to denote literary languages not Sanskrit or Prakrit." গ্ৰীয়াৰ্চনৰ মতে সাহিত্যিক অপভ্ৰংশ এটা থকাৰ উপৰি আৰ্য্যসকলৰ কথিত প্ৰাকৃত ভাষাইও অপভ্ৰংশ ৰূপ পাইছিল । ("The actual Aryan Vernaculars"—'দেশ-ভাষা')

তেওঁৰ মতে—"To each Prakrit there was a corresponding Aprabhamsa. Thus there was a Saurasena Apabhramsa corresponding to Sauraseni Prakrit, a Magadha Apabhramsa corresponding to Magadhi Prakrit..." তেওঁ আৰু কয় যে—"The various Apabhramsa dialects represent the concluding phase of the Secondary Prakrita,..." পিচেলৰ মতো গ্ৰীয়াৰ্চনৰ মতৰ লগত মিলে । এই বিষয়ে উলনাৰৰ মত হৈছে—"Apabhramsas were not much used for literary purposes. They represent the stage reached by ordinary colloquial speech when the Prakrit type of speech

as found in the plays was already archaic........"

অপভ্ৰংশ ভাষাৰ বিষয়ে পণ্ডিত সকলৰ মতৰ বিভিন্নতালৈ লক্ষ্য কৰি ভাষাটোক সম্পূৰ্ণভাৱে কথিত ভাষা বুলি বা সম্পূৰ্ণভাৱে কৃত্ৰিম সাহিত্যিক ভাষা বুলিব নোৱাৰি। ইয়াৰ উৎপত্তি আৰু গঠনত ভাষাৰ পৰিবৰ্ত্তনৰ সাধাৰণ নিয়মবোৰেই ক্ৰিয়া কৰিছিল। কথিত প্ৰাকৃত ভাষাই যেতিয়া সাহিত্যিক মৰ্য্যাদা লাভ কৰিলে আৰু বৈয়াকৰণৰ হাতত পৰি বিধি-নিষেধৰ মাজত আবদ্ধ হল, তেতিয়া ইয়াৰ স্বাভাৱিক গতি বন্ধ হৈ পৰিল। কিন্তু জনসাধাৰণৰ কথিত প্ৰাকৃত ভাষাৰ পৰিবৰ্ত্তন হৈয়ে থাকিল। অপণ্ডিত জন-সাধাৰণৰ মুখত ভাষাটো আৰু অলপ বিকৃত হৈ পৰিল। ফলত ইয়েই পণ্ডিত সকলৰ মাজত "অপভ্ৰংশ" ৰূপে জনাজাত হল। পিছলৈ অপভ্ৰংশ ভাষায়ো সাহিত্যিক মৰ্য্যাদা লাভ কৰাত অপভ্ৰংশ সাহিত্য সৃষ্টি হল। এই বিষয়ে গ্ৰীয়াৰচনে লিখিছে—"The Secondary Prakrits became fixed and stereotyped for literary purposes by the grammarians, but the actual spoken languages (desa—bhasa) on which they were founded continued to develop, and as compared with the literary Prakrits, were looked upon as corrupt, though nevertheless popular narrative poems were also composed in them." এইদৰেই মধ্য ভাৰতীয় আৰ্য্যভাষাই পৰিবৰ্ত্তনৰ মাজেৰে আহি খৃষ্টীয় ৫ম—৬ষ্ঠ শতিকাৰ পৰা খৃষ্টীয় ১০ম—১১শ শতিকাৰ ভিতৰত অপভ্ৰংশ নামেৰে এটা বিশিষ্ট স্তৰত পৰিণত হৈছিল। এই জন্য প্ৰাকৃত বা অপভ্ৰংশেই মধ্য ভাৰতীয় আৰ্য্য ভাষা আৰু আধুনিক ভাৰতীয় আৰ্য্য ভাষাৰ মাজৰ স্তৰ। গ্ৰীয়াৰচন আদি প ত সকলে অনুমান কৰে যে প্ৰতিটো প্ৰাকৃত ভাষাৰে একোটা অপভ্ৰংশ স্তৰ আছিল। কিন্তু এই অনুমান কিমানদূৰ সত্য সেই বিষয়ে সঠিককৈ কব নোৱাৰি। কাৰণ আটাইবোৰ প্ৰাকৃতৰ অপভ্ৰংশ ৰূপৰ লিখিত নিদৰ্শন নাই। উদাহৰণ স্বৰূপে, মাগধী প্ৰাকৃতকে ধৰ পাৰি। মাগধী প্ৰাকৃতৰ পৰা মাগধী অপভ্ৰংশৰ সৃষ্টি হৈছিল বুলি অনুমান কৰা হৈছে, কিন্তু মাগধী অপভ্ৰংশৰ লিখিত নিদৰ্শন পাবলৈ নাই।

অপভ্ৰংশ ভাষা কিমান প্ৰাচীন সেই বিষয়তো পণ্ডিতসকলৰ মাজত মতৰ কিছু পাৰ্থক্য দেখা যায়। ডাঃ সুনীতি কুমাৰ চেটাৰ্জ্জীৰ মতে খৃষ্টীয় ৫ম শতিকা মানৰ পৰাই অপভ্ৰংশ ভাষাই গঢ় লবলৈ আৰম্ভ কৰে। পণ্ডিত হাৰমান জেকো-বিৰ মতে খৃষ্টীয় ৬ষ্ঠ শতিকা মানৰ পৰা ভাষাটোৰ অস্তিত্ব উপলব্ধি হয়। আনকি ডাঃ ব্লুমাৰ লোকৰ মতে কালিদাসৰ বিক্ৰমোৰ্ব্বশী নাটকত থকা অপ-

অংশ .'গাথা' অংশটি যদি প্ৰক্ষিপ্ত নহয়, তেনেহলে খৃষ্টীয় ৪র্থ—৫ম শতিকাতে অপভ্ৰংশই সাহিত্যত স্থান পাইছিল বুলি বুজিব পাৰি। খৃষ্টীয় ৪র্থ—৭ম শতিকাৰ বৰৰুচিৰ 'প্ৰাকৃত-প্ৰকাশত' অপভ্ৰংশৰ উল্লেখ নাই যদিও পিছৰ বৈয়াকৰণ সকলে অপভ্ৰংশৰ বিষয়ে আলোচনা কৰাৰ লগতে সাহিত্যিক অপভ্ৰংশৰ উপভাষাবো উল্লেখ কৰিছে। খৃষ্টীয় ১২শ শতিকাৰ বৈয়াকৰণ পুৰুষোত্তমে তেওঁৰ 'প্ৰাকৃতানুশাসন' নামৰ গ্ৰন্থত অপভ্ৰংশৰ তিনিটা উপভাষাৰ উল্লেখ কৰিছে—(১) নাগৰ (২) ব্ৰাচড় আৰু (৩) উপনাগৰ। খৃষ্টীয় ১২শ শতিকাৰ পশ্চিম ভাৰতৰ বৈয়াকৰণ হেমচন্দ্ৰই অপভ্ৰংশৰ কোনো বিভাগ দেখুওৱা নাই যদিও, তেওঁ যি বিধ অপভ্ৰংশৰ বিষয়ে তেওঁৰ ব্যাকৰণত আলোচনা কৰিছে সেই বিধ অপভ্ৰংশৰ, উল্লিখিত নাগৰ অপভ্ৰংশৰ লগত যথেষ্ট সাদৃশ্য আছে। হেমচন্দ্ৰই উল্লেখ কৰা অপভ্ৰংশৰ মূল 'শৌৰসেনী প্ৰাকৃত' বুলিছে। পণ্ডিতে 'নাগৰ অপভ্ৰংশ' আৰু 'শৌৰসেনী প্ৰাকৃত' দুয়োটা হয় একেটা ভাষা, নহয় অতি ওচৰসম্বন্ধীয় ভাষা (গ্ৰীয়াৰচনৰ মত)। নাগৰ অপভ্ৰংশ গুজৰাটৰ নাগৰ ব্ৰাহ্মণ সকলে ব্যৱহাৰ কৰিছিল। সিন্ধু অঞ্চলৰ কথিত ভাষাৰ ভিত্তিত ব্ৰাচড় (নাইবা ব্ৰাচট) অপভ্ৰংশই গঢ় লয়। আকৌ নাগৰ আৰু ব্ৰাচড় অপভ্ৰংশৰ সংমিশ্ৰণত উপনাগৰ অপভ্ৰংশৰ সৃষ্টি হৈছিল। তিনিওটাই সাহিত্যিক ভাষাৰূপে স্বীকৃতি পাইছিল।

জেকোবিৰ মতে আভীৰ আৰু গুৰ্জৰ কবি সকলৰ কবিতাতে পোনতে অপভ্ৰংশ ভাষা ব্যৱহাৰ হয়। প্ৰাকৃতৰ তুলনাত অপভ্ৰংশ সাহিত্যৰ সংখ্যা কম। পঞ্জাবৰ অদ্দহমন (আবদুৰ ৰহমান) নামৰ মুছলমান কবি এজনে লিখা "সংদেহয় ৰাসঅ" (সন্দেশৰাসক) নামৰ দূত-কাব্যখনি শৌৰসেনী অপভ্ৰংশ ভাষাৰ এখন উল্লেখযোগ্য কাব্য। ধন পালৰ 'ভৱিসয়ত্ত কহা', কণহৰ 'দোহাকোস', হৰিভদ্ৰৰ 'ণমিনাহ-চৰিউ' আদি অপভ্ৰংশ ভাষাত ৰচিত পুথি। ধৰ্মদাসৰ 'বিদগ্ধ মুখমণ্ডন' নামৰ পুথিত কিছু অপভ্ৰংশ শ্লোক আছে। কালিদাসৰ বিক্ৰমোৰ্বশী নাটকৰ ৪র্থ অঙ্কত কৰা পুৰুৰবাৰ মুখত কেইটিমান অপভ্ৰংশ গীত দিয়া হৈছে। 'ধ্বন্যালোক', 'সৰস্বতী কণ্ঠাভৰণ' আদি সংস্কৃত অলঙ্কাৰ শাস্ত্ৰতো কিছু অপভ্ৰংশ শ্লোকৰ উল্লেখ আছে। হেমচন্দ্ৰৰ প্ৰাকৃত ব্যাকৰণত অপভ্ৰংশ ভাষাৰ বিষয়ে আলোচনা কৰোঁতে কিছু অপভ্ৰংশ শ্লোক উদাহৰণ হিচাপে উল্লেখ কৰিছে। ডাঃ পিচেলৰ মতে জয়দেৱৰ 'গীত-গোবিন্দ' নামৰ সংস্কৃত কাব্যখনো মূলতে অপভ্ৰংশ ভাষাতহে ৰচিত হৈছিল। পূৰ্ব্ব ভাৰতত ৰচিত "প্ৰাকৃত পৈঙ্গল" (বা 'প্ৰাকৃত পিঙ্গল') নামৰ ছন্দ শাস্ত্ৰখনো অপভ্ৰংশ ভাষাত ৰচিত। ইয়াৰ উপৰি মৈথিলী কবি বিদ্যাপতিয়ে 'কীৰ্ত্তি-লতা' আৰু 'কীৰ্ত্তি-পতাকা' নামেৰে

দুখন পুথি ৰচনা কৰিছিল। ইয়াৰ ভাষা অপভ্ৰংশৰে সামান্য পৰিবৰ্তিত ৰূপ —'অৱহট্‌ঠ'। 'জসহৰ চৰিউ', 'ণায়কুমাৰ চৰিউ' আদি অপভ্ৰংশ ভাষাত ৰচিত পুথি জৈন সাহিত্যৰ ভিতৰুৱা বুলি ধৰা যায়।

সংস্কৃত আৰু প্ৰাকৃত সাহিত্যৰ তুলনাত অপভ্ৰংশ সাহিত্যৰ সংখ্যা বৰ কম। প্ৰধানকৈ লোক-সাহিত্য সৃষ্টিৰ কাৰণেহে অপভ্ৰংশ ভাষা ব্যৱহাৰ কৰা দেখা যায়। লোক সাহিত্য প্ৰধানকৈ মৌখিক সাহিত্য, গতিকে মুখে মুখে চলি অহা বহুতো অপভ্ৰংশ গীত-পদ হয়তো কালৰ বুকুত লীন হৈ গৈছে।

অপভ্ৰংশ ভাষাবোৰ আধুনিক ভাৰতীয় আৰ্য্য ভাষাৰ অব্যৱহিত পূৰ্বৰ অৱস্থা। গতিকে আধুনিক ভাৰতৰ আৰ্য্য ভাষাবোৰ পোণপটীয়াভাৱে অপভ্ৰংশৰ পৰাই ওলাইছে বুলি গ্ৰীয়াৰছন আদি পণ্ডিতে মত প্ৰকাশ কৰে। শৌৰসেনী অপভ্ৰংশ বা নাগৰ অপভ্ৰংশৰ পৰা পশ্চিমা হিন্দী, ৰাজস্থানী আৰু গুজৰাটী ভাষাৰ সৃষ্টি হৈছে; ব্ৰাচড় অপভ্ৰংশৰ পৰা সিন্ধী; মহাৰাষ্ট্ৰী অপভ্ৰংশৰ পৰা আধুনিক মাৰাঠী ভাষা; অৰ্দ্ধ-মাগধী অপভ্ৰংশৰ পৰা পূৰ্ব্বী হিন্দী; মাগধী অপভ্ৰংশৰ পৰা অসমীয়া বাংলা, বিহাৰী আৰু উৰীয়া ভাষাৰ সৃষ্টি হৈছে।

অপভ্ৰংশ ভাষাৰ কেইটিমান বিশেষ লক্ষণ হৈছে :—

(১) সংস্কৃত আৰু প্ৰাকৃতৰ তুলনাত অপভ্ৰংশ স্তৰত ভাষাটোৰ ধ্বনিতত্ত্ব আৰু আৰু ৰূপতত্ত্ব আৰু বেচি সৰল হৈ পৰে। ফলত শব্দৰূপ আৰু ধাতুৰূপো সৰলতৰ হৈ পৰে।

(২) কঠিন উচ্চাৰণৰ একক (single) আৰু যিত (conjunct) ব্যঞ্জন বৰ্ণৰ সলনি স্বৰবৰ্ণৰ ব্যৱহাৰ বৃদ্ধি পায়।

(৩) স্বৰবৰ্ণৰ ব্যৱহাৰৰ বিশেষ ধৰা বন্ধা নিয়ম নাই। অপভ্ৰংশত ব্যৱহাৰ কৰোঁতে একেটা শব্দত কেতিয়াবা অ, কেতিয়াবা উ নাইবা আন স্বৰবৰ্ণ ব্যৱহাৰ কৰা দেখা যায়।

যেনে :— লোক > লোঅ, লোউ।

(৪) শব্দ ৰূপত দেখা যায় যে ১মা আৰু ২য়া বিভক্তিৰ একবচনত সাধাৰণতে —উ বিভক্তি আৰু বহুবচনত —অ বিভক্তি ব্যৱহাৰ হয়। ক্লীবলিঙ্গ শব্দৰ বহুবচনত —আইং বিভক্তি যোগ হয়।

(৫) ৩য়া একবচনত —এণ, —এং বা —এঁ আৰু বহুবচনত —হিঁ আৰু —হিং ব্যৱহাৰ হয়।

(৬) ৫মী একবচনত —হে —হৈ, —হু, বহুবচনত —হুঁ হয়।

(৭) ৬ষ্ঠী একবচনত —সু, —হো, —স, বহুবচনত —হঁ, —হং হয়।

(৮) ৭মী একবচনত —এ, —ই, —হিঁ, বহুবচনত —হি হয়।

(৯) উল্লিখিত বিভক্তিবোৰৰ ব্যৱহাৰ আছে যদিও বহু সময়ত বিভক্তি ব্যৱহাৰ নকৰি অনুসৰ্গ ব্যৱহাৰ কৰা হয়।

(১০) লিঙ্গ অনুসৰি শব্দ আৰু ধাতুৰ ৰূপ সলনি হোৱাৰ নিয়ম অপভ্ৰংশত প্ৰায় নাইকীয়া হৈ যায়।

(১১) স্বৰ মধ্যস্থ ক, ত, প লুপ্ত নহৈ কেতিয়াবা ক্ৰমে গ, দ আৰু ব-লৈ পৰিবৰ্ত্তন হয়।

(১২) শব্দত ওচৰাওচৰিকৈ থকা স্বৰ ধ্বনিৰ সমীভৱন হয়।

যেনে— প্ৰিয়তৰ > পিঅঅৰ > পিয়াৰ

অন্ধকাৰ > অন্ধআৰ > অন্ধাৰ

(১৩) স্বৰ মধ্যস্থ 'ম'ৰ সলনি 'ৱঁ' হয়।

যেনে ঃ— ভ্ৰমৰ > ভৱঁৰ, যমুনা > জউঁনা।

(১৪) স্বাৰ্থিক প্ৰত্যয় বেচিকৈ ব্যৱহাৰ হবলৈ ধৰে।

(১৫) ক্ষুদ্ৰাৰ্থক —ইক প্ৰত্যয়ৰ পৰা নতুনকৈ স্ত্ৰীলিঙ্গৰ উৎপত্তি হয়।

(১৬) বিভিন্ন কালৰ অৰ্থ প্ৰকাশ কৰিবলৈ শতৃ-প্ৰত্যয়ান্ত পদ ব্যৱহাৰ হবলৈ ধৰে।

—×—

দ্বিতীয়খণ্ড

প্রাকৃত সাহিত্য পরিচয়

পালি সাহিত্য

সুভাষিত

বৌদ্ধ ধৰ্মৰ মূল শাস্ত্ৰ হৈছে 'ত্ৰিপিটক'। ইয়াক 'বুদ্ধবচন' বুলিও কোৱা হয়। এই পুথিখন তিনিটা 'পিটক' বা খণ্ডত বিভক্ত—

(১) বিনয় পিটক (২) সুত্ত পিটক আৰু (৩) অভিধম্ম পিটক।

সুত্ত পিটক আকৌ পাঁচটা ভাগত বিভক্ত—

(১) দীঘ নিকায়, (২) মজ্ঝিম নিকায়, (৩) সংযুত্ত নিকায় (৪) অঙ্গুত্তৰ নিকায় আৰু (৫) খুদ্দক নিকায়। এই খুদ্দক নিকায়ৰ অন্তৰ্গত এখন পুথিৰ নাম হৈছে—'ধম্মপদ'। দৈনন্দিন জীৱনৰ আৱশ্যকীয় নানা বিষয়ৰ উপদেশ, কৰ্তব্য-অকৰ্তব্য, নীতিবচন, বৌদ্ধধৰ্মৰ মূল নীতি আদি বিষয়ৰ বুদ্ধবাণী সমূহ ইয়াত আছে। এই পুথিৰ বিষয়বস্তু ২৬টি বৰ্গত বিভক্ত। বৰ্গকেইটা হৈছে—অপ্পমাদ, চিত্ত, যমক, পুপ্ফ, বাল, পণ্ডিত, অৰহন্ত, সহস্স, পাপ, দণ্ড, জৰা, অত্ত, লোক, বুদ্ধ, সুখ, পিয়, কোধ, মল, ধম্মট্ঠ, মগ্গ, পকিণ্ণক, নিৰয়, নাগ, তণ্হা, ভিক্খু আৰু ব্ৰাহ্মণ, বগ্গ। ইয়াত মুঠতে ৪২৩টা শ্লোক আছে। মূল পুথিখন পালি ভাষাত ৰচিত যদিও পৃথিৱীৰ বহু ঠাইত ইয়াৰ প্ৰচলন আছে। স্থানীয় ভাষাৰ প্ৰভাৱত বিভিন্ন অঞ্চলত পোৱা ধম্মপদৰ ভাষাৰ কিছু পাৰ্থক্য হোৱা দেখা যায়।

ধম্মপদৰে কিছু উপদেশ বাণী বিভিন্ন বৰ্গৰ পৰা উদ্ধৃত কৰি 'সুভাষিত' অৰ্থাৎ ভাল বচন বুলি নামাকৰণ কৰা হৈছে। ইয়াত ধম্মপদৰ অন্তৰ্গত 'অপ্পমাদ', চিত্ত, পুপ্ফ, পণ্ডিত, ব্ৰাহ্মণ বগ্গ আদি বিভিন্ন বৰ্গৰ নীতিমূলক শ্লোক উদ্ধৃত কৰা হৈছে।

মূল পাঠ—

(১) অপ্পমত্তো পমত্তেসু সুত্তেসু বহুজাগৰো,
অবলস্সংব সীঘস্সো হিত্বা যাতি সুমেধসো।

(২) দুন্নিগ্গহস্স লহুনো যত্থকামনিপাতিনো,
চিত্তস্স দমথো সাধু, চিত্তং দন্তং সুখাবহং।

(৩) ন পরেসং বিলোমানি ন পরেসং কতাকতং
অত্তনো'ব অবেক্খেয্য কতানি অকতানি চ।

(৪) যথাপি পুপ্ফরাসিম্হা কযিরা মালাগুণে বহু,
এবং জাতেন মচ্চেন কত্তব্বং কুসলং বহুং।

(৫) পুত্তা ম'ত্থি ধনং ম'ত্থি ইতি বালো বিহঞ্ঞতি,
অত্তা হি অত্তনো নত্থি কুতো পুত্তো কুতো ধনং।

(৬) সেলো যথা একঘনো বাতেন ন সমীরতি,
এবং নিন্দাপসংসাসু ন সমিঞ্জন্তি পণ্ডিতা।

(৭) যো সহস্সং সহস্সেন সংগামে মানুসে জিনে,
একং চ জেয্যমত্তানং স বে সংগামজ' উত্তমো।

(৮) সব্বে তসন্তি দণ্ডস্স সব্বে ভাযন্তি মচ্চুনো,
অত্তানং উপমং কত্বা ন হনেয্য ন ঘাতযে।

(৯) সব্বে তসন্তি দণ্ডস্স সব্বেসং জীবিতং পিযং,
অত্তানং উপমং কত্বা ন হনেয্য ন ঘাতযে।

(১০) পস্স চিত্তকতং বিম্বং অরুকাযং সমুস্সিতং,
আতুরং বহুসংকপ্পং যস্স নত্থি ধুবং ঠিতি।

(১১) অপ্পস্সুতা'যং পুরিসো বলিবদ্দো'ব জীরতি,
মংসানি তস্স বড্ঢন্তি পঞ্ঞা তস্স ন বড্ঢতি।

(১২) অচরিত্বা ব্রহ্মচরিযং অলদ্ধা যোব্বনে ধনং,
জিণ্ণ কোঞ্চা'ব ঝাযন্তি খীণমচ্ছে'ব পল্ললে।

(১৩) অত্তা হি অত্তনো নাথো কো হি নাথো পরো সিযা,
অত্তনা'ব সুদন্তেন নাথং লভতি দুল্লভং।

(১৪) উত্তিট্ঠে নপ্পমজ্জেয্য ধম্মং সুচরিতং চরে
ধম্মচারী সুখং সেতি অস্মিং লোকে পরম্হি চ।

(১৫) ন কহাপণ-বস্সেন তিত্তি কামেসু বিজ্জতি,
অপ্পস্সাদা দুখা কামা ইতি বিঞ্ঞায পণ্ডিতো।

(১৬) জযং বেরং পসবতি দুক্খং সেতি পরাজিতো,
উপসন্তো সুখং সেতি হিত্বা জযপরাজযং।

(১৭) আরোগ্য পরমা লাভা সন্তুট্ঠিপরমং ধনং,
বিস্সাস পরমা ঞাতি নিব্বাণং পরমং সুখং।

(১৮) মা পিয়েহি সমাগঞ্ছি অপ্পিয়েহি কুদাচনং
পিয়ানং অদস্সনং দুক্খং অপ্পিয়ানঞ্চ দস্সনং ।

(১৯) অক্কোধেন জিনে কোধং অসাধুং সাধুনা জিনে,
জিনে কদরিয়ং দানেন সচ্চেন অলিকবাদিনং ।

(২০) ন তেন পণ্ডিতো হোতি যাবতা বহু ভাসতি,
খেমী অবেরী অভয়ো পণ্ডিতো'তি পবুচ্চতি ।

(২১) দূরে সন্তো পকাসেন্তি হিমবন্তো ব পব্বতো,
অসন্ত'এথ ন দিস্সন্তি রত্তি-খিত্তা যথা সরা ।

(২২) সুখা মত্তেয্যতা লোকে অথো পেত্তেয্যতা সুখা,
সুখা সামঞ্ঞতা লোকে অথো ব্রহ্মঞ্ঞতা সুখা ।

(২৩-২৪) চক্খুনা সম্বরো সাধু সাধু সোতেন সম্বরো,
ঘাণেন সম্বরো সাধু সাধু জিব্হায় সম্বরো ।
কায়েন সম্বরো সাধু সাধু বাচায় সম্বরো,
মনসা সম্বরো সাধু সাধু সব্বত্থ সম্বরো ।

(২৫) যস্স কায়েন বাচায় মনসা নত্থি দুক্কতং,
সংবুতং তীহি ঠানেহি তং অহং ব্রূমি ব্রাহ্মণং ।

(২৬) ন জটাহি ন গোত্তেহি ন জচ্চা হোতি ব্রাহ্মণো,
যম্হি সচ্চং চ ধম্মো চ সো সুচী সো চ ব্রাহ্মণো ।

(২৭) ধম্মং চরে সুচরিতং
ন তং দুচ্চরিতং চরে,
ধম্মচারী সুখং সেতি
অস্মিং লোকে পরম্হি চ ।

(২৮) যথা বুব্বুলকং পস্সে
যথা পস্সে মরীচিকং,
এবং লোকং অবেক্খন্তং
মচ্চুরাজা ন পস্সতি ।

(২৯) এথ পস্সথ' ইমং লোকং
চিত্তং রাজরথূপমং,
যত্থ বালা বিসীদন্তি
নত্থি সঙ্গো বিজানতং ।

(৩০) যস্স পাপং কতং কম্মং
কুসলেন পিধীয়তি,

সো ইমং লোকং পভাসেতি,
অব্ভা মুত্তো'ৰ চন্দিমা ।

(৩১) অন্ধভূতো অয়ং লোকো
তনুক' এথ বিপস্সতি,
সকুন্তো জালমুত্তো'ৰ
অপ্পো সগ্গায় গচ্ছতি ।

(৩২) একং ধম্মং অতীতস্স
মুসাবাদিস্স জন্তুনো,
বিতিণ্ণ পৰলোকস্স
নত্থি পাপং অকৰিঅং ।

(৩৩) ন বে কদৰিয়া দেবলোকং ৱজন্তি
বালা হবে নপ্পসংসন্তি দানং,
ধীৰো চ দানং অনুমোদমানো
তেন' এৱ সো হোতি সুখী পৰথ ।

(৩৪) পথব্যা একৰজ্জেন সগ্গস্স গমনেন ৱা,
সব্ব লোকাধিপচ্চেন সোতাপত্তিফলং ৱৰং ।

অসমীয়া অনুবাদ :—

(১) বেগী ঘোৰাই যি দৰে দুৰ্ব্বল ঘোৰাক পিচ পেলাই থৈ আগবাঢ়ি যায়, সেইদৰে প্ৰমত্ত সকলৰ মাজত অপ্ৰমত্ত, সুপ্ত সকলৰ মাজত জাগ্ৰত, জ্ঞানীজনেও (আধ্যাত্মিক ক্ষেত্ৰত) আগবাঢ়ি যায় ।

(২) চিত্ত দুৰ্দ্দমনীয়, লঘু, (ই) য'লৈকে ইচ্ছা ত'লৈকে যাব পাৰে চিত্তক দমন কৰাটো ভাল, চিত্তক দমন কৰিলে সুখ পোৱা যায় ।

(৩) আনৰ দোষবোৰ, আনে কৰা ভাল বেয়া কামবোৰ লক্ষ্য কৰা উচিত নহয় । নিজৰ কৰ্ম্ম আৰু অকৰ্ম্মবোৰহে লক্ষ্য কৰা উচিত ।

(৪) যিদৰে পুষ্পৰাশিৰ পৰা বহুতো মালা গোঁঠা হয়, সেইদৰে মৰণশীল মানুহেও জন্ম গ্ৰহণ কৰিলে বহুতো সৎ কাম কৰা উচিত ।

(৫) 'মোৰ পুত্ৰ আছে, মোৰ ধন আছে'—এইদৰে ভাবি মূৰ্খজনে কষ্ট পায় । নিজেই নিজৰ নহয়, (অৰ্থাৎ নিজৰ দেহাটোৱেই নিজৰ নহয়) তেনে অৱস্থাত ক'ত পুত্ৰ, ক'ত ধন ? (অৰ্থাৎ, পুত্ৰ ধন কেনেকৈ নিজৰ হব ?)

(৬) একোটা প্ৰকাণ্ড শিলৰ পৰ্ব্বত বিধৰে নলৰে, সেইদৰে পণ্ডিত সকলো নিন্দা-প্ৰশংসাৰ দ্বাৰা অভিভূত নহয়।

(৭) কোনো মানুহে যদি সংগ্ৰামত সহস্ৰজনক সহস্ৰবাৰ (বা সহস্ৰজনৰ দ্বাৰা) জয় কৰে, আৰু অন্যজনে মাত্ৰ একজনক অৰ্থাৎ নিজক জয় কৰে তেনেহলে তেওঁ সংগ্ৰামজিৎ জনতকৈ উত্তম।

(৮) সকলোৱে দণ্ডক (শাস্তি) ভয় কৰে, সকলোৱে মৃত্যুক ভয় কৰে, (পণ্ডিতে) নিজৰ লগত তুলনা কৰি কাকো বধ কৰা বা বধ কৰোৱা উচিত নহয়।

(৯) সকলোৱে দণ্ডক ভয় কৰে, সকলোৱে জীৱন ভাল পায়, (পণ্ডিতে) নিজৰ লগত তুলনা কৰি (অৰ্থাৎ আনৰ জীৱনটোকো নিজৰ জীৱন বুলি ভাবি) কাকো বধ কৰা বা বধ কৰোৱা উচিত নহয়।

(১০) এই চিত্ৰিত (সজ্জিত), ক্ষতাদি যুক্ত, ৰোগ আদিত বিহ্বল, বহু আশা-যুক্ত পোণ হৈ থকা মূৰ্ত্তিটোলৈ (মানৱ দেহটো) চোৱা--যাৰ প্ৰকৃততে কোনো অস্তিত্ব নাই।

(১১) অল্প শিক্ষিত এই মানুহজন বলদ গৰুৰ দৰে জীয়াই আছে। যেওঁৰ মাংসবোৰ বাঢ়িছে (কিন্তু) প্ৰজ্ঞা বঢ়া নাই।

(১২) যি সকলে যৌৱন কালত ব্ৰহ্মচৰ্য্য পালন নকৰে আৰু ধন সংগ্ৰহ নকৰে, তেওঁলোকে মাছ নোহোৱা পুখুৰীত বুঢ়া বগলীয়ে ধ্যান কৰি থকাৰ দৰে চিন্তা-ভাবনা কৰি থাকে।

(১৩) নিজেই নিজৰ গৰাকী, অন্য কোন নিজৰ গৰাকী হ'ব পাৰে? নিজক ভালকৈ দমন কৰিলে দুৰ্লভ গৰাকী লাভ কৰিব পাৰি।

(১৪) উঠা (নিজক কামত লগোৱা উচিত), প্ৰমত্ত হৈ থকা উচিত নহয়। সৎ ধৰ্ম্ম আচৰণ কৰা উচিত, ধৰ্ম্ম পালন কৰাজনে ইহলোকত আৰু পৰলোকতো সুখেৰে বাস কৰে।

(১৫) স্বৰ্ণমুদ্ৰা বৰষুণৰ ধাৰেৰে পৰিলেও (অৰ্থাৎ পালেও) কামনাৰ তৃপ্তি নহয়, বিজ্ঞে জানে যে কামনাৰ (কাম্য বস্তুৰ) স্বাদ কম আৰু ই দুখ-জনক—তেৱেঁই পণ্ডিত।

(১৬) জয়ে শত্ৰুতাৰ জন্ম দিয়ে, পৰাজিত জন দুখীত হৈ থাকে, যিজনে জয়-পৰাজয়ৰ চিন্তা ত্যাগ কৰিছে তেওঁৰ মন প্ৰশমিত হয় আৰু সুখেৰে বাস কৰে।

(১৭) আৰোগ্যই পৰম লাভ, সন্তুষ্টিয়েই পৰম ধন, বিশ্বাসেই পৰম আত্মীয়, নিৰ্ব্বাণেই পৰম সুখ।

(১৮) প্ৰিয়ৰ লগত (ভাল লগা মানুহ বা বস্তু) মিলিত নহবা, অপ্ৰিয়ৰ লগত

কেতিয়াও মিলিত নহবা। প্ৰিয়ৰ অদৰ্শন দুখজনক আৰু অপ্ৰিয়ৰ দৰ্শন দুখজনক।

(১৯) অক্ৰোধৰ (ক্ৰোধহীনতা) দ্বাৰা ক্ৰোধক, সাধুতাৰ দ্বাৰা অসাধুতাক, কৃপণক দানৰ দ্বাৰা মিছলীয়াক সত্যবাদীতাৰ দ্বাৰা জয় কৰা উচিত।

(২০) বহু বক্তৃতাৰ দ্বাৰা পণ্ডিত নহয় (হব নোৱাৰি), বিজন ক্ষমাশীল, যাৰ শত্ৰু নাই, যি নিৰ্ভীক তেওঁকেই পণ্ডিত বুলি কোৱা হয়।

(২১) সাধুজন হিমালয় পৰ্ব্বতৰ নিচিনা দূৰৰ পৰাই প্ৰকাশ পায়, অসাধুজন ইয়াত (এই পৃথিৱীত) ৰাতি নিক্ষেপ কৰা শৰৰ দৰে দেখা নেযায় (অদৃশ্য হৈ থাকে)।

(২২) ইহলোকত মাতৃৰ প্ৰতি আনুগত্য সুখকৰ, পিতৃৰ প্ৰতি আনুগত্য সুখকৰ শ্ৰমণৰ প্ৰতি আনুগত্য আৰু ব্ৰাহ্মণৰ প্ৰতি আনুগত্য সুখকৰ।

(২৩) চকুক সম্বৰণ কৰা (অৰ্থাৎ সংযত কৰা) ভাল, কাণক সম্বৰণ কৰা ভাল, ঘ্ৰাণ শক্তিক সম্বৰণ কৰা ভাল, সকলো ক্ষেত্ৰতে সংযত হোৱা ভাল।

(২৪) শৰীৰক সম্বৰণ কৰা ভাল, বাক্ শক্তিক সম্বৰণ কৰা ভাল, মনক সম্বৰণ কৰা ভাল, সকলো ক্ষেত্ৰতে সংযত হোৱা ভাল।

(২৫) যিজনে শৰীৰ, বচন আৰু মনেৰে দুষ্কৃতি (পাপ) কৰা নাই, যি এই তিনিও ক্ষেত্ৰত সংযমী তেওঁকেই মই ব্ৰাহ্মণ বুলি কওঁ।

(২৬) জটাৰ দ্বাৰা, গোত্ৰৰ দ্বাৰা বা জাতিৰ দ্বাৰা কোনো ব্ৰাহ্মণ নহয়, যাৰ মাজত সত্য আৰু ধৰ্ম্ম আছে তেৱেঁই পবিত্ৰ, তেৱেঁই ব্ৰাহ্মণ।

(২৭) সৎ ধৰ্ম্ম পালন কৰা উচিত, অসৎ ধৰ্ম্ম (অন্যায় পথ) আচৰণ কৰা উচিত নহয়। যিজনে সদ্ধৰ্ম্ম পালন কৰে তেওঁ ইহলোকত আৰু পৰলোকতো সুখেৰে থাকে।

(২৮) জগতখনক পানীৰ বুৰবুৰণি যেন জ্ঞান কৰা উচিত, ইয়াক মৰীচিকাৰ দৰে জ্ঞান কৰা উচিত, যি জনে পৃথিৱীখনক এইদৰে চায় (মূল্যহীন বুলি ভাবে) তেওঁক মৃত্যুৰ ৰজাই (যমৰজা) দেখা নেপায়।

(২৯) আহাঁ, চিত্ৰিত ৰাজৰথ সদৃশ এই পৃথিৱীখনলৈ চোৱা। ইয়াত, মূৰ্খবোৰে দুখ পায়, জ্ঞানীজনৰ কাৰণে (ইয়াত) কোনো বন্ধন (আকৰ্ষণ) নাই।

(৩০) যাৰ পাপ কৰ্ম্মবোৰ কুশল কৰ্ম্মৰ দ্বাৰা (সৎ কৰ্ম্মৰ দ্বাৰা) ঢাক খাই যায়, তেওঁ মেঘমুক্ত চন্দ্ৰৰ দৰে এই পৃথিৱীক উদ্ভাসিত কৰে।

(৩১) এই জগতখন (অৰ্থাৎ জগতৰ প্ৰাণীসমূহ) অন্ধ। খুব কমেইহে ইয়াত দেখা পায়। জালমুক্ত চৰাইৰ দৰে খুব কম সংখ্যক লোকহে স্বৰ্গলৈ

যায় (অৰ্থাৎ মায়া-মোহত অন্ধ হৈ থকা প্ৰাণীবোৰৰ ভিতৰত যি কেইজনে প্ৰকৃত সত্য দেখা পায় বা উপলব্ধি কৰে, তেওঁলোকেহে মুক্তি পায়, যেনেকৈ জালত পৰা চৰাইৰ ভিতৰত কেইটামানেহে বন্ধন এৰাই যাব পাৰে ।)

(৩২) যিজনে একমাত্ৰ ধৰ্ম্ম (বৌদ্ধ ধৰ্ম) উলংঘা কৰিছে, যিজন মিথ্যাবাদী, অত্তুল্য, যিজনে পৰলোকৰ আশা (বা ভয়) অতিক্ৰম কৰিছে তেনে লোকে কৰিব নোৱাৰা পাপ বা অকাৰ্য্য নাই ।

(৩৩) কৃপণসকল দেৱলোকলৈ (স্বৰ্গ লৈ) নেযায়, মূৰ্খসকলে দানক (দান ক্ৰিয়া কাৰ্য্যক) প্ৰশংসা নকৰে । (কিন্তু) জ্ঞানীজনে দানৰদ্বাৰা আনন্দিত হৈ তাৰ দ্বাৰাই পৰলোকত সুখী হয় ।

(৩৪) পৃথিৱীৰ একচ্ছত্ৰী ৰজা হোৱাতকৈ, স্বৰ্গ লৈ যোৱাতকৈ, সৰ্ব্বলোকৰ (ত্ৰৈলোক্যৰ) অধিপতি হোৱাতকৈ 'স্ৰোতাপত্তি'ৰ ফল বেছি ভাল (শ্ৰেষ্ঠতৰ) । (সাধকে যি সোঁতৰে আগবাঢ়ি গ'লে নিৰ্ব্বাণ লাভ কৰিব পাৰে তাকে 'স্ৰোতাপত্তি' বোলে । ই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি নিৰ্ব্বাণ লাভৰ কাৰণে আগবাঢ়ি যোৱাৰ পথত প্ৰথম স্তৰ ।)

ইংৰাজী অনুবাদ :—

1. As a strong horse bypasses the weak one in the race, so the wise man who is vigilant among those involved in worldly affairs, who is awake among the sleepy, advances (or thrives) in life.
2. It is good to control the mind, which is difficult to restrain, fickle, which wanders at will ; a controlled (or tamed) mind is the bearer of happiness.
3. Not the faults of others, not their deeds of commission or omission, but one should be mindful of one's own deeds of commission and omission.
4. As many strands of garlands can be made from a heap of flowers, so a mortal being once born, should achieve many good works.
5. 'I have sons,' 'I have wealth'—Such thoughts trouble the fool. One cannot claim possession of one's own self, How then can sons be his, how can wealth be his ?
6. As a mountain of solid rock is not moved by the

wind, so wise men are not effected by blame and praise.

7. If a man conquers a thousand men, a thousand times in the battle and another man conquers one, himself, he is better than the conqueror of battles,
8. All men are afraid of punishment, all are frightened of death. Likening others to oneself, one should neither slay nor cause tc slay.
9. All are afraid of punishmeut, all men love life, Likening others to oneself one should neither slay nor cause to slay.
10, Look at this decorated image (i.e. the human body) full of sores, put togather, (upright) distressed (with disease) having many hopes, in which there is no real existance.
11. This man with little learning is living like an ox, he is growing in flesh but not in knowledge.
12. Men who donot practise celibacy and earn wealth (spiritual wealth) in youth, have to brood (or repent) like old cranes in a pond without fish.
13. One is the lcrd of oneself, who else could be the lord ? One, by subduing one's self can find a lord who is difficult to obtain.
14, One should rouse himself, one should not be thoughtless (one should not forget himself in the midst of worldly pleasures), one should follow the law of virtue. One who practises virtue lives happily in this world as well as in the other (world).
15. There is no satisfaction of one's passions even by a shower of gold coins. He who knows that passions are of small enjoyment and productive of sorrows, is a wise man.
16. Victory breeds enmity, the defeated one lives in sorrow, he who renounces both victory and defeat lives calmly and happily.
17. Health is the best of gains, contentment is the best of wealth, trust is the best of relationships and nirvana is the highest of bliss.
18. Do not cling to the pleasant, never (cling) to the

unpleasant. It is painful not to see the pleasant as also it is painful to see the unpleasant.

19. One should conqner anger by absence of anger (gentleness), dishonesty by honesty, one should conquer a miser by liberality and the liar by truthfulness.

20. One is not learned because he talks much ; he who is patient (or forgiving), free from enemy and is fearless , is said to be learned (wise).

21. Virtuous people shine from afar like the Himalaya mountains, but the wicked ones, like arrows cast at night, are not seen in this world.

22. In this world, to have obedience to one's mother is happinees, to have obedience to one's father is happiness, obedience to Sramana is happiness and obedience to Brahmana is happiness.

23. Restraint in the eye is good, restraint in the ear is good, restraint in the nose is good, restraint in the tongue is good. (It is beneficial to control one's sense-organs).

24. Restraint in the body is good, restraint in the speech is good, restraint in the thought is good, restraint in all things (all places is good.

25. One who has not perpetrated an evil deed by his body, speech or mind, one who is controlled in these three things, him I call a brahmin.

26. One does not become a brahmin, by the matted hair, nor by lineage, nor even by birth ; one, in whom there is truthfulness and righteousness he is the pure one, and he is a brahmin.

27. Follow the law of Virtue, do not follow the law of Sin. One who practises Virtue lives happily in this world as well as the world beyond.

28. One should consider this world as a bubble it should be considered as a mirage, one who views the world as such is not seen by the God (king) of death.

29. Come, see this world resembling a painted royal chariot Here, the fools come to grief, (but) for the wise man there is no attachment.

30. A man whose evil deeds are covered (are rectified)

by good deeds, lights up this world like the moon free from clouds.

31. This world is blinded, only a few can see here. Like birds escaped from the net, only a few can go to heaven (from this world).

32. One who is a deserter of religion (i e. Buddha's doctrine), one who is a liar, one who has given up the thought of the other world has no evil he will not do.

33. In truth the misers do not go to the world of the gods, the fools, indeed do not praise charity. (But) The wise man rejoicing in charity, become, on that account happy in the other world.

34. Better than absolute sovereignty on earth, better than going to heaven, better than lordship over all the worlds, is the reward of reaching the stream (the reward of attaining the first step towards 'nirvana')

শব্দাৱলীৰ টোকা :—

অপ্পমত্তো— O. I. A. অপ্রমত্তঃ (প্র > প্প - সমীভৱন ; ঃ > ও = অপ্পমত্তো) 'অপ্রমাদ' = মনৰ সজাগ অৱস্থা, Vigilence। মনৰ সজাগ অৱস্থাৰ কাৰণে যিজনে সংসাৰৰ মায়া-মোহত নিমজ্জিত নহয় তেওঁকেহে 'অপ্পমত্তো' বোলা হৈছে।

পমত্তো— সুপ্ত, মায়াদিত নিমজ্জিত, Sloth, deeply attached to worldly affairs.

পমত্তেসু— পমত্ত + ৭মী বহুবচন সু

সুত্তেসু— O. I. A. সুপ্তেষু (প্ত > ত্ত, সমীভৱন) শুই থকা সকলৰ মাজত among the sleepy.

বহুজাগৰো— সজাগ, awake

অবলস্সং— O. I. A. অবলাশ্বম্ (শ্ব > স্স ; ম্ > ং)
অবল + অশ্বঃ + ২য়া একবচন—ং দুৰ্বল ঘোঁৰা, Weak horse

সীঘস্সো— O. I. A. শীঘ্ৰাশ্বঃ (শ > স, ঘ্ৰ > ঘ্‌ঘ > ঘ, শ্ব > স্‌স, ঃ > ও)
বেগী ঘোঁৰা, fast horse

হিত্বা— O. I. A. হিত্বা, এৰি leaving behind

যাতি— O. I. A. যাতি' যায়, goes

সুমেধসো— O I. A. সুমেধসঃ (ঃ > ও), জ্ঞানী: Wise man

দুন্নিগ্গহস্স— O. I. A. দুর্নিগ্রহস্য (র্ন > ন্ন, গ্র > গ্গ, স্য > স্স)
দুন্নিগ্গহ + ৬ষ্ঠী একবচন— স্স্
দমন করিবলৈ টান, difficult to restrain

লহুনো— O. I. A. লঘুনঃ (ঘ > হ, ঃ > ও)
লহু + ৬ষ্ঠী একবচন— নো' চঞ্চল, fickle

যত্থকামনিপাতিনো— O. I. A. যত্রকামনিপাতিনঃ (ত্র > ত্থ, ঃ > ও)
যত্থকামনিপাতি + ৬ষ্ঠী একবচন— নো যথেচ্ছাচাৰী, wandering at will

দমথো— O. I A. দমথঃ, দমন কৰা, restraint

দন্তং— O. I. A দান্তম্. (দা > দ — মধ্য-ভাৰতীয় আৰ্য্য ভাষাত যুক্ত বৰ্ণৰ আগত সদায় হ্রস্ব স্বৰে ব্যৱহাৰ হয়, woolner § 67) দমন কৰা হৈছে, controlled

পরেসং— O. I. A. পৰেষাম্ (ষ > স)
পৰ + ৬ষ্ঠী বহুবচন— সং লোকৰ, আনৰ of others

বিলোমানি— দোষ, faults

কতাকতং— O. I. A. কৃতাকৃতম্ (ঋ > অ) ভাল কাম আৰু বেয়া কাম, actions good and bad.

অত্তনো' ব— O. I. A. আত্মনঃ + এব > অত্তনো'ব (ত্ম > ত্ত আৰু > অত্ত § 67)
অত্ত + ৬ষ্ঠী একবচন— নো নিজৰ নিচিনা, like oneself

অবেক্খেয্য— O. I. A. চোৱা উচিত, one should look.

কতানি – O. I. A. কৃতানি (ঋ > অ) ভাল কামবোৰ, good deeds

অকতানি – O. I. A. অকৃতানি, বেয়া কামবোৰ evil or sinful deeds

পুপ্ফরাসিম্হা— O. I. A. পুষ্পরাশিস্মাৎ (ষ্প > প্ফ, শ > স) প্রাচীন ভাৰতীয় আৰ্য্য ভাষাৰ ৫মী একবচন— স্মাৎ' পালিত— 'ম্হা' হৈছে। পুপ্ফ ৰাসি + ৫মী একবচন – ম্হা। ফুলৰ ৰাশিৰ পৰা from a heap of flowers

কয়িরা— O. I. A. কুর্য্যাৎ (শব্দৰ শেষত থকা ব্যঞ্জন বৰ্ণ 'ৎ' মধ্য ভাৰতীয় আৰ্য্য ভাষাত লুপ্ত হয়, গতিকে কুর্য্যাৎ > কুর্য্যা > কুৰিয়া (স্বৰ ভক্তি) । কুৰিয়া > কয়িরা, বৰ্ণ বিপৰ্য্যয়) কৰা উচিত,

should be done, should be made.

মালাগুণে— মালা, strands of garlands

জাতেন—জাতঃ > জাত+৩য়া একবচন —এন জন্মৰ দ্বাৰা, by birth

মচ্চেন— O. I. A. মৰ্ত্যেন (র্ত্য > ত্য > চ্চ, তালব্যী ভৱন)
মচ্চ+ ৩য়া একবচন— এন মৰণশীল (মানুহৰ) দ্বাৰা, by the mortal

কত্তব্বং— O. I. A. কৰ্ত্তব্যম্ (র্ত্ত > ত্ত, ব্য > ব্ব) কৰা উচিত, one should do

ম' অত্থি— O. I. A. মে অস্তি (স্ত > ত্থ) মে+ অত্থি, ম' অত্থি (সন্ধি) মোৰ আছে, I have

পুত্তা— O. I. A. পুত্রাঃ (ত্র > ত্ত) পুত্ত+১মা বহুবচন —আ পুত্র, sons

বিহঞ্ঞতি— O. I. A. বিহন্যতে (ন্য > ঞ্ঞ) মধ্য-ভাৰতীয় আৰ্য্য ভাষাত আত্মনেপদৰ ব্যৱহাৰ কম, গতিকে পৰস্মৈপদ হৈ 'বিহঞ্ঞতি' হৈছে। দুখ পায়, troubled

অত্তা— O. I. A. আত্মন্ (শেষৰ ন্ লোপ হৈছে গতিকে আত্মন্ > আত্ম > অত্ত (ত্ম > ত্ত, সমীভৱন, আ > অ, § 67) আত্ম, self.

সেলো— O. I. A শৈলঃ (শ> স, ঐ > এ, ঃ > ও) পৰ্ব্বত, rock

একঘনো— O. I. A. একঘনঃ। একেটা প্ৰকাণ্ড শিলৰ, a monolith

বাতেন— O. I. A. বাতেন
বাত+ ৩য়া একবচন— এন বতাহৰ দ্বাৰা, by the wind

সমীৰতি— O. I. A. সমীৰতে > পৰস্মৈপদ সমীৰতি। লৰচৰ হয়, is moved

নিন্দাপসংসাসু— O. I. A. নিন্দা প্ৰশংসাসু (প্র > প, শ > স) নিন্দা প্ৰশংসাত by blame or praise

সমিঞ্জতি—সম্ভৱতঃ √ইঞ্জ্ ধাতুৰ পৰা 'সমিঞ্জতি' হৈছে। আভিভূত হোৱা, to be effected.

পণ্ডিতা—পণ্ডিত+১মা বহুবচন —আ। পণ্ডিত সকল, the wise men

সহস্সং—O. I. A. সহস্রং (স্র > স্স, সমীভৱন) হেজাৰজনক, a thousand

সহস্সেন—সহস্রেন, হেজাৰবাৰ, (বা হেজাৰ জনৰ দ্বাৰা) thousand times (or, by a thousand)

সংগামে—O. I. A. সংগ্ৰামে (গ্ৰ > গ)
সংগাম+৭মী একবচন —এ যুদ্ধত in a battle.

জিনে—O I. A. জয়েৎ (পালি ভাষাত জিনেৎ > জিনে) জয় কৰা উচিত

should conquer

জেয্যং—O. I. A. জয়েৎ (পালিত 'এয্য') জয় কৰা উচিত one should conquer

সংগামজ' উত্তমো—O. I. A. সংগ্ৰামজিৎ+উত্তমঃ (গ্ৰ > গ, 'ৎ' লোপ হৈছে, ঃ > ও)
সংগামজি+উত্তমো, সন্ধি হোৱাৰ ফলত সংগামজ' উত্তমো হৈছে। সংগ্ৰামজিৎ জনতকৈ শ্ৰেষ্ঠ, better than the conqueror of battles.

সব্বে—O. I. A. সৰ্ব্বে (ৰ্ব্ব > ব্ব, তিনিটা বৰ্ণ যুক্ত হৈ থকাৰ, পিছতে ৰ্ব্ব > ব্ব হৈছে।) সকলোৰে, all, everybody

তসন্তি—O. I. A. ত্ৰস্যন্তি (ত্ৰ > ত, শব্দৰ আদি স্থানত যুক্তবৰ্ণ থকাৰ, পিছতে ত্ৰ > ত হৈছে, স্য > স্স > স) ভয় কৰে, fear

সব্বে তসন্তি—সকলোৱে ভয় কৰে, all men fear

দণ্ডস্স—O. I. A. (স্য > স্স) ইয়াত পঞ্চমী বিভক্তিৰ ঠাইত ষষ্ঠী হৈছে, অপাদানে। শাস্তি, Punishment

ভায়ন্তি—O. I. A. (বৈদিক) ভায়ন্তে > পৰস্মৈপদ ভায়ন্তি। ভয় কৰে, (all are) afraid of

মচ্চুনো—O. I. A. মৃত্যোঃ (ঋ > অ, ত্য > চ্চ তালব্যীভৱন) মচ্চু+ষষ্ঠী একবচন —নো মৃত্যুৰ, death

ভায়ন্তি মচ্চুনো—মৃত্যুক ভয় কৰে, are afraid of death

কত্বা—O. I. A. কৃত্বা (ঋ > অ) কৰি

উপমং কত্বা—তুলনা কৰি, by comparing

হনেয্য—O I. A. হন্যাৎ (পালিত √হন্+এয্য) বধ কৰা উচিত, one should kill

ঘাতয়ে—O. I.A. ঘাতয়েৎ (শেষত থকা 'ৎ' লোপ হোৱাৰ ফলত 'ঘাতয়ে' হৈছে।) বধ কৰোৱা উচিত, should cause to kill

সব্বেসং—O. I. A. সৰ্ব্বেষাম্ (ৰ্ব্ব > ব্ব)
সব্ব+ষষ্ঠী বহুবচন —সং of all, সকলোৰে।

জীৱিতং—জীৱন, the life

পস্স—O. I. A. পশ্য (শ > স, স্য > স্স) চোৱা behold

চিত্তকতং—O. I. A. চিত্ৰকৃতম্ (ত্ৰ > ত্ত, কৃ > ক অৰ্থাৎ ঋ > অ) সজ্জিত, decorated

বিম্বং—পাৰ্থিৱ পুতুলবৎ মাইবা (মূৰ্তি অৰ্থাৎ মানৱ দেহটো)

bubble or image

অককায়ং - O. I. A, অকষ্ > অক+কায় (সন্ধি) ক্ষত যুক্ত বা ৰোগযুক্ত

a body of sores

সমুস্সিতং—O. I. A. সম্—উৎ+শ্ৰিতম্ > সমুচ্ছ্ৰিতম্ > সমুস্সিতং (শ্ > স্সি)

পোন হৈ থকা, upright, erected

বহুসংকপ্পং—O. I. A. বহু সংকল্পম্ (ল্প > প্প, সমীভৱন)

বহু আশাযুক্ত, with many hopes

ধুৱং—ধ্ৰুৱম্ (শব্দৰ আগত থকা যুক্ত ধ্বনি ধ্ৰ > ধ হৈছে),

প্ৰকৃত, real

ঠিতি—O. I. A. স্থিতি (স্থ > ত্থ > থ > ঠ, স্বতঃ মূৰ্দ্ধণ্যীভৱন)

অস্তিত্ব, existance

অপ্পস্সুতা'য়ং—O. I. A, অল্পশ্ৰুতঃ+অয়ম্ (ল্প > প্প, শ্ৰ > স্স),

অপ্পস্সুতো+অয়ং (সন্ধি) <ও+অ=আ

অল্পশিক্ষিত, One with little learning

পুৰিসো—O. I. A, পুৰুষঃ (উ > ই, ষ > স, ঃ > ও)

অয়ং পুৰিসো—এই মানুহজন, this man

বলিবদ্দো—O. I. A. বলীবৰ্দ্দঃ (ৰ্দ্দ > দ্দ)

বলধ, an ox

মংসানি—মাংসানি (অনুস্বাৰৰ আগৰ দীৰ্ঘস্বৰ হ্ৰস্ব হোৱাৰ ফলত মাংসানি > মংসানি হৈছে) মঙহবোৰ, flesh

বড্‌ঢন্তি—বৰ্দ্ধন্তে (ৰ্দ্ধ > ড্‌ঢ, স্বতঃ মূৰ্দ্ধণ্যীভৱন) বড্‌ঢ+পৰস্মৈপদ—অন্তি

বাঢ়ে, grow

পঞ্ঞা—O. I. A. (জ্ঞ > ঞ্ঞ)

জ্ঞান, knowledge

বড্‌ঢতি—বৰ্দ্ধতে, বাঢ়ে, grows

অচৰিত্বা—O. I. A. অচৰিত্বা, পালন নকৰি,

not performing (or obeying)

অলদ্ধা—O. I. A. অলব্ধা, আহৰণ নকৰি, লাভ নকৰি, not acquiring

যোব্বনে—O. I. A, যৌবনে (শেষৰ অক্ষৰত শ্বাসাঘাত পৰা কাৰণে আগৰ অক্ষৰৰ দীৰ্ঘস্বৰ হ্ৰস্ব কৰা হৈছে আৰু ব্যঞ্জন বৰ্ণটো দ্বিত্ব কৰা হৈছে, যৌ > যো, ব > ব্ব, Woolner § 68)

জিণ্ণকোঞ্চা'ৱ -O. I. A. জীৰ্ণ ক্ৰৌঞ্চঃ ইৱ (ৰ্ণ > ণ্ণ, ঔ > ও, ঃ > ও,

ইৰ > 'ৰ, ঈ > ই, § 67) বাঁহকোকো+ইৰ, ও+ই=ৱা
বুঢ়া বগলীৰ নিচিনা, like and old crane

ঝায়তি—O. I. A. ধ্যায়তি (ধ্য > জ্ঝ > ঝ)
ধ্যান কৰে, ponder, brood

খীণমচ্ছে'ৰ—O. I. A. ক্ষীণ মৎস্যঃ ইৰ (?)
(ক্ষ > খ, ৎস্য > চ্ছ, ইৰ > 'ৰ) খীণমচ্ছে—বহুব্রীহি সমাস
কম মাছ থকা বা মাছ নথকা, with very few fishes
(or without fish)

পল্ললে—O. I. A. পল্বলে (ল্ব > ল্ল)
পল্লল+৭মী একবচন —এ
পুখুৰীত বা জলাশয়ত, in a lake or pond

কো—O. I. A. কঃ, কোন, who

পৰো—O, I. A. পৰঃ, অন্য, other, else

সিয়া—O. I. A, স্যাৎ (অন্ত্য 'ৎ' লোপ হোৱাত স্যা > সিয়া, স্বৰভক্তি) আছে,
হোৱা উচিত, হব পাৰে, should be (or can be)

অত্তমা'ৰ—O I. A, আত্মনঃ এৰ > অত্তনো+এৰ (সন্ধি)
নিজকেই, one's own self

সুদন্তেন—O. I. A. সুদান্তেন (যুক্তবৰ্ণৰ আগৰ আ > অ হৈছে, § 67)
সুদন্ত+৩য়া একবচন —এন
ভালকৈ দমন কৰাৰ দ্বাৰা, by controlling well

লভতি—O. I. A. লভতে (আত্মনেপদৰ ঠাইত পৰস্মৈপদ হোৱা কাৰণে 'লভতি'
হৈছে ।) লাভ কৰে, gains

দুল্লভং—O. I. A. দুৰ্লভম্ (ৰ্ল > ল্ল)
পাবলৈ টান, difficult to obtain

উত্তিট্ঠে—O. I. A. উত্তিষ্ঠেৎ (ষ্ঠ > ট্ঠ, 'ৎ' লোপ হৈছে)
উঠা উচিত, one should rise, one should exert oneself

নপ্পমজ্জেয্য—O. I. A. ন প্রমাদ্যেৎ (প+প্র=প্প্র > প্প, আ > অ § 67,
দ্য > জ্জ, তালব্যীভৱন, অন্ত্য 'ৎ' লোপ) নপ্পমজ্জে+এয্য
ভুল হৈ থকা বা প্ৰমত্ত হোৱা উচিত নহয়, one should not
be forgetful of oneself in the the midst cf wordly
pleasure

চৰে—O. I. A. চৰেৎ, পালন কৰা উচিত, should follow

সেতি—O. I. A. শেতে (শ > স,) পৰস্মৈপদ হৈছে।
বাস কৰে, বিশ্ৰাম লয়, rests
অস্মিং লোকে—ইহ লোকত, in this world
পৰম্হি—O. I. A. পৰস্মিন্ (স্ম > ম্হ)
পৰম্হি চ—পৰলোকতো, in the other world as well
কহাপণ—O. I. A. কাৰ্ষাপণ (ৰ্ষ > স্স, কাৰ্ষা > কস্সা § 67, > কহা)
সোণৰ মুদ্ৰা, gold coin
বস্সেন—O. I, A. বৰ্ষেণ (ৰ্ষ > স্স, ণ > ন)
বৰ্ষণৰ দ্বাৰা, by a shower
তিত্তি—O I. A. তৃপ্তি (তৃ > তি), ঋ > ই, প্ত > ত্ত, সমীভৱন)
satisfaction
কামেসু—O. I A. কামেষু (ষ > স) কাম + সপ্তমী বহুবচন —সু
কামনাত (in) desire
বিজ্জতি—O I A. বিদ্যতে (দ্য > জ্জ তালব্যীভৱন)
(বিজ্জতি —পৰস্মৈপদ) হয়, to be
ন তিত্তি কামেসু বিজ্জতি—কামনাৰ তৃপ্তি নহয়,
desires are not fulfilled
অপ্পস্সদা— O. I. A. অল্পস্বাদাঃ (স্ব > স্স)
কম সোৱাদ, having little taste
বিঞ্ঞায়—O. I. A. বিজ্ঞায় (জ্ঞ > ঞ্ঞ)
ভালদৰে জানি, knowing well
জয়ং— পুংলিঙ্গ শব্দ ক্লীবলিঙ্গ হিচাপে ব্যৱহাৰ হৈছে।
বেৰং—O. I. A. বৈৰম্ (ঐ > এ)
শত্ৰুতা, enmity
পসৱতি—O. I. A. প্ৰসৱতি (প্ৰ > প)
জন্ম দিয়ে, gives birth to
উপসন্তো—O. I. A. উপশান্তঃ (শ > স, আ > অ § 67, ঃ > ও),
প্ৰশমিত, one who has pacified one's feelings
হিত্বা—O. I. A. হিত্বা, ত্যাগ কৰি, by leaving
আৰোগ্গ—O. I. A. আৰোগ্য (গ্য > গ্গ, সমীভৱন)
নিৰোগী অৱস্থা, health
সন্তুট্ঠী—O. I. A. সন্তুষ্টি (ষ্ট > ট্ঠ, ি > ী), satisfaction

ঞাতী—O. I. A. জ্ঞাতি (জ্ঞ > ঞ্ঞ > ঞ)

আত্মীয়, relative

পিয়েহি—O. I. A. প্রিয়েভিঃ (প্র > প, ভ > হ)

প্রিয়র সহিত, with the thing (or man) one likes

সমাগছি—O. I. A. সমাগচ্ছি (√গম্ ধাতুর সাদৃশ্যে মাইবা বিসমীভবনর কারণে সমাগছি)

মিলিত হোৱা, to come in contact

অপ্পিয়েহি—O. I. A. অপ্রিয়েভিঃ (প্র > প্প)

অপ্পিয়+ওয়া একবচন —হি

অপ্রিয়র সহিত, with the thing (or man) one dislikes

কুদাচনং—O. I. A. কদাচন (কুত্র, কুতঃ আদি শব্দর 'কু'র সাদৃশ্যে 'কুদাচন' হৈছে)

কুদাচন+ং (ক্লীবলিঙ্গ শব্দর একবচনর সাদৃশ্যত)

ন কুদাচনং—কেতিয়াও, never

পিয়ানং—O. I. A. প্রিয়াণাং

পিয়+ষষ্ঠী বহুবচন —নং

প্রিয়র, of the thing one likes

অদস্সনং—O. I. A. অদর্শনম্ (শ > স, র্শ > স্স, সমীভৱন, ম্ > ং)

নেদেখা, not seeing

অপ্পিয়ানঞ্চ—O. I. A. অপ্রিয়াণাং চ (ণাং চ > নাঞ্চ > নঞ্চ, আ > অ § 67)

অপ্রিয়বো, also of the thing disliked

অক্কোধেন—O. I. A. অক্রোধেন (ক্র > ক্ক, সমীভৱন)

অক্কোধ+ওয়া একবচন —এন

ক্রোধহীনভাব দ্বারা, by absence of anger

কদরিয়ং—O. I. A. কদর্য্যম্ (র্য্য > র্য > রিয়, স্বরভক্তি)

কদরিয়+২য়া একবচন —ং

কৃপণক, (to the) miserly

সচ্চেন—O. I. A. সত্যেন (ত্য > চ্চ, তালব্যীভৱন)

সচ্চ+ওয়া একবচন —এন

সত্যর দ্বারা, by truthfulness

অলিকবাদিনং—O. I. A. অলীকবাদিনম্

মিছলীয়াবাদকক, (to the) liar

ভোতি—O. I. A. ভৱতি (ভ > হ, অব > ও)

হয়, becomes

ভাসতি—O. I. A. ভাষতি, কথা কয়, speaks

খেমী—O. I. A. ক্ষেমী (ক্ষ > খ)

ক্ষমাশীল, ধৈৰ্য্যশীল, forgiving, patient

অবেৰী—O. I. A. অবৈৰী (ঐ > এ)

শত্ৰুহীন, having no enemy

অভয়ো—O. I. A. অভয়ঃ (ঃ > ও)

নিৰ্ভীক, fearless

পৱুচ্চতি—কোৱা হয়, is said

সন্তো—O. I. A. সন্তঃ, সৎলোক, a good man

পকাসেন্তি—O. I. A. প্ৰকাশয়ন্তি (অয় > এ)

প্ৰকাশিত হয়, জিলিকি থাকে, shine

হিমৱন্তো—O. I. A. হিমৱন্তঃ, হিমালয়, The Himalaya

ৱ—O. I. A. ইৱ, নিচিনা, সদৃশ, like

পব্বতো—O. I. A. পৰ্ব্বতঃ (ৰ্ব্ব > ব্ব)

অসন্ত' এত্থ—O. I. A. অসন্তাঃ অত্ৰ (অত্ৰ > এত্থ)

অসন্তা + এত্থ = অসন্ত'এত্থ (সন্ধি)

দুষ্টলোকসকল ইয়াত, here the wicked ones

দিস্সন্তি—O. I. A. দৃশ্যন্তি (ঋ > ই, শ > স, শ্য > স্স)

দেখা যায়, are seen

ৰত্তি—O. I. A. ৰাত্ৰি (ত্ৰ > ত্ত, আ > অ, § 67)

খিত্তা—O. I. A. ক্ষিপ্তা (ক্ষ > খ, প্ত > ত্ত, সমীভৱন)

ৰত্তি-খিত্তা—ৰাতি নিক্ষেপ কৰা, cast at night

সৰা—O I. A. শৰাঃ (শ > স ; বিসৰ্গ লোপ হৈছে)

শৰবোৰ, arrows

মত্তেয়্যতা— সম্ভৱতঃ O. I. A. মাত্ৰেয়তা (ত্ৰ > ত্ত, আ > অ, য > য্য,

শ্বাসাঘাতৰ ফলত দ্বিত্ব হৈছে)

মাতৃৰ প্ৰতি আনুগত্য, obedience to one's mother

পেত্তেয়্যতা— সম্ভৱতঃ O. I. A. পৈত্ৰেয়তা (ঐ > এ)

পিতৃৰ প্ৰতি আনুগত্য, obedience to one's father

সামঞ্ঞতা— সম্ভৱতঃ O. I. A শ্ৰামণ্যতা (শ্ৰ > স, ণ্য > ঞ্ঞ)

শ্ৰমণৰ প্ৰতি আনুগত্য, obedience to Sramana

ব্রম্ভণ এন্তা— সম্ভবতঃ O. I. A ব্রাহ্মণ্যতা (আ > অ,)
ব্রাহ্মণৰ প্ৰতি আনুগত্য, obedience to Brahmin
চক্খুনা—O. I. A. চক্ষুষা (ক্ষ > ক্‌খ)
চক্খু+আ একবচন —না
চকুৰে, by the eye
সমবো—O. I. A. সম্বরঃ, সংযম, restraint
সোত্তেন—O. I. A. শ্ৰোত্ৰেণ, (শ > স, ত্র > ত্ত)
কাণেৰে, by the ear
ঘাণেন—O. I. A. ঘ্ৰাণেণ (শব্দৰ আগত থকা কাৰণে ঘ্ৰ > ঘ)
ঘ্ৰাণৰ দ্বাৰা, by the nose (smell)
জিৱ্হায়—O. I. A. জিহ্বায় (হ্বা > ৱ্হা, বৰ্ণ-বিপৰ্যায়) জিৱ্হা+আ
একবচন—আয়, জিভাৰে, by the tongue
কায়েন—O. I. A. কায়েণ (ণ > ন) শৰীৰেৰে, by the body
বাচায়—O. I. A. বাচায়, বচনেৰে, by the speech
মনসা—O. I. A. মনসা, মনেৰে, by the mind
(বাচা+আ একবচন, মনস্+আ একবচন)
সব্বত্থ—O. I. A সৰ্ব্বত্র (র্ব > ব্ব, ত্র > ত্থ) সকলো ফালেতে, everywhere
যস্স—O. I. A যস্য (স্য > স্স) যাৰ of, whom (whose)
দুক্কটং—O. I. A. দুষ্কৃতম্ (ষ্ক > ক্ক > ক, সমীভৱন, ত > ট, মূৰ্দ্ধণ্যী ভৱন)
বেয়া কাম, evil deeds
সংবুতং—O I. A. সংবৃতম্ (ঋ > উ) সংযত, restrained, controlled
তীহি— O. I.A. ত্রীভিঃ (শব্দৰ আগত থকা ত্ৰ > ত হৈছে, ভ > হ, বিসৰ্গ
লোপ হৈছে) তী+ আ বহুবচন —হি, তিনি, three
ঠানেহি—O. I. A. স্থান (স্থ > থ § 30 > ঠ, মূৰ্দ্ধণ্যী ভৱন)
ঠান+ আ বহুবচন— হি
তীহি ঠানেহি—পমীৰ ঠাইত আ বিভক্তি হৈছে। তিনিও ঠাইত, in all
the three places
ব্ৰূমি—O. I. A. ব্ৰবীমি (ব্ৰুতঃ, ব্ৰুবঃ আদি শব্দৰ সাদৃশ্যত 'ব্ৰূমি' হৈছে।)
মই কওঁ, I say, I call
জটাহি– O. I. A. জটাভিঃ
জটা+ আ বহুবচন—হি, জটাৰ দ্বাৰা, by matted hair
গোত্তেহি—O. I. A. গোত্র (ত্র > ত্ত)

গোত্ত+৩য়া বহুবচন —এহি, গোত্ৰৰ দ্বাৰা, by lineage, ancestry

জচ্চা—O. I. A জাত্যা (ত্য > চ্চ, তালব্যী ভবন, আ > অ, § 67)

জাতিৰ দ্বাৰা, by caste

যম্হি—O. I. A যস্মিন্ (স্ম > ম্হ, অন্ত্য ন্ লোপ হৈছে) য'ত,

যাৰ ভিতৰত, in whom

সচ্চং—O. I. A. সত্যম্, truthfulness

সো—O. I. A. সঃ তেওঁ, he

সো চ—তেৱেঁই, only he

ধম্মং সুচৰিতং—সজ ধৰ্ম্ম, law of virtue

তং দুচ্চৰিতং—অসজ ধৰ্ম্ম, law of sin (that of sin)

ধম্মাচাৰী—ধাৰ্মিক, virtuous

বুব্বুলকং—O. I. A. বুদ্বুদকম্ (দ > দ্ব, সমীভৱন দ > ড় > ল)

বুৰবুৰণি, bubble

পস্সে—O. I. A. পশ্যেৎ (শ্য > স্স, অন্ত্য ৎ লোপ হৈছে)

চোৱা উচিত, one should see

লোকং—জগতখনক, the world

অবেক্খন্তং—O. I. A, অবেক্ষন্তং (ক্ষ > ক্খ)

চায়, looks. views

মচ্চুৰাজা—O. I. A. মৃত্যু (ঋ > অ, ত্য > চ্চ)

মচ্চু+ৰাজা, মৃত্যুৰ ৰজা, যমৰজা king of death

পস্সতি—O. I. A. পশ্যতি (শ্য > স্স)

দেখে, sees

এথ—O. I. A. ইত (পালিত √ই+লোট্ থ=ইথ > এথ)

আহা, come

পস্সথ—O. I. A. পশ্যত (শ্য > স্স) পস্স+লোট্ থ

চোৱা, see

চিত্তং—O. I. A. চিত্ৰম্ (ত্ৰ > ত্ত)

বিচিত্ৰ, চিত্ৰিত, spectacular, painted

ৰাজৰথূপমং—O. I. A. ৰাজৰথ+উপমং (অ+উ=ঊ, পালি সন্ধি)

ৰাজৰথৰ নিচিনা, like a royal chariot

বালা—বাল+১মা বহুবচন —আ

মূৰ্খসকল, the fools

বিসোচতি—দুখ কৰে, grieve

সঙ্গো—O. I. A. সঙ্গঃ, বন্ধন, attachment

বিজানতং—O. I. A. বিজানতাম্

জনাসকলৰ, of those that know

পাপং কতং কম্মং—পাপ কৰ্ম্ম, sin

কুসলেন—O. I. A. কুশলেন, সৎ কাৰ্য্য দ্বাৰা

by good deeds

পিধীয়তি—O I. A. অপিধীয়তে (স্বাসাঘাত নথকা কাৰণে আদি 'অ' লোপ হৈছে ; ধ > ধ, √ধা ধাতুৰ প্ৰভাৱত ;

তে > তি —আত্মনেপদৰ ঠাইত পৰস্মৈপদ হৈছে ।)

ঢাকখাই যায়, নাইকিয়া হৈ যায়, (is) coverd, cancelled

পভাসেতি—O. I. A. প্ৰভাসয়তি (প্ৰ > প, অয় > এ)

পোহৰ কৰে, উজলায়, shines

অব্‌ভা—O. I. A. অভ্ৰাঃ, অভ্ৰাৎ (ভ্ৰ > ব্‌ভ, অন্ত্য বিসৰ্গ বা ৎ লোপ হৈছে)

মেঘৰ পৰা, from cloud

মুত্তো—O. I. A. মুক্তঃ, free

চন্দিমা—O. I. A, চন্দ্ৰমাঃ (ন্দ্ৰ > ন্দ, § 31)

ইমন্—ভাগান্ত অণিমন, গৰিমন্ আদি শব্দৰ সাদৃশ্যত 'চন্দিমন্' শব্দৰ ১মা একবচনত 'চন্দিমা' হৈছে ।

চন্দ্ৰ, the moon

অন্ধভূতো—অন্ধকাৰ, darkened, blinded

তনুক—অলপ, very few

তনুক' এথ—O. I. A. তনুক+অত্ৰ (অত্ৰ > এথ)

very few in this world

বিপস্সতি—O. I. A. বিপশ্যতি (শ্য > স্স)

ভালদৰে দেখে, sees (in a better way)

সকুন্তো—O. I. A. শকুন্তঃ (শ > স, : > ও)

চৰাই, bird

জালমুত্তো—O. I. A. জালমুক্তঃ, free from the net

জালমুত্তো'ৰ—জালমুত্তো+ইৱ (সন্ধি)

সগ্‌গায়—O. I. A. স্বৰ্গায় (স্ব > স, § 30, ৰ্গ > গ্‌গ)

স্বৰ্গলৈ, to heaven

ধম্মং অতীতস্স—O. I. A. ধর্ম্মং অতীতস্য (র্ম্ম > ম্ম, স্য > স্স, সমীভবন)
বিজনে ধর্ম্মক উলঙ্ঘা কৰিছে, One who has disobeyed the rules of religion

মুসা বাদিস্স—O. I. A. মৃষাবাদিনঃ (ঋ > উ, ষ > স)
মুসা বাদি+ষষ্ঠী একবচন —স্স
মিছলীয়া জনৰ, of the liar

জন্তুনো—O. I. A. জন্তুনঃ
জন্তুৰ, of animal

অকাৰিয়ং—O. I. A. অকার্য্যং (র্য্য > রিয়, স্বৰভক্তি)
বেয়া কাম, sin

বিতিণ্ণ পৰলোকস্স—বিতীর্ণ পৰলোকস্য (র্ণ > ণ্ণ, সমীভবন,
তী > তি, § 67, স্য > স্স, সমীভবন)
বিজনে পৰলোক অতিক্ৰম কৰিছে (অৰ্থাৎ যি পৰলোকক ভয় নকৰে)
One who has crossed the thought (or fear) of the next world.

বজন্তি—O. I. A. ব্ৰজন্তি (ব্ৰ > ব, § 30) যায়, go (plural)

হবে—O.I. A. হ বৈ, নিশ্চয়, certainly

নপ্পসংসন্তি—O. I. A. ন+ প্ৰশংসন্তি (ন+প্ৰ > নপ্প ; শ > স)
প্ৰশংসা নকৰে, do not praise

ধীৰো—O. I. A. ধীৰঃ, জ্ঞানী, wise man

অণুমোদমানো—O. I. A অনুমোদমানঃ, অনুমোদন কৰি, প্ৰশংসা কৰি,
rejoicing accepting, praising

পৰথ—O. I. A. পৰত্ৰ (ত্ৰ > থ)
পৰলোকত, in the other world

পথব্যা—O. I. A. পৃথিব্যাঃ (ৃ > অ, সম্ভৱতঃ 'অ' ৰ প্ৰভাৱত ৰৰ সঙ্গতি হৈ ই > অ হৈছে) পৃথিবীৰ, of the earth

একৰজ্জেন—O. I. A. একৰাজ্যেণ (জ্য > জ্জ, ৰা > ৰ, § 67)
একৰজ্জ+ তৃতীয়া একবচন—এন, (তুলনাৰ্থত) একচ্ছত্ৰী ৰাজত্বতকৈ,
in comparision to absolute sovereignty (on earth)

সগ্গস্স—O I. A. স্বৰ্গস্য (ইয়াত ৪ৰ্থীৰ সলনি ষষ্ঠী বিভক্তি ব্যৱহাৰ হৈছে ।)
স্বৰ্গলৈ, to heaven

সব্ব লোকাধিপচ্চেন—O. I. A. সৰ্ব্ব লোকাধিপত্যেন

(ৰ্ব > ব্ব, § 31 ; ত্য > চ্চ ; প > ম)
তুলনাৰ্থত ৩য়া একবচন— এন যোগ হৈছে। ত্ৰৈলোক্যৰ আধিপত্যতকৈ, in comparision to overlordship of the whole world (i.e. the three worlds)

সোতাপত্তিফলং—O. I. A. স্ৰোতাপত্তিফলম্
(স্ৰ > স, § 30 ; ম্ > ং
স্ৰোতলৈ অহাৰ ফল, বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰি নিৰ্ব্বাণ লাভৰ পথত প্ৰথম স্তৰ পোৱাৰ ফল, the fruit of the state of coming to the stream (of true religion of Buddhism). the fruit of conversion (to Buddhism)

বৰং— বেচি ভাল, better

নিয়া প্ৰাকৃত

বহুবিধৰ দলীল

বহুবিধৰ দলীলসমূহ চীনীয় তুৰ্কিস্তানৰ পৰা উদ্ধাৰ কৰা হৈছে। দলীল সমূহৰ ৰচনা কাল খৃষ্টীয় ৩য় শতিকামান বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে। ইয়াৰ ভাষা প্ৰাকৃত যদিও এইবিধ প্ৰাকৃতক "নিয়া প্ৰাকৃত" ৰূপে অভিহিত কৰা হৈছে। কাৰণ চীনীয় তুৰ্কিস্তানৰ অন্তৰ্গত শানশান নামৰ প্ৰাচীন ৰাজ্যৰ সীমান্তত অৱস্থিত "নিয়া নামে ঠাইৰ বালিত পোত খাই থকা অৱস্থাৰ পৰা উদ্ধাৰ কৰা কিছুমান প্ৰাচীন লিপিত এই ভাষাৰ নিদৰ্শন পোৱা গৈছে। পণ্ডিতে এই বিধ প্ৰাকৃতক "নিয়া প্ৰাকৃত" বোলা হৈছে। এই "নিয়া প্ৰাকৃত" প্ৰাকৃত ভাষাৰ মধ্য-স্তৰৰ ভিতৰুৱা। খৃষ্টীয় প্ৰথম শতিকাৰ পৰা ৩য় শতিকাৰ ভিতৰত এই ভাষাৰ প্ৰচলন আছিল বুলি ভাষাতাত্ত্বিক সকলে অনুমান কৰে। খৰোষ্ঠী আৰু ব্ৰাহ্মী আখৰেৰে লিখা এই লিপিবোৰত সাধাৰণতে শাসন কাৰ্য্য, ব্যৱসায়-বাণিজ্য আদি বিষয়ৰ কথা লিপিবদ্ধ কৰা হৈছিল। বহুবিধৰ দলীলবোৰ এটা উট বিক্ৰী কৰা বিষয়ৰ দলীল।

ইয়াত "খ্ৰুবৰ্ণ" নামৰ এজন লোকে ৰসিভি ৰসম (প্ৰকৃতি ৰবক ?) নামৰ

এজন মানুহক ভেঙৰ উট বেচা কথা উল্লেখ কৰিছে। দলীল খনত উটটো বিক্রী কৰা সম্বন্ধীয় চুক্তিৰ উল্লেখ কৰিছে।

মূল পাঠ :—

সংবৎসৰে ১০ মহে ৩ দিৱসে ১০ ৪ ৪ ইৎ ক্ষুনমি খোতন মহৰয় ৰয়তিৰয় চিমঝদেৱ বিজিদসিংহস্ত ত কলি।

অস্তি মনুশ মগষগ ৰ্বূর্নর্সে মম তৰ মস্ত্রেদি অস্তি মরি উটঃ ছতুৰগ। সো উটঃ অকিঞ্জু ৰবদি ধহি অথি ভত্রিজু ৰ শো। ত ইৰমি সো উটো বিক্রিমামি মুল্যেম মবে সম্ভ্র অষ্ট ৪ ৪ ১০০০ সুলিগ ৰপিতি ৰধগস্য সগথি। ভস্য উটস্য কিদে ৰপিতি ৰধগে নিৰৰশিজো মুল্যো মবে ধিতু ৰ্বূর্নর্সস্য গ্রজিছ ভধি উৰগছ।

অজি উৰহমি সো উটঃ ৰপিতি ৰধগস্য ছতুৰগঃ সংবৃত্তঃ ৰথ সম সৰমীয়ঃ সর্ব কিচ কৰমীয়ঃ। যো পচেন কলি ভস্য উটস্য কিদে চোদিরতি বিদিরতি বিৰহ উঠবিরবি তেম ছৰ দণ্ড দিমৰি ৰথ ৰৰধৰ্ম স্যাদি।

মৰ ৰলৰত ৰহৰিৱ লিখিহ ৰ্বূর্নর্সস্য অজিৰএরি পুৰহ ....।

অসমীয়া অনুবাদ :—

সম্বৎসৰ ১০, মাহ ৩, দিৱস ১৮ (অর্থাৎ ৰগম সম্বৎসৰৰ ৩য় মাহৰ ১৮শ দিৱসত) খোটান মহাৰাজ ৰাজাধিৰাজ হিনজদেৱ বিজিত সিংহৰ (ৰাজৰ) কালত।

(সেই সময়ত) ৰ্বূর্নর্স নামৰ এজন নাগৰিক আছে, তেওঁ এনেদৰে মন্ত্রণা কৰিছে (অর্থাৎ, কৈছে বা আজ্ঞা দিছে)— মোৰ নিজৰ এটা উট আছে। সেই উটে অভিজ্ঞান ধাৰণ কৰে, (অর্থাৎ, উটটোৰ এটা চিহ্ন আছে) তাত ত্রিশূল আৰু 'পত' অঙ্কিত আছে। (যাহিৰা তাত দৃঢ় ভাবে 'পত' বুলি লিখা আছে।) এতিয়া সেই উটটো মই সুলিগ ৰপিতি ৰধগক (ৰপিতি ৰধগৰ ওচৰত) এহেজাৰ আঠ 'মষা' (১০০৮ মাষং) মূল্যত বেচিছো। সেই উটৰ বাবদ ৰপিতি ৰধগই ৰ্বূর্নর্সক সম্পূর্ণ মূল্য 'মষা' দি ভাগি পাইছে (অর্থাৎ ঋণমুক্ত হৈছে।)।

আজিৰ পৰা সেই উটটো ৰপিতি ৰধগৰ নিজৰ হ'ল। যি কাৰণেৰে

ইচ্ছা কৰে, সকলো কৰাব পাৰে । ইয়াৰ পিছত যেয়ে সেই উট স্থানান্তৰ কৰিব, অন্যথা কৰিব বা (সেই উটৰ কাৰণে) বিবাদ কৰিব তেওঁক ৰাজধৰ্ম অনুসৰি দণ্ড দিয়া হব ।

মই বহুধিবই খ্ৱৰ্নৰ্সৰ অনুৰোধত (সাক্ষীৰ) আগত এই দলীল লিখিলো ।

ইংৰাজী অনুবাদ—

Sambatsara 10, Month 3, day 18th. In the days of Khotan King Rajadhiraj Hinajadeva Bijitasingha.

(At that time) There is a citizen Khvarnarsa by name. He has submitted a petition in this way (like this)—I have a camel of my own. It bears a sign, (on its body) A trident and the word 'animal' (or 'Vaso') is written on it. (or, the word 'vaso' is written boldly on it). Now I am selling that camel at a price 1008 'masas', to suliga vagiti vadhaga. On account of that camel, vagiti vadhaga has paid the full amount of masas and is free of debt.

From today thal camel has become vagiti vadhaga's own (i.e. that animal has become the personal property of vagiti vadhaga) (He) can make it do whatever he wishes. Henceforth whoever moves it from its place, acts contrarily, or quarrels (for it) will be punished according to royal ethics (or, according to law).

I Bahudhiva, am writing this document, in presence (of witness) at the request of Khvarnarsa.

শব্দাৱলীৰ টোকা :—

মৰে—O. I, A. মাস (স > ৰ) (Maze) মৰ+ সমী একবচন—এ
মাহত, in the month of (ইয়াত 'ঝ'টোৰ উচ্চাৰণ z)

দিবঝ (dhivajha)—O. I. A. দিৱস (স > ঝ, ৱ > ব)
দিন, day (i.e. date)

হিনঝ (hinajha)— খোটান উপাধি, kings litle ইয়াৰ সমপৰ্য্যায়ৰ গ্ৰীক
শব্দ "strategos" ।

ছিমস্ব দেব সিংহদেব (?)

ত কলি—O. I. A. তৎ কালে (অন্ত্য ৎ লোপ হৈছে, আ > অ, গোটেইখন লিপিৰ ভিতৰতে 'আ' ৰ ব্যৱহাৰ নাই। এ > ই)
সেই সময়ত, at that time

ৰয়ছিৰয়—O. I. A. ৰাজাধিৰাজ (আ > অ, জ > য়, ধ > ছ)
king of kings

নগৰগ—O. I. A. নাগৰকঃ (আ > অ, ক > গ নাগৰিক, citizen

খুৰ্নস´—মানুহৰ নাম, a proper name

মতেৰ্থি—O. I. A. মন্নয়তি (ন্ন > ত্ত ; অয় > এ ; ত > থ) মন্নয়া দিছে, আৰ্জি দিছে, has submitted a petition

মৰি—O. I. A মম, মোৰ, mine

অত্তৱগ—নিজৰ, own

সো—O. I. A. সঃ, সেই, that

অহিঞ্ঞু—O. I. A. অভিজ্ঞানম্ (ভ > হ ; জ্ঞ > ঞ্ঞ) চিহ্ন, sign, mark

হৰদি—O. I. A. ধৰতি (ধ > হ ; ত > দ) ধাৰণ কৰে, bears

থহি - O. I. A. তস্মিন্ (ত > থ ; স্ম > ম্হ > হ ; অন্ত্য 'ন্' লোপ হৈছে)
তাত, thereon

অখিত—O. I. A. অঙ্কিতম্ (ঙ্ক > খ ; ম্ লোপ হৈছে)

তূৰূ—O. I. A. ত্রিশূলম্ (তূড় ?) (ত > দ ; শ > ৰ ; ল, ম্ লোপ পাইছে)
ত্রিশূল, trident, বা দৃঢ় ভাৱে, in bold script)

অখিত তূৰূ—ত্রিশূলেৰে লিখা হৈছে, বা ত্রিশূলৰ ছবি অঙ্কিত হৈছে।
written by a trident, or a trident is written, or written in bold script

ৰ গো—O. I. A. পশু (প > ৰ, উ > ও) animal

সুলিগ—সম্ভৱতঃ কোনো ব্যক্তি বা ব্যৱসায়। শব্দটো সংস্কৃত 'সৌলিক', 'শৌলিকঃ' বা প্রাকৃত "সোলিক" শব্দৰ পৰা সৃষ্টি হব পাৰে।
পশু বধ কৰোঁতা, slaughterer

ৰগিতি হৰণ—মানুহৰ নাম হব পাৰে নাইবা ব্যৱসায়িক নাম হব পাৰে।
'প্রকৃতি বধক' বুলি যদি ধৰা হয় তেতিয়া হ'লে পশু বধ কৰি জীৱিকা নিৰ্বাহ কৰোঁতা বুজাব পাৰে।
it may be the proper name of some person or it may mean an occupation of a slaughterer

সগখি—O I. A. সকাশে (ক > গ ; শ > খ ; এ > ই) নিকট, in front of, to

কিদে—O. I. A. কৃতে (ঋ > ই ; ত > দ)
বাবদ কারণে, on account of

নিৰৱশিষো—O. I. A. নিরবশেষঃ (র > ৰ ; ঃ > ও)
সম্পূর্ণ ভাবে, বাকী নৰখাকৈ fully, without leaving any debt

দিন্নু—O. I. A. দত্তঃ (দ > দ ; ত্ত > ন্ন ; অঃ > উ) দিয়া হৈছে, gave, has been given

গ্রহিদু—O. I. A. গৃহীতঃ (গৃ > গ্র ; ঈ > ই , ত > দ , অঃ > উ)
গ্রহণ করিছে, accepted

ঋণি উৱগদু—O. I. A. ঋণি উদ্গতঃ
(দ্গ > ৱ , গ > গ ; ত > দ ; অঃ > উ ঋণ হৈতে, ঋণমুক্ত হৈছে, free from debt, has become free

অজি উৱরি—আজির পরা, from today

যথ—O. I. A. যথা, যিহকে whatever

গম—O. I. A. কাম (ক > গ ; আ > অ) ইচ্ছা, wish desire

গৱনীয়—O. I. A. কমনীয়ঃ

যথ গম গৱনীয়—যিহকে মন যায় তাকেই লগাব পারে to be used at will

পচেন্ন কলি—O. I. A. পশ্চাৎ কালে (?)
ভবিষ্যতে, in future

কিচ—O. I. A. কৃত্যা (ঋ > ই, ত্য > চ্চ > চ অসবর্ণীকরণ)
করিবলগীয়া কাম, works tobe done

চোরিয়ন্তি—O. I. A. চোরয়ন্তি, চোর করে, steals

বিপিয়ন্তি—অন্যথা করে, acts contrarily

বিবদু—O. I. A. বিবাদঃ (আ > অ, ঃ > উ)
বিবাদ, dispute

উঠবিয়রি—O. I. A. উৎপাদয়তি (প > ব > ঠ, দ > র, অয় > ই, ত > র)
উৎপাদন করে, raises

দিজ্জিহি—O. I. A. দাস্যতি (প্রাকৃত √দা + য = দিজ্জ—এই 'দিজ্জ' শব্দর অনু-
করণত দাস্যতি > দিজ্জতি > দিজ্জিত > দিজ্জিহি হোৱা সম্ভব।)
দিয়া হব, would be given

দণ্ড—O. I. A, দণ্ড, শাস্তি, punishment

ভটি—O. I. A. ভটি (ভ > ব)

হব, হোৱা উচিত, will be, should be

ৰজধৰ্মু—O. I. A. ৰাজধৰ্ম্মঃ (আ > অ, ঃ > উ)

ৰজাৰ আইন, royal rule or law

ময়—O. I. A. ময়া, মোৰ দ্বাৰা, by me

দশৱত—দলীল, document

লিখিদু—O. I. A. লিখিতঃ, লিখা হৈছে, has been written

অজিযমধ্রি—O. I. A. অধ্যেষণায় (ষ্য > জ্ঝ > জ > য, এ > ই, অ > ই)

অনুৰোধ ক্ৰমে, at the request of

পুৰতু—O. I. A. পুৰতঃ (ত > দ, ঃ > উ)

আগত, in front of, in the presence of

(এই লিপিখনৰ ভাষাৰ উচ্চাৰণৰ বৈশিষ্ট্য আছে । এই বৈশিষ্ট্য সঠিককৈ ব্যাখ্যা কৰিব নোৱাৰি । তথাপি উচ্চাৰণৰ বৈশিষ্ট্যৰ সূচনা কৰাৰ উদ্দেশ্যে কেইটিমান বিশেষ কথা মন কৰিবলগীয়া ।— জ, ঝ, য, ক, আৰু ছ—ইয়াৰ ভিতৰত 'জ' ধ্বনিটো ৰোমান লিপিৰ 'Z'ৰ সমকক্ষ হোৱা সম্ভৱ, আৰু জ, ঝ, ধ্বনি য, জ (z) ধ্বনিৰ সমকক্ষ হোৱা সম্ভৱ বুলি ডাঃ সুনীতি কুমাৰ চেটাৰ্জ্জী আৰু ডাঃ সুকুমাৰ সেন দেৱে অনুমান কৰে ।)

খৰোষ্ঠী ধম্মপদ

অপ্রমাদ বতি — ভিক্ষু বৰ্গ

মধ্য আৰু দক্ষিণ-পূব এচীয়াৰ বৌদ্ধ ধৰ্মাৱলম্বী দেশবোৰত 'ধম্মপদ' নামৰ গ্ৰন্থখনৰ যথেষ্ট প্ৰচলন আছিল । মধ্য এছিয়াৰ খোটান অঞ্চলৰ পৰা পোৱা "ধম্মপদ"খন খৰোষ্ঠী লিপিত লিখিত । এইখনক 'খৰোষ্ঠী ধম্মপদ' নাইবা "খোটান ধম্মপদ" বুলি কোৱা যায় । ইয়াৰ ভাষাটো মধ্য প্ৰাকৃত স্তৰৰ বুলি ঠাৱৰ কৰা হৈছে যদিও আদি প্ৰাকৃত স্তৰৰ অশোকৰ অনুশাসনৰ উত্তৰ-পশ্চিমা উপভাষাৰ লগত ইয়াৰ যথেষ্ট সাদৃশ্য আছে । তদুপৰি নিয়াপ্ৰাকৃতৰ লগতো এই ভাষাৰ কিছু সাদৃশ্য আছে । ইয়াৰ ভাষাটো খ্ৰীঃ ১ম শতিকাৰ

বুলি অনুমান কৰা হৈছে। 'অপ্ৰমাদ বৰ্গ'—ভিক্ষু বৰ্গ'ত অপ্ৰমাদৰ গুণ আৰু ভিক্ষু সকলৰ কৰ্ত্তব্য সম্বন্ধে উপদেশ আছে।

মূল পাঠ—

(১) অপ্ৰমাদ প্ৰশংসতি প্ৰমাদ গৰহিতু সদা।

(২) ছিন-ধৰ্ম ন জেব'স্স প্ৰমাদেন ন অত্থি,
মিচ্ছদিঠি ন সেৱ'স্স ভি'স্স লোক-বড্ঢনো।

(৩) যো চ পুৰ্ব্বে প্ৰমজ্জিত পচ্ছা সো ন প্ৰমজ্জতি,
সো ইম লোক পভাসেতি অভ্ভা মুত্তো ৱ চন্দিমা।

(৪) অবন্দ [illegible] সুকৰ সুখ-[illegible]
[illegible] [illegible] [illegible] [illegible] ন [illegible]।

(৫) অপ্ৰমাদ ৰতিমত সুশীল [illegible] ভিক্ষৱ,
সুসমাহিত-[illegible] [illegible] [illegible]।

(৬) যো ইমস্মি ধৰ্ম বিনয়েই অপ্ৰমত্তো বিহৰিস্সতি,
প্ৰহায় জাতি-সংসাৰ দুক্খস্স [illegible]।

(৭) ত ৱ [illegible] [illegible] [illegible] [illegible],
অপ্ৰমাদ ৰত [illegible] [illegible] [illegible]।

(৮) প্ৰমাদ পৰিৱজ্জেত্বা অপ্ৰমাদ ৰত [illegible]
ভাৱেথ কুশল ধৰ্ম [illegible] [illegible] [illegible]।

(৯) [illegible] [illegible] [illegible] [illegible] [illegible],
[illegible] [illegible] [illegible] [illegible] [illegible]।

(১০) অপ-লেভো চ যো ভিক্ষু [illegible] [illegible],
[illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।

(১১) [illegible] [illegible] [illegible] [illegible],
[illegible] [illegible] ভিক্ষু [illegible] পৰিহৰতি।

(১২) [illegible] [illegible] [illegible] [illegible],
[illegible] [illegible] ভিক্ষু [illegible] ন পৰিহৰতি।

(১৩, ১৪) ন [illegible] [illegible] [illegible] [illegible] ন [illegible],
[illegible] [illegible] [illegible] ন,
[illegible] [illegible] [illegible],
ভিক্ষু [illegible] [পৰি] [illegible] [illegible]।

(১৫) ন ভিখু তৱদ হোতি যৱদ ভিক্খতি পৰ,
বিশ্প ধৰ্ম্ম সমদ'ই ভিখু হোতি ন তৱদ।

(১৬) যো ছ বহেত্তি পৰণ ৰদৰ ব্ৰহ্ম-চ্ৰিয়ৱ,
সংখ'ই চৰতি লোকে সো হু ভিক্ষু হু ৱুচতি।

(১৭) মেত্ৰ-বিহৰি যো ভিক্ষু প্ৰসন্ন বুধ-শাসনে,
ছুৰ্ণতি পৰক ধৰ্ম্ম ক্ৰম-পত্ৰ ব মছুক।

(১৮) মেত্ৰ-বিহৰি যো ভিক্ষু প্ৰসন্ন বুধ-শাসনে,
পতিবিন্ধু পদ শান্ত সংখাৰোপশম সুখ।

অসমীয়া অনুবাদ –

(১) (মানুহে) অপ্ৰমাদক প্ৰশংসা কৰে, প্ৰমাদ সদায় গৰ্হিত (অৰ্থাৎ নিন্দনীয়)।

(২) হীন ধৰ্ম্ম সেৱা নকৰিবা, প্ৰমাদৰ সৈতে বাস নকৰিবা, মিথ্যা দৃষ্টিত হোমাৰ ৰুচি হোৱা অনুচিত, মানুহৰ মাজত বৰ বেচি চকুত লগা হোৱা অনুচিত (অৰ্থাৎ, ঐশ্বৰ্য্য বিভূতি, দম্ভ অহঙ্কাৰ আদি পাৰ্থিৱ সম্পদেৰে আমাতকৈ উচ্চ স্তৰৰ হোৱা অনুচিত)।

(৩) যি লোক পূৰ্ব্বতে কামনা-বাসনাত লিপ্ত হয় (আছিল), পিছত লিপ্ত নহয় (অৰ্থাৎ, পিছত তাৰ পৰা মুক্ত হয়) তেওঁ মেঘমুক্ত সূৰ্য্যৰ দৰে এই জগতখন দীপ্তিমান কৰে।

(৪) অৰ্হৎ হোৱা (অৰ্থাৎ, পৰম সুখ লাভৰ উপযুক্ত হোৱা), নিষ্ক্ৰমণ কৰা (মায়া-মোহ আদি অতিক্ৰম কৰা), নিজকে বুদ্ধ-শাসনৰ লগত (বৌদ্ধ ধৰ্ম্মৰ নিয়ম-নীতিৰ লগত) যুক্ত কৰা। (এইদৰে) মৃত্যুৰ সৈন্যক দূৰীভূত কৰা—হাতীয়ে খাগৰীৰ ঘৰ নিশ্চিহ্ন কৰাৰ দৰে।

(৫) হে ভিক্ষুসকল, তোমালোক অপ্ৰমত্ত হোৱা, স্মৃতিমন্ত আৰু সৎ স্বভাৱৰ হোৱা। সুসমাহিত সংকল্পযুক্ত সৎ স্বভাৱক (নিজৰ চিত্তক) ৰক্ষা কৰা।

(৬) যি এই ধৰ্ম্ম গ্ৰহণ কৰে, তেওঁ অপ্ৰমত্ত হৈ বিচৰণ কৰে, জন্ম আৰু সংসাৰৰ পৰা মুক্ত হৈ দুখৰ অন্ত কৰে।

(৭) তোমালোকে ইয়াত যিমান সমাগত হৈছা (সেই) তোমালোকক কওঁ— তোমালোকৰ মঙ্গল হওক, অপ্ৰমাদত ৰত হোৱা আৰু ধৰ্ম্ম ভালদৰে জানি লোৱা।

(৮) প্ৰমাদক পৰিত্যাগ কৰি সদায় অপ্ৰমাদত ৰত হোৱা। ক্লেশ-ক্ষেত্ৰ প্ৰাপ্তিৰ উদ্দেশ্যে কুশল ধৰ্ম্ম পৰায়ণ হোৱা।

(৯) নিজৰ লাভক বেছি ঘৃণা দিয়া অনুচিত, আনৰ (লাভৰ) প্ৰতি স্পৃহা অনুচিত। যি ভিক্ষুৱে আনৰ লাভৰ প্ৰতি স্পৃহা কৰে, তেওঁ সমাধি লাভত (প্ৰজ্ঞা লাভত) সক্ষম নহয়।

(১০) অলপ লাভ হ'লেও যি ভিক্ষুৱে নিজৰ লাভক উপেক্ষা নকৰে, তেনে পবিত্ৰ জীৱিকা-যুক্ত, অতন্দ্ৰিত (অৰ্থাৎ, সজাগ) জনক দেৱতায়ো প্ৰশংসা কৰে।

(১১) কামনাত তৃপ্তি পোৱা, কামনাত ৰত, কামনাক সদায় চিন্তা কৰা, কামনাক অনুসৰণ কৰা ভিক্ষুজন সত্ ধৰ্মৰ পৰা অপসৃত হয় (বা নিজৰ ধৰ্মৰ পৰা অপসৃত হয়।)

(১২) ধৰ্মত তৃপ্তি পোৱা, ধৰ্মত ৰত সদায় ধৰ্ম চিন্তা কৰা, ধৰ্মক অনুসৰণ কৰা ভিক্ষু সত্ ধৰ্মৰ পৰা বিচলিত নহয়।

(১৩-১৪) হে ভিক্ষু যদিও তুমি শীলব্ৰত, যদিও বহু জ্ঞান লাভ কৰিছা, সমাধি লাভৰ দ্বাৰা আৰু নিৰ্জন শয়নৰ দ্বাৰা যদিও তুমি সকলো সাধাৰণৰ অনুপ-লব্ধ নৈষ্কৰ্ম্য সুখ লাভ কৰিছো বুলি ভাবা, তথাপিও কলুষ (পাপ) ক্ষয় প্ৰাপ্ত নোহোৱালৈকে (নিজক) বিশ্বাস নকৰিবা।

(১৫) আনৰ পৰা ভিক্ষা খোজাৰ বাবেই ভিক্ষু নহয় (ভিক্ষু হব নোৱাৰি), বিষ ধৰ্ম (বা সম্পূৰ্ণ ধৰ্ম) গ্ৰহণ নকৰালৈকে ভিক্ষু হব নোৱাৰি।

(১৬) যাৰ পাপ প্ৰক্ষালন হৈছে, যি ব্ৰহ্মচাৰী, ব্ৰহ্মচৰ্য্যাৰে, বিবেকেৰে সকলো কথা ভালকৈ জানি ইহলোকত বিচৰণ কৰে, তেওঁকহে ভিক্ষু বুলি কোৱা হয়।

(১৭) যি ভিক্ষুৱে মৈত্ৰী ভাৱেৰে বাস কৰে (অথবা, যিজনে মৈত্ৰী ভাৱত আনন্দ লাভ কৰে), বুদ্ধ শাসনত (অৰ্থাৎ বৌদ্ধ ধৰ্মৰ নীতি-নিয়মত) আনন্দিত হয়, তেওঁ ধৰ্মৰ দ্বাৰা পাপক দূৰলৈ নিক্ষেপ কৰে, যিদৰে বতাহে গছৰ পাত নিক্ষেপ কৰে।

(১৮) যি ভিক্ষুৱে মৈত্ৰী ভাৱেৰে বাস কৰে (অথবা যিজনে মৈত্ৰী ভাৱত আনন্দ লাভ কৰে), বুদ্ধ শাসনত প্ৰসন্ন হয়, তেওঁৰ সংস্কাৰ সমূহ উপশম হয় আৰু তেওঁ শান্ত সুখ লাভ কৰে।

ইংৰাজী অনুবাদ :-

1. People praise vigilance (or thoughtfulness) thoughtlessness is always blameworthy.
2. Do not follow mean religion, you should not live in

association with thoughtlessness, you should not have liking for Mithyadristi (false doctrine), do not be too prominant among people.

3. He who was forme ly thoughtless and became thougtful afterwards, illumines this world like the sun free from clouds

4. Be an 'arhat' (worthy), Cross over (the worldly desires), associate yourself with the doctrine of Buddhism. (Thus) shake off the soldiers of death, like a house of reeds thrown away by an elephant.

5 O bhikku, be vigilant, be the possessor of good memory, be of good character control your wishes (or, thoughts) and protect your mind (or, protect your nature which is controlled and has determination.)

6. One who accepts this religion, moves about with vigilance ; brings an end to sorrow by becoming free from the cycle of birth and life.

7. Then, I say to you, who are assembled here, hail to you, be devoted to vigilance, know well the honest religion.

8. Be. devoted to religion by discarding thoughtlessness, for the realisation of the unattainable devote yourself to honest religion.

9. One should not overvalue one's own gains, nor be jealous of other's (gains). The bhikkhu who is desirous of other's gain is unable to attain tranquillity (or the state of deep contemplation).

10. The bhikkhu who does not overvalue his gain, though little, such a person, who has a clean living and is alert, is praised even by the Gods.

11. The bhikkhu who takes pleasure in carnal desire, who is devoted to desire, who always thinks of

desire (pleasure), who follows desire, moves away from honest religion.

12. The bhikkhu who takes pleasure in dharma, who is devoted to dharma, who follows dharma, never slips away from dharma (religion i.e. Buddhism).

13-14. Not only by good conduct nor even by much of knowledge, nor by attaining meditative calm, even by sleeping solitarily, have we reached the happiness of release unattainable for the common people, (by thinking so) O bhikkhu, do not trust yourself until the destruction of defilement. (or, O bhikkhu do not trust yourself until the destruction of sins, by thinking 'we have attained unattainable happiness'.)

15. One is not bhikkhu simply because he begs alms from others. One can not be a (or, is not a) bhikkhu until one accepts the whole law.

16. One whose sins are purged, who leads a pure life, who is an adhearent of brahmacarya (or, who is chaste, he who moves in this world by knowing well (or, by acquring sound knowledge), he is called a bhikkhu (mendicant).

17. The bhikkhu who lives in friendliness (or, who is pleased in the state of friendliness), who is happy with the doctrine of Buddha, throws away the evil as the wind throws away the leaves of the tree.

18. The bhikkhu who lives in friendliness (or, who is pleased in friendliness), who is pleased with the doctrine of Buddha, his bodily existance comes to rest and he attains calm happiness.

শব্দাবলীর টীকা:

বণ্ণেতি—O. I. A. বর্ণয়তি (পদের মাঝের 'র' লোপ হয়েছে । ণ > ণ)
প্রশংসা করে, praises.

গৰহিতু—O. I. A. গৰ্হিতঃ (ৰ্হ > ৰহ, স্বৰভক্তি ; অন্ত্য ঃ > উ)
নিন্দিত, blameworthy

শদ—O. I. A. সদা (স > শ ; অন্ত্য আ > অ)
সদায়, always

শেৱ'অ—সম্ভৱতঃ O. I. A. সেৱয়েৎ > সেৱেত > শেৱেঅ > শেৱ'অ
(স > শ, স্বৰমধ্যস্থ 'ত' লোপ হৈছে)
সেৱা কৰা (বা গ্ৰহণ কৰা) উচিত one should adopt (or serve)

শৱসি—O. I. A. সম্বসেৎ > সংৱসেৎ (স > শ ; 'ং' লোপ হৈছে : অন্ত্য 'ৎ' লোপ হৈছে ; এ > ই)
সঙ্গত থকা উচিত, one should associate

মিছদিঠি—O. I. A. মিথ্যাদৃষ্টি (থ্য > চ্ছ ; আ > অ ; ঋ > ই , ষ্ট > ট্ঠ > ঠ) মিথ্যা দৃষ্টি, false doctrine

ৰোয়'অ—O. I. A ৰোচয়েৎ (চ লোপ হৈ তাৰ ঠাইত 'য়' হৈছে। অন্ত্য 'ৎ' লোপ হৈছে) ৰুচি হোৱা উচিত, one shold have liking for

হি'অ—O. I. A. স্যাৎ (স্য > হিয়, স্বৰভক্তি ; অন্ত্য 'ৎ' লোপ হৈছে)
হোৱা উচিত, should be

ন ৰোয়' অ—ৰুচি হোৱা অনুচিত।

ন হি'অ—হোৱা অনুচিত

লোক-বঢ়াণো—O.I. A. লোক বৰ্দ্ধনঃ (র্দ্ধ > ঢ় ; ঃ > ও)
মানুহৰ মাজত চকুত পৰা, আনতকৈ উচ্চতৰ হোৱা,
to be prominant among people

হু—O. I. A. তু, আকৌ, কিন্তু, again, but

পুবি—O. I. A. পূৰ্ব্বে (ৰ্ব > ব্ব > ব : দীৰ্ঘ ঊ > উ § 67, এ > ই)
আগতে, formerly

প্ৰমজতি—O. I. A. প্ৰমাদ্যতি (দ্য > জ্জ, তালব্যীভৱন জ্জ > জ ; আ > অ, § 67)
লিপ্ত হোৱা, involved.

পছ—O. I. A. পশ্চাৎ (শ্চ > চ্ছ > ছ ; 'ৎ' লোপ ; আ > অ)
পিছত, afterwards

ওহাশেই—O. I. A অৱভাসয়তি (অৱ > ও ; ভ > হ , স > শ ; অয় > এ ; ত > ই) পোহৰ কৰে, ilumines

অত—O. I. A. অত্রাৎ (ত্র > ত্ত > ত; 'ৎ' লোপ; আ > অ)
মুত্তো—O. I. A. মুক্তঃ (ক্ত > ত্ত > ত ; ঃ > ও) মুক্ত, free
সুবি'উ—O. I. A. স্বর্গ্যাঃ (র্গ্যা > বিঅ, স্বরভক্তি ;
উ > উ > ; ঃ > উ)
অরহথ—O. I. A. অর্হৎ (র্হ > রহ স্বরভক্তি ; অরহ + লোট্থ = অরহথ
(তুমি) অর্হত হোৱা, উপযুক্ত হোৱা be deserving
নিখমথ—O. I. A. নিষ্ক্রাম (ষ্ক্র > ক্ক > ক্খ > খ ; আ > অ)
নিখম + লোট্থ = নিখমথ > নিখমথ) অতিক্রম কৰা, cross over
ধুণথ— দূৰলৈ নিক্ষেপ কৰা, shake off, throw off
মচুনো—O. I. A. মৃত্যোঃ (ত্য > চ্চ > চ, তালব্যীভৱন, ঋ > অ)
মচু + ষষ্ঠী একবচন — নো মৃত্যুৰ, of death
সেন— O. I. A সেনা (ন > ন ; আ > অ)
নড়ঘৰ—নল খাগৰীৰ ঘৰ, a house of reeds
কুঞ্জৰ—O. I. A. কুঞ্জরঃ (ঞ্জ > ঞ্জ, ঞ্জ > ঞ্জ) হাতী, elephant
সতিমত—.O. I. A. স্মৃতিমন্তঃ (স্ম > স ; ঋ > অ ; ন্ত > ন্ত > ত > ত)
স্মৃতিমন্ত, possessor of good memory
হোহ্— O I. A. ভবতু (অব > ও ; ত > হ) হোৱা, be
ভিক্খবে—হে ভিক্ষুসকল, O bhikkhu
সংকপ— O. I. A. সংকল্পাঃ (স > স ; ল্প > প্প > প ;
ল্প > প্প > প ; আ > অ ; বিসর্গ লোপ হৈছে)
সংকল্প, wishes, thoughts, determination
সুসমহিত—O. I. A. সুসমাহিত (স > স, আ > অ, ত > ত)
Controlled, calm
সচিত—O. I. A. সংচিত্তম্ বা স্বচিত্তম্ (স > স, 'ং' লোপ হৈছে ;
ত্ত > ত ; অন্ত্য 'ম' লোপ হৈছে।)
সংচিত্ত বা নিজৰ চিত্ত, good nature or own mind.
অনুৰখথ—O. I. A. অনুৰক্ষ (ক্ষ > খ)
অনুৰখ + লোট্ থ = অনুৰখথ > অনুৰখথ
ইমস—O. I. A. অস্য (M. I. A. ইমস্স)
ইয়াৰ, of this
লিপ'ই—গ্ৰহণ কৰি, by accepting
লিখিতি—সম্ভৱতঃ O. I. A. লিখিতি > লিখিতি

বিচৰণ কৰে, moves

(যাইবা বিকসতি, বিকশিত হয়, blooms)

প্রহ'ই—O. I. A. প্রহায়, এৰি, মুক্ত হৈ,

leaving, becoming free

জাতি সংসাৰ—O. I. A. জাতি-সংসাৰম্

continuity of births, cycle of birth and death

দুখন্তম—O. I. A. দুঃখস্যান্তম্ (বিসর্গ লোপ হৈছে ; স্য > স্স > স, আ > অ

ন্ত > ং, ত > ন্ত > দ ; অন্ত্য ম্ লোপ হৈছে)

দুখৰ অন্ত, end of sorrow

কৰিষদি—O. I. A. কৰিষ্যতি

কৰিব, will do

বদমি—O. I. A. বদামি (আ > অ)

মই কওঁ, I say

ভদ্রং বঃ—ভদ্রম্ বঃ, মঙ্গল হওক (স্বাগতম)

hail to you

যবন্তেথ—O. I. A. যাবৎ অত্র (অত্র > M. I. A. এথ > এথ)

সমকদ—O. I. A. সমাগত (স > শ, গ > ক, ত > দ)

যবন্তেথ সমকদ—যি সকল ইয়াত সমাগত হৈছে, those who are

assembled here

ভোথ—O. I. A. ভৱথ (অৱ > ও, থ > থ)

হোৱা, be

অপ্রমদ বহ ভোথ—তুমি অপ্রমাদত ৰত হোৱা,

be devoted to vigilance

সধমি—O. I. A. সদ্ধর্মে (স > শ, দ্ধ > দ্ধ > ধ, এ > ই)

সৎ ধর্মত, in honest religion

সুপ্রবেদিতি—O. I. A. সুপ্রবেদিতে (ত > দ, এ > ই)

ভালদৰে জানি লোৱা, to know well

পলিবজেতি—O. I. A. পৰিবর্জ্জয়িত্বা (র্জ > জ্জ > জ, অয় > এ, ক্ত্বা

প্রত্যয়ৰ ঠাইত 'তি' হৈছে)

এৰি, by leaving (discarding)

যোগ-ক্ষেমম—O. I. A. যোগ-ক্ষেমস্য (গ > ক, স্য > স্স > স > ম)

দুর্লভ বস্তু লাভ কৰা, to be able to attain the un-

attainable and to retain it

প্ৰত'অ—O. I. A. প্ৰাপ্তয়ে, পাবলৈ, for the realisation of

অলব্হ—O. I. A. স্বলাভম্ (স্ব > স > অ, ভ > ব্হ, : > উ)

২য়া একবচনৰ ঠাইত ১মা একবচন হোৱা কাৰণে

স্বলাভম্ > স্বলাভঃ > অলব্হ

নিজৰ লাভ, gain of one's own

নদিমঞে'অ—O. I. A. নাতিমন্যেত (আ > অ, ত > দ, ন্য > ঞ্ঞ > ঞ,

ত লোপ হৈ 'অ' হৈছে)

বেছি মূল্য দিয়া অনুচিত, one should not overvalue

নঞেষ – O. I. A. নান্যেষাম্ (আ > অ, ন্য > ঞ্ঞ > ঞ, ম্ লোপ হৈছে)

আনৰ নহয়, not of others

পিহ'ও—O. I. A. স্পৃহয়ন্ (স্প > প, য > ই, অন্ত্য ন্ লোপ হৈছে)

স্পৃহা, coveting, jealous

সমধি—O. I. A সমাধি, tranquillity

নধিগছদি - O. I. A. ন অধিগচ্ছতি (নাধিগচ্ছতি)

গ > ধ ; আ > অ ; চ্ছ > ছ ; ত > দ)

লাভ কৰিব নোৱাৰে, নেপায

does not attain, does not get

হু— O. I. A. খলু (খলু > খু > হু > হু) বাস্তৱিকতে, indeed

শুধজিব—O. I. A. শুদ্ধাজীবম্ (দ্ধ > ধ ; ঈ > ই অন্ত্য 'ম্' লোপ হৈছে)

পৱিত্ৰ জীৱিকাযুক্ত, clean leaving, having a clean livelihood

কমৰতু—কামনাত আনন্দ লাভ কৰা

one who takes pleasure in carnal desire

কমৰহু—কামনাত ৰত, devoted to desire

অণুবিচিন্ত'ও—O. I. A. অনুবিচিন্তয়ং (ন > ণ > ণ ; য > ও ;

অন্ত্য 'ং' লোপ হৈছে।

চিন্তা কৰা, to think

অণুৰবো—O. I. A. অনুস্মরং (ন > ণ অনুসৰণ কৰা, to follow

সধৰ্ম—O. I. A. স্বধৰ্মাৎ (বা সদ্ধৰ্মাৎ)

(স্ব > স > অ ; ৰ্ম > ৰ্ম ; অন্ত্য 'ৎ' লোপ হৈছে ; আ > অ)

নিজৰ ধৰ্মৰ পৰা, (সৎ ধৰ্মৰ পৰা), from one's own

religion, (good religion)

পবিহয়বি—বিচ্যুত, অপসৃত হোবা to move away

শিল-বৰ—O. I. A. শীলব্রত, one who practises good conduct
(or O. I. A. শীলবন্ত, one possessing good conduct)

মত্রেণ—O. I. A. মাত্রেণ (আ > অ)

শিল-বৰ-মত্রেণ কেৱল শীলব্রত হোৱাৰ দাৰা, only by practising good c nduct, only being possessed of good conduct

বহো-যুকেণ—O.I.A. বহু-ঔৎসুক্যেণ (ঔ > ও ; উ+ও=ও; স > য ; ক্য > ক > ক) বহু জ্ঞানেৰে, by much knowledge

মপি—O. I. A. মমাকু, তথাপি, even

সমধি-লভেণ—O. I. A. সমাধি লাভেণ । সমাধি লাভৰ দাৰা, by attaining meditative calm

বিৱিত-শয়ণেণ—O. I. A. বিৱিক্ত-শয়নেণ (ক্ত > ত্ত > ত) নির্জন শয়নৰ দাৰা, by sleeping solitarily

ফুষমু—O. I, A. স্পৃশামঃ (স্প > প্‌ফ > ফ ; ঋ > উ ; শ > ষ ; আ > অ ; ঃ > উ) আমি স্পর্শ কৰিছো, আমি পাইছো, we have touched, we have reached

নেখম-সুখু—O. I. A. নৈষ্কর্ম্য সুখম্ (ঐ > এ ; ষ > ক্‌খ > ; র্ম্য > ম্ম > ম ; অন্ত্য 'ম্' লোপ হৈছে) বন্ধনহীন সুখ, happiness of release

অপ্রথ জন—O. I. A. অপৃথক্ জন (পৃ > প্র ; থ > থ, ঘোষীভৱন ; ক্ লোপ হৈছে, সাধাৰণ মানুহ common people

সেৱিব—O. I. A. সেৱিত (ন > ব ; ত > ব, ঘোষীভৱন)

অপ্রথ জন সেৱিব—সাধাৰণ লোকে ভোগ কৰা (সর্ব্ব সাধাৰণৰ দুর্লভ— এনে অর্থহে প্ৰকাশ কৰিছে) used (or, enjoyed) by the common people (in the sense of— 'unattainable for the common man')

অসৱ ক্ষয়ে—O. I. A. আসৱ ক্ষয়ম্ (আ > অ ; অন্ত্য 'ম' লোপ হৈছে) কলুষ বা পাপ ক্ষয় destruction of sin

বিশ্‌পষম্—O. I. A বিশ্বাসম্ (শ্ব > শ্‌প ; স > ষ)
বিশ্বাস, trust

বিশ্‌পষম্ ন পদি—বিশ্বাসযোগ্য নহয়, not trustworthy

অপ্ৰত্তে—O. I. A. অপ্রাপ্তঃ (প্ত > ত্ত, সমীভৱন > ত্ত, বিসর্গ হৈছে

'এ' হৈছে ।)

প্ৰাপ্ত নোহোৱাকৈ, নোপোৱাকৈ, not having obtained

তৱৰ—O. I A. তাৱৎ (আ > অ, ৎ > ত > ৰ)

তেতিয়ালৈকে, till then

যৱৰ—O. I. A. যাৱৎ, যেতিয়ালৈ, as long as

বিশ্‌প—O. I. A. বিশ্বক (Visvak) সকলোফালে, সম্পূৰ্ণভাৱে

on all sides, completely, the whole law *

অসৰ'ই—O. I. A. সমাদায় (স > অ, আ > অ) ল্যপ্ প্ৰত্যয়ৰ ঠাইত —ই যোগ হৈছে ।

গ্ৰহণ কৰি, by accepting

বহেত্তি—O. I. A. বাহয়িত্বা, (ক্ত্বাচ্ প্ৰত্যয়ৰ ঠাইত ত্বা > ত্তা > ত্তি)

খেদাই দি, প্ৰক্ষালন কৰি, having been purged of

পৰণ—O. I. A. পাপানাম্ (আ > অ, ন > ণ, মধ্যস্থ প > ৰ)

পাপসমূহৰ, of the sins

বৰৱ—O. I. A. ব্ৰতবান্ (আদিস্থানৰ ব্ৰ > ব, § 30 ত > ৰ, ঘোষীভৱন ; আ > অ, অন্ত্য ন্ লোপ হৈছে)

শুদ্ধাচাৰী, one who leads a pure life

ব্ৰহ্ম-চিৰৱ—O. I. A. ব্ৰহ্মচৰ্য্যবান্ (হ্ম > ম, চৰ্য্য > চৰিয়, স্বৰভক্তি > চৰ্‌- চিয় > চিৰ, আ > অ, অন্ত্য ন্ লোপ হৈছে)

পবিত্ৰ জীৱন-যাপন কৰোতা,

one who leads a chaste life

সগই—O. I. A. সংখ্যায় (মধ্যস্থানৰ 'ং' লোপ হৈছে, খ্য > ক্খ > খ > ঘ, ঘোষীভৱন, ঘ > গ, অল্পপ্ৰাণীভৱন) ল্যপ প্ৰত্যয়ৰ ঠাইত 'ই' হৈছে ।

ভালদৰে জানি, having understood

বুচ্চতি—O. I. A. উচ্যতে (উ > বু, চ্য > চ্চ > চ, ত > ৰ, আত্মনেপদৰ ঠাইত পৰস্মৈপদ হৈছে)

কোৱা হয়, is called

চৰতি—O. I. A. চৰতি

বিচৰণ কৰে, moves about

মেত্ত বিহৰি—মৈত্ৰী ভাৱেৰে বাস কৰে, বন্ধুত্বত আনন্দিত হয়,

lives in friendliness, pleased in the state of friendliness

পসণ্ণু—O. I. A. প্ৰসন্নঃ (ন্ন 7 ণ্ণ, বিসৰ্গৰ ঠাইত 'উ' হৈছে)
আনন্দিত, happy

বুধ-শশণে—বৌদ্ধধৰ্মৰ আচাৰ-নীতি, doctrine of the Buddha

ধুণদি—O. I. A. ধুনোতি (ধ 7 দ, অল্পপ্ৰাণীভৱন, ত 7 দ, ঘোষীভৱন)
দলিয়াই দিয়ে, shakes off, throws off

পৱক—O. I. A. পাপকম্ (স্বৰমধ্যস্থ প 7 ৱ, অন্ত্য 'ম্' লোপ হৈছে ।)
পাপ, sin

মহুক—O, I. A. মাৰুতঃ (আ 7 অ, অন্ত্য বিসৰ্গৰ ঠাইত উ, ত > দ)
মাৰুতঃ > মৰুদু > মহুক, বৰ্ণ-বিপৰ্যয়)
বতাহ, wind

পড়িবি'ন্ধু—সম্ভৱতঃ O. I. A. 'প্ৰতিবিম্বন্' শব্দৰ পৰা সৃষ্টি হৈছে । (আদি-স্থানৰ প্ৰ > প, § 30, ত 7 ড়, মূৰ্দ্ধণ্যীভৱন, ম্ব > ম্ভ > ন্ভ > ন্ধু)
লাভ কৰি, by gaining

শদ—O. I. A. শান্তম্ (আ > অ, ন > ং, ত > দ, অন্ত্য 'ম্' লোপ হৈছে)
শান্ত, quiet

জগ'ৱৰো শমু—O. I. A. সংস্কাৰোপশমম্ (স > জ, অনুস্বাৰ লোপ হৈছে, প > ৱ, অন্ত্য 'ম্' লোপ হৈছে, স্ক > স্খ > খ > ঘ, ঘোষীভৱন ঘ > গ, অল্পপ্ৰাণীভৱন)
জগৰোৱশমু > জগৱৰোশমু, বৰ্ণ-বিপৰ্যয়, জন্ম-মৃত্যুৰ চক্ৰৰ পৰা মুক্তি. discontinuation of attributes, discontinuation of the cycle of birth and death

সুহ—O. I. A. সুখম্ (খ > হ, ম্ লোপ হৈছে)
সুখ, happiness

মহাৰাষ্ট্ৰী প্ৰাকৃত সাহিত্য

গাহা সত্তসঈ

অন্ধ্ৰদেশৰ সাতবাহন বংশীয় এজন ৰজাৰ নাম আছিল হাল । গাহা

সত্তসঈ (গাথা সপ্তশতী) নামৰ বিখ্যাত কাব্য সংকলন খনৰ সংগ্ৰাহক এওঁৱেই আছিল। এওঁৰ ৰাজত্বকাল সম্বন্ধে সঠিককৈ জনা নেযায়। গাহা সত্তসঈ – কাব্য কোষখন খ্ৰীষ্টীয় ১ম শতিকাৰ পৰা ৭ম শতিকাৰ ভিতৰত ৰচিত বুলি পণ্ডিত সকলে অনুমান কৰে। এই গ্ৰন্থখনিত নৃপতি হালৰ কবিতাৰ উপৰি প্ৰৱৰসেন, গুণাঢ্য, মিত্ৰজ আদি প্ৰাকৃত ভাষাৰ বহুতো প্ৰখ্যাত কবিৰ কবিতা আছে। মূল পুথিখনত সাত শ কবিতা আছিল। সেই বাবেই পুথিখনৰ নাম গাহা সত্তসঈ বা গাথা সপ্তশতী। ইয়াৰ গাথা বা কবিতাবোৰ মহাৰাষ্ট্ৰী প্ৰাকৃত ভাষাত আৰ্য্যা ছন্দত ৰচিত। মাজে মাজে অপভ্ৰংশৰ প্ৰভাৱো কিছু দেখা যায়। উপমা, ৰূপক আদি অলঙ্কাৰ শোভিত, ধ্বনি প্ৰধান এই কাব্য সংকলনখন প্ৰাকৃত ভাষাৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলিব পাৰি। ইয়াৰ প্ৰায় ভাগ কবিতাই শৃঙ্গাৰ ৰসাত্মক। তাৰে কেইটিমান ইয়াত দিয়া হৈছে।

মূল পাঠ : -

(১) সহি ঈৰিসি চ্চিঅ গঈ মা ৰুব্বসু তংসৱলিঅমুহঅন্দং,
এআণং ৱালৱালুঙ্কিতন্তুকুড়িলাণং পেম্মাণং।

(২) ৰন্ধণকম্মণিউণিএ মা জূৰসু ৰত্তপাড়লসুঅন্ধং
মুহ মাৰুঅং পিঅন্তো ধুমাই সিহী ণ পজ্জলই।

(৩) অম্মঅম্মঅ গঅণসেহৰ ৰঅণিমুহতিলঅ চন্দ দে ছিবসু
ছিত্তো জেহিং পিঅঅমো মমং পি তেহিং চ্চিঅ কৰেহিং।

(৪) পিঅবিৰহো অপ্পিঅদংসণং অ গৰুআইং দো বি দুক্খাইং।
জিএং তুমং কাৰিজ্জসি তিয়েং ণমো আহিজাইএ।

(৫) দিট্ঠা চূআ অগ্ঘাইআ সুৰা দক্খিণাণিলো সহিও
কজ্জাইং চ্চিঅ গৰুআইং মামি কো ৱল্লহো কস্স।

(৬) অজ্জ মএ তেণ বিণা অণুহূঅসুহাইং সংভৰন্তীএ
অহিণৱমেহাণং ৰৱো ণিসামিও ৱজ্ঝপড়হো ৱ।

(৭) আৱণ্ণঅস্স থুঅং লচ্ছী মৰণং ৱা হোই পুৰিসস্স
তং মৰণং অণাৰম্ভে ৱি হোই লচ্ছী উণ ণ হোই।

(৮) বিৰহাণলো সহিজ্জই আসাবন্ধেণ ৱল্লহজণস্স
একগ্গামপৱাসো মাএ মৰণং বিসেসেই।

(৯) কইঅৱৰহিঅং পেম্মং ণত্থি চ্চিঅ মামি মাণুসে লোএ
অহ হোই কস্স বিৰহো বিৰহে হোন্তম্মি কো জীঅই।

(১০) বআং অচ্ছিসু ঠিমং কবিসো অজেসু অস্পিআং কমে
তিঅআং ভিঅএ গিভিআং রিগুইআং কিং ইহ জেক্কেণ।

(১১) পাসাসক্তী কাও গেচ্ছই ভিন্নং পি পহিঅবৰণীএ
ওঅস্তুকবঅলোগ্ পলিঅ বলজ মজ ঝট্‌ঠিআং পিওং।

(১২) অজ্জং গওত্তি অজ্জং গওত্তি অজ্জং গওত্তি গণবিএ
পধমে (পহমে) ক্কিঅ দিঅহচ্ছে কুড় ড়ো বেহাইং চিত্তলিও।

(১৩) পুট্‌ঠিং পুসসু কিসোঅরি পড়োতবক্কোল্লপত্তচিত্তলিআং
ছেআঅিং দিঅবজ্জাআিং উজ্জুএ ম কলিজ্জিহিসি।

(১৪) দিঢবোসকলুসিঅস্স বি সুঅণস্স মুহাহিং বিপ্পিঅং কত্তো
রাহুমুহম্মি বি সসিণো কিরণা অমঅং চ্চিঅ মুঅন্তি।

(১৫) সুইজ্জই হেমন্তম্মি দুগ্‌গও পুপ্‌ফুআসুঅন্ধেণ
ধূমকবিলেণ পবিরলতন্তুণা জুণ্ণবড়এণ।

(১৬) রসসম্মি অণুক্কিগগা বিহবম্মি অগব্বিআ ভএ ধীরা
হোন্তি অভিণ্ণসহাবা সমেসু বিসমেসু সপ্পুরিসা।

(১৭) মরগঅ সূইবিদ্ধং ব মোত্তিঅং পিঅই আঅঅগ্গিবো
মোরো পাউসআলে তণগ্গলগ্গং উঅঅবিন্দুং।

(১৮) সুমহ ভইও বি গও আমো ত্তি সহিও কীস মং ভমহ
সেহিলিআমং গন্ধো ণ দেই সোত্তুং সুঅহ তুম্হে।

(১৯) চাবো সহাবসবলং বিচ্ছিবই সরং গুণম্মি বি পড়ন্তং
বঙ্কস্স উজ্জুঅস্স-অ সম্বন্ধো কিং চিরং হোই।

(২০) কথ গআং রইবিম্বং কথ পণট্‌ঠাও চন্দতারাও
গঅণে বলাঅপন্তিং কালো হোরং ব কট্‌ঠেই।

(২১) অই ডমসি ডমদূ এমেঅ কণ্‌ হ সোহগ্গ-গব্বিবো পোট্‌টে
মহিলাণং দোসগুণে বিআরইউং অই থমো সি।

(২২) তুহ-দংসণে সঅণ্হা সদ্দং সউণ পিগ্গঅ ভাইং
তুই বোলীণে ভাইং পআহিং মোড়ক্কিঅ জাআ।

(২৩) অং অং পলোএমি দিসং পুরও লিহিঅ ব্ব দীসসে তত্তো
তুহ পড়িমা-পড়িবাড়িং বহই ব্ব সঅলং দিসাঅক্কং।

(২৪) পঙ্কমইলেণ ছীরেক্কপাইণা দিন্ন জাণু বড়এণ
আণন্দিজ্জই হলিঅ পুত্তেণ ব সালিছেত্তেণ।

(২৫) রাআই কিং ভণিজ্জউ কেত্তিঅমেত্তং ব লিক্‌খএ লেহে
তুহ বিরহে জং দুক্‌খং তস্স তুমং চেঅ গহিঅত্থো

(২৬) ছুস্নিক্‌খিঅ ৰঅণ পৰিক্‌থএহিং খিচ্চৈঠৌ সি পথৰে তাৰ
জা তিলমেস্তং ৰচ্চৈটাসি মৰগঅ কা তুজ্‌ৰ মুল্লবৰা।

(২৭) কমলং মুঅস্ত মহঅৰ পক কোইখাণং গঙ্ক লোহেণ
আকেকৃথলচ্চঅং পামৰো ৰ্‌ৰ ছিৰিউণ জাণিহিসি।

(২৮) পিচ্চন্তে মজলগাইআহিং ৰৰগোত্ত দিন্ন অন্নাএ
সোউং ৰ পিপ্‌গও উহ ৰোস্তৰৰআএ ৰোমকো।

(২৯) জং জং আলিহই মণো আসাৱট্টিহিং হিঅৰকলমসি
তং তং ৰালো-ব্‌ৰ ৱিহি পিহুঅং হসিউণ পমুহৃসই।

(৩০) সিক্কৰপক্কঅসচ্ছণাইং ধুত্তক্কলপুক্কসৰিসাইং
সোহন্তি সুঅণু মুকোত্তআইং সৱএ পিঅৰত্তাইং।

(৩১) মকহ্মে পঅণুঅপক্কং অৰহোৱাসেস্ন সাণাচখিন্নং
গামস্ন সিম সিমন্তঅং ৰ ৰচ্চাযুহং জাঅং।

অসমীয়া অনুবাদ :—

(১) হে সখী, তোমাৰ মুখচন্দ্ৰ তীৰ্য্যক আৰু বলিত কৰি (একাতি কৰি আৰু বিকৃত কৰি) নেকাণ্ডিবা। প্ৰেমৰ গতি এনেকুৱাই— কোমল তিৰ্হৰ খাঁহৰ দৰে কুটিল।

(২) হে বচন কৰ্ম-নিপুণা, খং নকৰিবা, ৰক্ত পাটল ফুলৰ দৰে সুগন্ধযুক্ত তোমাৰ মুখৰ বতাহ পান কৰি ভ্ৰমৰ নিশাই খোৱাই আছে, অলি উঠা নাই।

(৩) হে অমৃতময়, গগণৰ শিখৰ স্বৰূপ, ৰমণীৰ মুখৰ তিলক-স্বৰূপ চন্দ্ৰ, যি কৰৰ (ৰশ্মিৰ) দ্বাৰা তুমি মোৰ প্ৰিয়তমক স্পৰ্শ কৰিছা তাৰ দ্বাৰা মোকো স্পৰ্শ কৰা।

(৪) প্ৰিয় বিৰহ আৰু অপ্ৰিয় দৰ্শন— দুয়োটাই অতি দুখকৰ। যি আভি-জাত্যৰ দ্বাৰা তুমি কাম কৰা তাক নমস্কাৰ।

(৫) আমৰ মল (মুকুল) দেখা গৈছে সুবাস লোভ পোৱা গৈছে, দখিনা বতাহো সহ্য কৰা হৈছে (সহ্য কৰিছো), এই আটাইবোৰ কামেই ভয়ঙ্কৰ (দুখকৰ), হে মামী, কোন কাৰ প্ৰিয়জন? (বসন্ত কালত প্ৰিয়জনৰ বিৰহ সহ্য কৰিবলগীয়া হোৱাত প্ৰিয়জনৰ প্ৰেমৰ গভীৰতা সম্বন্ধে প্ৰেমিকাই সন্দেহ প্ৰকাশ কৰিছে)।

(৬) তেওঁৰ অবিহনে আজি মোৰ পূৰ্ব-অনুভূত সুখ সমূহৰ কথা মনত পৰিছে।

নতুন মেঘৰ গাজনি মোৰ সমস্ত বধ্য-পটহ (ঢোল) যেন লাগিছে (শুনিছো)।

(৭) কোনো কাম আৰম্ভ কৰিলে নিশ্চয় লক্ষ্মী লাভ হয়, নাইবা (তেওঁৰ) মৰণ হয়। (কাম) আৰম্ভ নকৰিলেও মৰণ হয়, কিন্তু লক্ষ্মী লাভ নহয়। (অৰ্থাৎ কাম আৰম্ভ নকৰিলে লক্ষ্মী লাভ নহয়।)

(৮) প্ৰিয়জনৰ (মিলনৰ) আশাত বিৰহৰ অসহ সহ্য কৰিব পাৰি। (কিন্তু) একে গাঁৱতে থাকি যদি প্ৰবাস খাটিবলগীয়া হয়, তেনেহলে হে মাতৃ, সি মৰণকো চেৰ পেলাই যায়। (অৰ্থাৎ মৰণতকৈও বেছি দুখৰ হয়।)

(৯) হে স্বামী, মনুষ্যলোকত ছলনা ৰহিত প্ৰেম নাই, যদি থাকিলহেঁতেন কাৰ বিৰহ হ'লহেঁতেন, বিৰহ হ'লেও কোন জীয়াই থাকিলহেঁতেন ?

(১০) চকুত তেওঁৰ ৰূপ, অঙ্গত স্পৰ্শ, কাণত তেওঁৰ কথা আৰু হৃদয়ত হৃদয় নিহিত হৈ আছে। দৈৱই আমাৰ কিয় বিচ্ছেদ ঘটাইছে ?

(১১) পথিক-গৃহিণীয়ে দিছে যদিও (তেওঁৰ) হাতৰ তলুৱাত থকা খোৱাবস্তু-খিনি ওলমি পৰা থাকপাতৰ মাজত থকাৰ কাৰণে, বন্ধনৰ আশঙ্কা কৰা কাউৰীটোৱে সেইখিনি খাবলৈ ইচ্ছা কৰা নাই।

(১২) আজি গৈছে, আজি গৈছে, আজি গৈছে— বুলি গণি গণি (সখীয়ে) প্ৰথম দিনটোৰ আগভাগতেই বেৰখন ৰেখাৰে চিত্ৰিত কৰি পেলাইছে। (আঁক দি দি বেৰখন ভৰাই পেলাইছে)।

(১৩) হে কৃশোদৰী, বাৰীৰ পিছৰ 'অশোক' গছৰ পাতৰ ছিন্ন লাগি থকা তোমাৰ পিঠিখন মচি লোৱা, নহলে, হে সৰলা, তোমাৰ চতুৰ দেৱৰ আৰু জা সকলে সহজে ধৰিব পাৰিব।

(১৪) অতিমাত্ৰা ৰোষৰ দ্বাৰা কলুষিত হ'লেও সজ্জনৰ মুখৰ পৰা অপ্ৰিয় বাক্য ওলায় নে ? ৰাহুগ্ৰস্ত হ'লেও চন্দ্ৰৰ পৰা অমৃতময় কিৰণ হে বৰ্ষিত হয়।

(১৫) হেমন্ত কালত দুৰ্গত জনক, গোবৰ খুঁটিব লোকবৃন্দ, ধোঁৱাৰে কলীয়া বৰণৰ শতচ্ছিন্ন, পুৰণি কাপোৰৰ দ্বাৰা চিনিব পাৰি।

(১৬) সজ্জনলোক বিপদত অনুদ্বিগ্ন, সম্পদত অগৰ্ব্বিত, ভয়ত ধীৰ, সম আৰু বিষম অৱস্থাত অভিন্ন স্বভাৱ (অৰ্থাৎ স্থিৰচিত্তৰ) হৈ থাকে।

(১৭) বৰ্ষাকালত ময়ূৰে তৃণৰ আগত লাগি থকা পানীৰ কণিকাবোৰ ডিঙি মেলি মেলি পান কৰে। সেইবোৰ (পানীৰ কণিকাবোৰ) মৰকত মণিৰ বেজীৰে বিন্ধাই থোৱা মুকুতাৰ নিচিনা।

(১৮) হে সখীসকল, 'ৰাতিৰ তৃতীয় 'যাম' (প্ৰহৰ) অতিবাহিত হ'ল, শোৱা'— বুলি মোক কিয় কৈছা, সেৱালীৰ জুপাৰে মোক শুবলৈ নিদিয়ে, তোমালোক শোৱা।

(১৯) স্বভাৱতে সৰল ধনুৰ গুণত স্থাপন কৰিলেও শৰপাত দূৰলৈ নিক্ষিপ্ত হয় (অৰ্থাৎ ছিটিকি গৈ দূৰত পৰে), বেঁকা আৰু 'পোণ'ৰ সম্বন্ধ জানো চিৰস্থায়ী হয় ?

(২০) (হিমন্ত) সূৰ্য্যৰ ৰশ্মি কলৈ গ'ল (ৰাতি) চন্দ্ৰ-তৰাবোৰ ক'ত নষ্ট হ'ল ? কালে অৰ্থাৎ (বৰ্ষাকালে) গ্ৰহগণনাৰ ৰেখাৰ দৰে আকাশত বলাকা পংক্তি আঁকিছে ।

(২১) হে কৃষ্ণ, সৌভাগ্যত গৰ্ব্বিত হৈ তুমি যদি গোষ্ঠত অমাই-ৰমাই ঘূৰিব খোজা ঘূৰা ; তথাপি যদি তুমি মহিলাসকলৰ দোষ-গুণ বিচাৰ, কৰিব পাৰা । (অৰ্থাত ব্ৰজত গোপিনীসকলৰ লগত ঘূৰি ফুৰিলেও তেওঁ-লোকৰ মন পোৱা সহজ নহয় ।)

(২২) তোমাক দেখাৰ আশাত, (তোমাৰ) নাম শুনি সতৃষ্ণ হৈ, (তেওঁ) ওলাই আহিছিল ; তুমি গুচি যোৱাত তেওঁক সেই কেইবোল কঢ়িয়াই নিৰলগীয়া হ'ল ।

(২৩) যি যি দিশলৈ মই চাওঁ তাতেই তোমাৰ ছবি অঙ্কিত থকা যেন দেখা যায় (দেখোঁ), দিকচক্ৰই সকলো কালে যেন তোমাৰ প্ৰতিমা-পংক্তি (শাৰী শাৰী মূৰ্ত্তি বা ছবি) ধাৰণ কৰিছে । (অৰ্থাৎ, কেউদিশ যেন তোমাৰ মূৰ্ত্তি বা ছবিৰেই পূৰ্ণ হৈ আছে) ।

(২৪) বোকাৰে মলিয়ন, দুগ্ধপায়ী, আঠুকাঢ়ি ফুৰা পুত্ৰই পিতৃক আনন্দ দিয়ে তেনেকৈ বোকাৰে মলিয়ন, জলপায়ী শালি ধানবিলাকেও খেতিয়কক আনন্দ দিয়ে ।

(২৫) কথাৰে কিমানখিনি কব পাৰি, চিঠিতেই বা কিমানখিনি লিখিব পাৰি, তোমাৰ বিৰহৰ যি দুখ তাক তুমিয়ে বুজিব পাৰিবা ।

(২৬) হে মৰকত মণি, দুঃশিক্ষিত (বা মূৰ্খ) বস্তু পৰীক্ষকৰ দ্বাৰা শাণৰত ঘঁহণি খাই খাই তুমি তিলমাত্ৰ অৱশিষ্ট থাকিবালৈ, তোমাৰ মূল্য নিৰূপণ কৰা দূৰৰ কথা ।
(অৰ্থাৎ দুঃশিক্ষিত বস্তু পৰীক্ষকে মৰকত মণিৰ মূল্য নিৰূপণ কৰিবলৈ খুলি শাণৰত ঘঁহি ঘঁহি তাক তিলমান কৰি পেলালেও, তাৰ মূল্য নিৰূপণ কৰিব নোৱাৰে ।)

(২৭) হে মধুকৰ, পদ্মৰ ফুল ত্যাগ কৰি, পকা বেলৰ গোন্ধত আকৃষ্ট হৈছা, (কিন্তু) মূৰ্খৰবে হৰিত থকা লাক (খাবলৈ ইচ্ছা কৰি) স্পৰ্শ কৰিলেই বিহৰে গন্ধ পায়, সেইদৰে তুমিও বেলটো স্পৰ্শ কৰিলেই জানিব পাৰিবা (যে সেইটো খাব নোৱাৰি) ।

(২৮) চোৰা, মঙ্গল গায়িকা সকলে (আয়তী সকলে) বিয়া নাম গাওঁতে দৰাৰ গোত্ৰৰ নাম উল্লেখ কৰাত ভাবী বধূৱে কাণ পাতি শুনিছে, আৰু তেওঁৰ শৰীৰ ৰোমাঞ্চিত হৈছে, যেন শৰীৰৰ ৰোমবোৰেও (সেই নাম) শুনিবলৈ নিৰ্গত হৈছে ।

(২৯) আশাৰ তুলিকাৰে হৃদয়-ফলকত মনে যি আঁকে, সেইবোৰ বিধিয়ে এটা শিশুৰ দৰে হাঁহি হাঁহি মনে মনে মচি পেলায় ।

(৩০) সৈন্ধৱ পৰ্ব্বতৰ নিচিনা, কপোৱা তুলাৰাশিৰ সদৃশ, শৰৎকালৰ জলমুক্ত শুভ্ৰ মেঘৰ দৰে, সন্ধ্যায়েও শোভা কৰে ।

(৩১) মাজত অলপ বোকা আৰু দুয়োকাষে শুকান বোকাৰে গাঁৱৰ বাটটো দেখিবলৈ শিবৰ সেওঁতা যেন হৈছে ।

ইংৰাজী অনুবাদ :

1. O friend, do not cry, making your moonlike face askance and turned, the way of love is like this—Crooked like the thread (barb) of an immature cucumber,

2. O Girl, skilled in cooking. do not be irritated, the fire is smoking and is not flaming just to enjoy the sweet fragrant breath of your mouth, which is like a red patala flower.

3. O moon, you are full of nectar, you are the crown of the sky, you are the 'tilaka' on the face (forehead) of the night, please touch me with those hands (rays) of yours with which you have touched my lover.

4. Seperation from the thing liked and seeing of the thing disliked—both causes great sorrow. I salute your sense of good-breeding by whose inspiration you work.

5. The mango-shoots are seen, wine is smelled, the southern breeze also has been tolerated, all these acts are sorrowful (difficult to bear), (so) o aunt, who is the beloved of whom ?

6. To-day in his absence, the happiness enjoyed in the past has come to my mind ; the thundering sound of the new cloud (of early monsoon) has been heard by me like the drum-beat announcing somebody's execution

7. A man who initiates (h's work) will surely attain fortune, or he may die, Death comes even without initiating, but without initiation fortune never comes.

8. The fire of seperation from one's beloved can be endured with hope, but, o, mother, if one has to stay apart even living in the same place, the sorrow surpassess even death.

9. O aunt, there is no love devoid of duplicity in the world of human beings ; had it been there, who would have had pangs of seperation ? Even if there had been seperation, who would have lived ?

10. His image is in my eyes (in my vision), his touch is on my body, his words are in my ears. Why has Fate seperated us ?

11. The crow, afraid of a trap, is not quite willing to accept the lump of food, though offered by the wife of the traveller, because the lump of food is lying within the bangle of her lowered palm.

12. (He) has gone today, gone today, gone today—counting like this, my friend (or, the woman) has filled the wall with lines (or, scratches) in the first half of the day.

13. O lean-waisted woman, wipe off your back, scarred with scratches of the leaves of 'Ankolla' tree, which is near the kitchen garden. Otherwise, O simple girl, your brothers-in-law and their wives will find out (your secret).

14. Even in extreme anger, does a good man utter unpalatable words ? The rays of the moon though eclipsed radiates only nectar (i.e. nectar-like rays).

15. In the winter, the poverty of an unfortunate man is indicated by the ragged condition of his torn clothes with smell of dried cowdang and its greyish colour.

16. A good man (or, wise man) remains undisturbed in danger, is not proud at the time of prosperity, remains steady at the time of fear. His mind remains unchanged in conditions good and bad.

17. In the rainy season, the peacock drinks with stretched throat drops of water dangling from the ends of grass, which appear as pearls piereed with a needle of (green) emarald.

18. O friend, why are you pressing me with such words —'the third quarter of the night is also over, go, to sleep.' The fragrance of the 'Sephalika' flowers is not allowing me to sleep, so you go to sleep.

19. The arrow when placed on the bow-string which is straight by nature, is thrown away. Can the relationship between the 'bent' (crooked) and 'straight' (straightforward) be permanent ?

20. Where has the sunshine gone, where the moon and stars been destroyed ? Like the lines drawn by an astrologer, the season (rainy season) has drawn lines of clouds on the sky.

21. O krishna, being proud of your fortune, (or good luck) if you want to move aimlessly in the 'gostha', then do it ; thereby, judge, if you can, the good and bad qualities of the women (the Gopis).

22. With the hope of seeing you, she came out eagerly, a few steps, hearing your voice ; she had to be borne

back those few steps after your departure.

23. To whichever direction I gaze, I see your image as if drawn already, (It seems that) the horizon is bearing a series of your image.

24. As a suckling baby, defiled with mud and moving on all fours (Crawling) gives pleasure, so in the paddy field the sali paddies, full of mud, drinking only water, which are bent (with weight) gives delight to the cultivator.

25. How much can be related in words ? even in letter, how much can be written ? The grief, which is due to your absence is for your acceptance only (it is only you who can realise that grief).

26. O emareld, the ill-educated gem-testers will rub you on a stone until you turn into a sesamum seed — let alone your evaluation (they will not be able to evaluate you).

27. O bee, being attracted by the smell of the ripe 'Kapittha' (a kind of fruit), if you touch it leaving aside the lotus, you will come to know, (that it cannot be eaten) like a rustic fellow who touches (with the desire of eating) a 'laddu' drawn in a picture.

28 See, the prospective bride (would-be bride) is listening (is paying attention) to the family name of the bridegroom, mentioned by the girls while singing the marriage songs. The bride is thrilled and the hairs of her body have risen as if to hear it.

29. Fate, like a young child, has wiped off secretly and laughingly, all the images the mind had drawn on the tablet of heart with the brush of hope.

30. A good man, like the mountain of rock-salt, like a lump of thrashed cotton, like the white cloud of

antumn, free of water, shines (in this world).

31. The highway of the village, which has a little amount of mud at the middle and dry mud on both the sides, a·pears to be the line of parted hair on one's head.

শব্দাৱলীৰ টোকা :

ইৰিসি—O. I. A. ঈদৃশ (দৃ > ৰি ; শ> স) ইৰিস > ইৰিসি, স্বৰ সমীভৱন
এনেকুৱা, like this.

গই—O. I. A. গতি ('ত' লুপ্ত হৈছে) way, nature.

কৰ্ৰসু—O. I. A. কদিহি M. I. A. কৰ্ৰসু

মা কৰ্ৰসু—নেকান্দিবা do not cry.

তিৰিঅ—O. I. A. তির্য্যক (র্য্য > ৰিয় > ৰিঅ স্বৰভক্তি ; 'ক' লোপ হৈছে)
কাটি কৰি askance.

মুহ অন্দং—O. I. A. মুখচন্দ্রম্ (খ > হ ; 'চ' লোপ হৈছে ; ন্দ্র > ন্দ § 30 ; ম্ > ং)

বাল বালুকি—কোমল তিয়ঁহ
immature cucumber.

তন্তু—সূতা, thread.

ণিউণিএ—O. I. A. নিপুণিকা ('প', 'ক', লোপ হৈছে ; ন > ণ)
ণি উণিআ সম্বোধনত ণিউণিএ।
হে নিপুণিকা, O skilled girl

খূৰসু—বিৰক্ত হোৱা, to fret

মা খূৰসু—বিৰক্ত নহ'বা।

ৰত্ত—O. I. A. ৰক্ত (ক্ত > ত্ত, সমীভৱন) ৰঙা, red.

পাড়ল—O. I. A. পাটল (ট > ড়)
একপ্ৰকাৰ ফুল, name of a flower.

সুঅন্ধ—O. I. A. সুগন্ধম্ ('গ' লোপ হৈছে ;
'ম্' ৰ ঠাইত অনুস্বাৰ হৈছে) fragrarce

মাৰুঅং—O. I. A. মারুতম্ (ত > অ) বতাহ

মুহ মাৰুঅং—মুখৰ বতাহ, breath of the mouth.

পিঅন্তো—√পা+ অন্ত (শতৃ প্রত্যয়)
পান কৰি, drinking.

ধূমাই—O. I. A. ধূমায়তে (M. I. A ধূমাঅই > ধূমাই) ধোঁৱাইছে, (is) smoking.

সিহী—O. I. A. শিখিন্, শিখী (শ > স ; খ > হ ;) শিখা, flame

পজ্জলই—O. I. A. প্রজ্জলতি (প্র > প, § 30) ;
জ্ব > জ্জ, § 31 ; 'ত' লোপ হৈছে)

ন পজ্জলই—অজ্বলন, not flaming.

অময়ময়—O. I. A. অমৃতময় (ঋ > অ ; 'ত' লোপ হৈছে ; য > অ)
full of nectar.

গঅণসেহৰ—O. I. A. গগনশেখরঃ (গ > অ ; খ > হ ; ন > ণ ; শ > স)
আকাশৰ শিৰোভূষণ, Crown of the sky.

ৰঅণিমুহতিলঅ—ৰজনী মুখ-তিলক (জ > অ ; ন > ণ ; ঈ > ই ; খ > হ ;
ক > অ) ৰাতিৰ মুখৰ তিলক, a beauty spot in the face of the night.

ছিৱসু—O. I. A. ক্ষিপ (M. I. A. ছিব+সু, ক্ষ > ছ ; প > ব ,)
ক্ষিপ > ছিব+ লোট— সু বলিয়াই শিয়া, নিক্ষেপ কৰা,
(স্পর্শ কৰা,) throw, (touch)

ছিত্তো—O. I. A. ক্ষিপ্তঃ (ক্ষ > ছ ; সংস্কৃতত প্রাকৃতত শব্দৰ আদি স্থানত
যুক্তবর্ণ নথাকে বুলি ইয়াত সেই নিয়ম ৰক্ষা কৰা দেখা যায় ;
প্ত > ত্ত, সমীভৱন)
স্পর্শ কৰা হৈছে, (touched) thrown

জেহিং—O. I. A. যৈঃ (O. I. A. যৎ > য > জ ; অন্ত্য 'ৎ' লোপ হৈছে)
জ + আ বহুবচন —এহিং = জেহিং
যাৰ দ্বাৰা, by which

তেহিং—O. I. A. তৈঃ (O. I. A. তৎ > ত + আ বহুবচন —এহিং = তেহিং)
তাৰ দ্বাৰা, by that

কৰেহিং—কৰ + —এহিং,
ৰশ্মিৰ দ্বাৰা, with the moonbeam

অপ্পিঅ—O. I. A. অপ্রিয় (প্র > প্প, সমীভৱন ; য > অ)
the person or thing disliked

দুংসণং—O. I. A. দর্শনম্ (ৰ্ + শ > ং + স, ন > ণ, ম্ > ং)

the act of seeing

অপ্পিঅ দংসণং অ—O. I. A. অপ্রিয় দর্শনাঞ্চ

আৰু অপ্রিয় দর্শন, and the act of seeing the person or thing dislike1

গঅআইং—O. I. A. গুৰুকাণি (গু > গ, § 71 ; ক > অ, ণ > ং)

গঅঅ+আইং (মহাৰাষ্ট্ৰীত ১মা বহুবচনত –আইং বিভক্তি হয়)

গুৰুতৰ, too much

বেণ্ণি বি—O. I. A. দ্বৌ অপি (দ্ব > ব, § 30 ; প > ব, 'অ' স্বাসাঘাতৰ অভাৱত লোপ হৈছে ।)

দুয়োটাই, both

দুক্খাইং—O. I. A. দুঃখানি (দুঃখ > দুক্খ)

দুক্খ+১মা বহুবচন —আইং = দুক্খ'ইং

দুখবোৰ, sorrows

বেণ্ণি বি দুক্খাইং—দুয়োটাই দুখৰ,

both are causes of sorrow

জিএং—O. I. A. যৎ > জ

জ+৩য়া একবচন —এং = জিএং

যাৰ দ্বাৰা

তিএং—O. I. A. তৎ > ত

ত+৩য়া একবচন —এং = তিএং

(প্ৰাকৃতত জেহিং, তেহিং (পুংলিঙ্গত) আৰু জীএ তীএ

(স্ত্ৰীলিঙ্গত) হে শুদ্ধ ৰূপ ।)

আহি জাইএ—O. I. A. আভিজাত্যৈ (ভ > হ, ত > জ)

জাত্যৈ > জাতিঐ, স্বৰভক্তি > জাইএ (ঐ > এ)

আভিজাত্যক, good breeding

নমো আহি জাইএ—আভিজাত্যক নমস্কাৰ,

salute to the good breeding

দিট্ঠা—O. I. A. দৃষ্ট (ষ > ট ; ট > ট্ঠ) দিট্ঠ+ আ

দেখা পৈছে, is seen.

চূআ—O. I. A. চূত ('ত' লোপ হৈছে)

চূঅ+ আ= চূআ, আমগছ (আমৰ মল)

mango tree (mango blossoms.)

অগ্‌ঘাইআ—O. I. A. আঘ্রাত (সম্ভবতঃ 'আঘ্রাত' শব্দৰ পৰা আঘ্রাইত <অগ্‌ঘাইঅ) (আ > অ, § 67 ; ঘ্র > ঘ্‌ঘ > গ্‌ঘ সমীভৱন ; 'ত' লোপ হৈছে)

অগ্‌ঘাইঅ > অগ্‌ঘাইআ

গোন্ধ লোৱা হৈছে, has been smelt, smelled.

দক্‌খিণাণিলো -O. I. A. দক্ষিণানিলঃ (ক্ষ > ক্‌খ ; ন > ণ ; ঃ > ও)

দখিণা পৱন, মলয়া বতাহ southern breeze, Malaya breeze.

সহিও—O. I. A. সোঢ়ঃ (সম্ভবতঃ 'সহিতঃ শব্দৰ পৰা 'সহিও' হৈছে) ।

সহ্য কৰা হৈছে, has been tolerated'

কজ্জাইং—O. I. A. কৰ্য্যাণি (আ > অ, § 67 ;

র্য্য > র্জ > জ্জ, সমীভৱন ; ৰ > জ, ; আণি > আইং (১মা বহুবচন)

কামবোৰ, works, actions, acts

মামী—মামী বা সখী aunt (friend.)

বল্লহ—O. I. A. বল্লভ (ভ > হ) প্রিয়, beloved.

কস্স—O. I. A. কস্য (স্য > স্স, সমীভৱন) কাৰ, whose.

অণুহুঅ সুৰআইং—O I. A. অনুভূত সুৰতানি (ভ > হ ; 'ত' লোপ হৈছে)

সুৰঅ+ ১মা বহুবচন— আইং= সুৰআইং

পূর্ব্বে উপভোগ কৰা সুখ সমূহ

erotic pleasures enjoyed in the past.

সংভৰন্তীএ—O. I. A. সংস্মৰন্ত (স্ম > ম্ম > ম্ভ > ংভ)

সংভৰন্ত+ স্ত্রীপ্রত্যয়—ঈ, সংভৰন্তী+ ৬ষ্ঠী একবচন—এ= সংভৰন্তীএ

স্মৰণ কৰি থাকোতে, when I was remembering.

অহিণৱ মেহাণং--O. I. A. অভিনৱ মেঘানাম্ (ভ > হ ; ন > ণ ; ঘ > হ)

মেহ+ ৬ষ্ঠী বহুবচন ণং= মেহাণং

নতুন মেঘৰ, of the new cloud (of early monsoon cloud.)

ৰবো - O. I. A. ৰবঃ (ঃ > ও)

শব্দ, sound.

ণিসামিও—O. I. A. নিশামিতঃ (ন > ণ ; শ > স ,

বিসর্গৰ ঠাইত 'ও' ; 'ত' লোপ)

শুনা গৈছে, heard.

জঝ্‌ঝণ্ড়হো—O. I. A. ধ্যা— পট্টঃ (ধ্য > জ্‌ঝ তালব্যীভৱন ;

ট > ড় ; বিসর্গ > ও)

প্ৰাণদণ্ড ঘোষণা কৰিবলৈ বজোৱা ঢোল,
the drum beat announcing death sentence.

আৰম্ভসৃন—O. I. A. 'আৰম্ভমাণস্য'ৰ ঠাইত 'আৰম্ভস্য' হৈছে।
'শানচ্' প্ৰত্যয়ৰ ঠাইত 'শতৃ' হৈছে। আৰম্ভ+ ষষ্ঠী একবচন –স্য
(স্য > সস্= আৰম্ভসৃন)
আৰম্ভ কৰোতা জনৰ, of the person who starts or initiates some work

লচ্ছী—O. I. A. লক্ষ্মী (ক্ষ > ক্ষ > চ্ছ)

পুৰিসসৃন—O. I. A. পুৰুষস্য (উ > ই, § 71 ; স্য > স্‌স, সমীভৱন)
পুৰুষৰ, of the person.

অণাৰম্ভে—O. I. A. (ন+ আৰম্ভ) অনাৰম্ভ+ ৭মী একবচন—এ= অণাৰম্ভে
আৰম্ভ নকৰিলে, without starting.

উণ—O. I. A. পুনৰ্ (পু > উ ; ন > ণ ;
অন্ত্য 'ৰ্' লোপ হৈছে।) আকৌ, again

ণ হোই—O. I. A. ন ভৱতি (ন > ণ ; ভ > হ ;
অৱ > ও ; 'ত' লোপ হৈছে।)
নহয়, does not happen.

সহিজ্জই—O. I. A. সহতে (প্ৰাকৃত 'আত্মনেপদৰ ঠাইত 'পৰস্মৈপদ' হোৱাত
সহতে > 'সহতি')
সহতি > সহই + কৰ্ম্ম বাচ্য—ইজ্জ = সহ + ইজ্জ + তি = সহিজ্জতি > সহিজ্জই
সহ্য কৰে, bears, tolerates.

আসাবদ্ধেণ—O.I. A. আশাবদ্ধেন (শ > স ; ন > ণ ; েন > এণ,
সমাক্ষৰ লোপ)
আশাত আবদ্ধ হৈ, tied by hope (due to hope.)

একগামপৱাসো—O. I. A. এক গ্ৰাম প্ৰবাসঃ (এক > একক, § 68 ;
গ্ৰ > গ্‌গ, সমীভৱন, প্ৰ > প ; বিসৰ্গ > ও)
একে গাঁৱত থাকি প্ৰবাস কটা, living away from home even staying in the same village.

বিসেসই—O. I. A. বিশেষয়তি (শ > স ; ষ > স ;
অয় > এ ; 'ত' লোপ হৈছে)
বিশেষ হয়, বেছি হয়, surpasses, emphasises.

মণং বিসেসই—O. I. A. মনতকৈ বেছি হয়,

surpasses the sorrow of death.

কইতবরহিঅং—O. I. A. কৈটবরহিতম্ (ঐ > অই ; 'ট' লোপ ; ম্ > ং)

ছলনা রহিত, ছলনা বর্জ্জিত free of duplicity.

ণথি - O. I. A. নাস্তি (ন > ণ ; স্ত > ত্থ ; আ > অ, § 67)

নাই, there is not., had there been

লোএ—O. I. A. লোকে (ক > অ) লোঅ+ ৭মী একবচন- এ= লোএ

পৃথিবীত, in the world.

হোন্তম্মি -O. I. A. 'ভবৎ'অর ঠাইত 'ভবন্ত' হৈছে।

(ভ > হ ; অব > ও) হোন্ত+ ৭মী একবচন,— ম্মি= হোন্তম্মি

থাকিলে, (if) there is.

জীঅই- O. I. A. জীবতি (ব > অ, 'ত' লোপ হৈছে)

জীয়াই থাকে, lives

রূঅং—O. I. A. রূপম্ (প > ব > অ, ম্ > ং)

রূপ, beauty

অক্খিসু—O. I. A. অক্ষিষু (ক্ষ > ক্খ) অক্খি+ ৭মী বহুবচন—সু= অক্খিসু

চকুত, in the eye, (vision)

ঠিঅং—O. I. A. স্থিতম্ (স্থ > ত্থ > থ > ঠ,

মূর্দ্ধণ্যী ভবন ; 'ত' লোপ হৈছে)

আছে, is.

ফরিসো—O. I A. স্পর্শ: (স্প > প্ফ > ফ ; র্শ > রিস, স্বরভক্তি ;

শ > স ; : > ও)

পরশ, touch.

ভণিঅং—ভণিতম্ (ন > ণ ; 'ত' লোপ) 'ন' সাধারণতে 'ণ' হয়, কিন্তু

'অন্ন' শব্দটোত 'ন্ন' হয়।

কোৱা হৈছে, spoken.

কণ্ণে—O. I A. কর্ণে (র্ণ > ণ্ণ, সমীভবন)

কাণত, কাণেরে, in the ear.

ণিহিঅং—O I. A. নিহিতম্ (ন > ণ ; 'ত' লোপ)

স্থাপিত, placed.

বিওইঅং—O. I. A. বিয়োজিতম্ ('য', 'জ', 'ত' লোপ হৈছে)

পৃথক করিবলৈ, to remove.

কেৱেণ—O. I. A. কৈবেন (ঐ > এ ; ব > ৱ, § 68,) কেৱ+ ৩য়া একবচন

—এণ, দৈৱৰ দ্বাৰা, by fate

পাসাসঙ্কী—O. I. A. পাশ+ আশঙ্কা+ ঈ (স্ত্ৰীলিঙ্গ) (শ > স) ৰন্ধনৰ অ'শঙ্কা কৰোতা, (the female crow) afraid of the of the net (of the fowler)

কাও—O I A. কাকঃ ('ক' লোপ ; বিসৰ্গৰ ঠাইত 'ও' হৈছে) কাউৰীজনী, the (female) crow

মেচ্ছই—O. I. A. ম+ ইচ্ছতি (মেচ্ছতি > মেচ্ছই) ইচ্ছা নকৰে, does not wish.

দিন্নং—O I. A. দত্তম্ (প্ৰাকৃতত √দা + ক্ত 'দত্তম্' শব্দৰ ঠাইত সদায় 'দিন্ন' হয় ।) দিয়া হৈছে, has been given.

পহিঅ ঘৰণীএ—O. I. A. পথিক গৃহিণ্যা (থ > হ ; 'ক' লোপ ; গৃহ > ঘৰ) পহিঅ ঘৰণী+ তৃয়া একবচন (স্ত্ৰীলিঙ্গ)—এ । প্ৰবাসী জনৰ গৃহিণীৰ দ্বাৰা, by the wife of the person who has gone away from home

ওঅল্লকৰঅলোগগলিঅৱলঅমজ্ঝঠিঅং--

(ওঅল্ল+ কৰঅল+ ওগগলিঅ+ ৱলঅ+ মজ্ঝ+ ঠিঅং)

ওঅল্ল—O. I. A. উপাল্ল (উ > ও ; প > ৱ ; আ > অ) অৱনমিত হৈ থকা, lowered.

কৰঅল—O. I. A. কৰতল ('ত' লোপ) হাতৰ তলুৱা, Palm.

ওগগলিঅ—O. I. A. উদ্গলিত (দ্গ > গ্গ, সমীভৱন ; 'ত' লোপ) পিচলি অহা, slipping off

মজ্ঝ—O. I. A. মধ্য (ধ্য > জ্ঝ, তালব্যীভৱন) মাজ, middle.

ঠিঅং—O. I. A. স্থিতম্ (স্থ > ত্থ > থ > ঠ) স্থিত, staying

পিণ্ডং—খাদ্যৰ লাড়ু, a lump of food.

অজ্জং—O. I. A. অদ্য (বা আৰ্য্য) (দ্য > জ্জ, তালব্যীভৱন ; ৰ্য্য > ৰ্য > জ্জ, সমীভৱন) আজি (বা প্ৰিয়জন), today (or beloved.)

গও ত্তি— গতঃ ইতি ('ত' লোপ ; বিসৰ্গৰ ঠাইত 'ও' ; ইতি > ত্তি > ত্তি, § 68.)

has gone.

গৈছে,

গণরীএ—O. I.A . গণস্ত্যা (গণস্থ > গণর+ (স্ত্রীলিঙ্গ) —ঈ) গণরী+ ওয়া
একবচন—এ । গণি রতা (তিরোভাবনী) (the woman)
engaged in counting

পধমে—O. I. A. প্রথম (প্র > প ; থ > ধ, ঘোষীভবন ;) পধম+এ
(৭মী একবচন)

দিঅহদ্ধে—O. I, A. দিবসার্দ্ধে (ব > অ , স > হ ; র্দ্ধ > দ্ধ § 30)
দিঅহদ্ধ + ৭মী একবচন —এ
দিনটোর আধা half of the day.

কুড্ডো—O. I. A. কুড্যঃ (ড্য > ড্ড > ড্ড ; বিসর্গ > ও)
ঘরর বেব, wall

রেহাইং—O. I. A. রেখাভিঃ (খ > হ) রেখা+ওয়া বহুবচন —হিং > ইং)
রেখাবোরর দ্বারা, with lines

চিত্তলিও—সম্ভবতঃ 'চিত্রলিপ্তঃ' শব্দর পরা আ'হিছে ।
(ত্র > ত্ত, সমীভবন ; 'ত' লোপ ; বিসর্গ > ও)
চিত্রিত, Painted, scarred

রেহাইং চিত্তলিও—Scarred with scratches

পুট্‌ঠিং—O. I. A. পৃষ্ঠম্ (ঋ > উ, ষ্ঠ > ট্ঠ, ম্ > ং) পুট্‌ঠং ~ পুট্‌ঠিং
পিঠি, back

পুসম্থু—O. I. A. প্রোঞ্ছ (প্র > প ; ও > উ) পুস+ম্থু
মচি পেলোরা, wipe off

কিসোঅরি—O. I. A. কৃশোদরী (ঋ > ই, শ > স, 'দ' লোপ)
কিসোঅরী > সম্বোধনত কিসোঅরি
হে খীণ কঁকাল থকা নারী, O, lean-waisted woman

পচ্ছোহরবোল্লপত্তচিত্তলিআং—
পচ্ছোহর + অবোল্ল + পত্ত + চিত্তলিআং—

পচ্ছোহর—(দেশীশব্দ)
ঘরর পিছফালে থকা বারী, back-garden

অবোল্ল—O. I. A. অবোঠ বা অবোড় (প্রাকৃতত 'ঠ' বা 'ড়' কেতিয়াবা
'ল' হয়) অবোল > অবোল্ল § 68)
একপ্রকার গছ, a plant

দেআহিং—দেঅর (দেশী শব্দ) দেঅর+ওয়া বহুবচন —হিং = দেআহিং
দেবর সকলর দ্বারা, by the brothers-in-law (of the woman)

দিঅৰজাআহিং—O. I A. দেৱৰ জায়াভিঃ (এ > ই, § 72, ৱ > অ,
য় > অ, ভ > হ) দিঅৰ জাআ+ওৱা বহুবচন —হিং
দেৱৰ পত্নী সকলৰ দ্বাৰা (জাসকলৰ দ্বাৰা) by the wives of
the brothers-in-law (husband's brothers)

উজ্জুএ—O. I. A. ঋজুকে (ঋ > উ, জ > জ্জ, § 68 ; ক > অ)
উজ্জু + সম্বোধনত —এ
হে সৰলা নাৰী, O, simple woman

কলিজ্জিহিসি—O. I. A. কলয়িষ্যসি (M I. A. √কল্+কর্মবাচ্যৰ —ইজ্জ
+লৃট্ —স্যসি > সসি > হসি > হিসি, স্বৰ সমীভৱন)
(তোমাক) জানিব পাৰিব (বা ধৰিব পাৰিব).
(you) shall be detected.

দিঢ়-ৰোস-কলুসিঅস্স—O. I. A. দৃঢ় ৰোষ-কলুষিতস্য (ঋ > ই, ষ > স,
ত > অ, স্য > স্স)
অতিমাত্রা ৰোষৰ দ্বাৰা কলুষিত হোৱা জনৰ, of the person
whose mind is polluted with too much of anger.

মুহাহিং—O. I. A. মুখৈঃ (খ > হ) মুহ+ওৱা বহুবচন —হিং = মুহাহিং
মুখেৰে, by the mouth

বিপ্পিঅং—O. I. A. বিপ্রিয়ম্ (প্র > প্প, সমীভৱন ; য় > অ, ম্ > ং)
অপ্রিয়, unpalatable

ৰাহুমুহম্মি—O. I. A. ৰাহুমুখস্মিন্ (খ > হ) ৰাহুমুহ+সপ্তমী একবচন —ম্মি
ৰাহুৰ মুখত, in the mouth of Rahu

মুঅন্তি O. I. A. মুঞ্চন্তি (M. I. A. মুচ্ > মুঅ+লট্ —অন্তি)
ছটিয়ায়, বর্ষণ কৰে, sprinkle

সূইজ্জই—O. I. A. সূচ্যতে (M. I. A. সূ+ইজ্জ+ই)
বুজা যায়, is indicated

হেমন্তম্মি O. I. A. হেমন্তস্মিন্
হেমন্ত কালত, in tne winter

দুগ্গও—O. I A. দুর্গতঃ (র্গ > গ্গ, ; ত > অ, : > ও)
দুখত পৰা, One who is in adverse situation, unfortunate

ছুণ দুআগ্গিএণ—ছু (দুআ (দেশী শব্দ)
শুকান গোবৰৰ জুই, fire of dried cowdung

অগ্গিএণ- O. I A. অগ্নিকেন (ক > অ) অগ্গিঅ+তৃতীয়া একবচন —এণ

গোন্ধেৰে, by the smell

কবিলেণ—O. I. A. কপিলেণ (প > ব)

ধূমকবিলেণ—ধোঁৱা বৰণেৰে,
by the gray colour of smoke

বিৰলতন্তুণা—কম সূতাৰ, শতছিন্ন,
by the rarity of thread, ragged

জুন্ন—O. I. A. জীর্ণ (বা জূর্ণ) (র্ণ > ন্ন, সমীভৱন)
worn out, old

বড়এণ—O. I. A. পটকেণ (প > ব, ট > ড়)
কাপোৰেৰে, by the cloth (dress)

বসণম্মি—O. I. A. ব্যসনে (ব্য > ব); বসণ + সপ্তমী একবচন —ম্মি
বিপদত, দুৰ্ভাগ্যত, in misfortune

অণুব্বিগ্গা O. I. A. অনুদ্বিগ্নাঃ (দ্ব > ব্ব ; গ্ন > গ্গ, সমীভৱন)
ব্যাকুল নোহোৱা, অস্থিৰ নোহোৱা, not anxious.

বিহবম্মি—O. I. A. বৈভবে (ঐ > এ > ই ; ভ > হ) বিহব + সপ্তমী
একবচন— ম্মি
সম্পদত, সৌভাগ্যত, in prosperity.

অগব্বিআ—O. I. A. অগর্বিতা (র্ব > ব্ব § 31 ; ত > অ)
অগৰ্বিত not proud.

অহিন্নসহাবা— O. I. A. অভিন্নস্বভাবাঃ (ভ > হ ; ন > ণ ;
স্ব > স্স > স)
স্বভাৱৰ (ভাব বা অনুভূতিৰ) পৰিবৰ্তন নোহোৱা unperturbed.

বিসমেসু – O. I. A. বিষমেষু
দুখৰ অৱস্থাত, in adverse situation.

সপ্পুরিসা—O. I. A. সৎপুরুষাঃ (ৎপ > প্প ; ষ > স ; উ > ই, § 14)
সৎ-লোক, good man.

মরগঅ—O. I. A. মরকত (ক > গ, ঘোষীভৱন ; ত > অ)
মৰকত মণি, emerald.

সূই—O. I. A. সূচি (চ > অ) বেজী, needle.

মোত্তিঅং—O. I. A. মৌক্তিকম্ (ঔ > ও ; ক্ত > ত্ত, সমীভৱন ; ক > অ)
মুকুতা, pearl.

পিআই—O. I A. পিবতি (ব > অ ; ত > অ)

পান করে, drinks.

আঅঅগ গিরো—O. I. A আয়ত গ্রীবঃ (য > অ ; ত > অ ; গ্র > গ গ ; ঃ > ও)

ডিঙি মেলি, by stretching the throat.

মোরো—O. I. A.— ময়ূরঃ > মৌরঃ > মোরো, peacock.

পাউসআলে— O. I. A. প্রাবৃষ কালে (প্র > প ; ৃ > উ ; ষ > স ; ক > অ

বর্ষা কালত, in the rainy season.

তণগ গলগ গং—O. I. A. তৃণাগ্রলগ্নম্ (ৃ > অ ; গ্র > গ গ ; গ্ন > গ গ, সমীভবন) তৃণর আগত লাগি থকা.

hanging at the end of a grass-blade.

উঅঅবিন্দুং—O. I. A. উদকবিন্দুং (দ > অ ; ক > অ)

জলবিন্দু, a drop of water.

সুপ্পউ—O. I. A. স্বপিহি (স্ব > সুব > সুপ, § 57)

শোৱা, sleep.

তইও—O. I. A. তৃতীয়ঃ (ৃ > অ ; ত > অ ; য় > অ ; ঃ > ও)

the third.

জামো—O. I. A. যামঃ (য > জ ; ঃ > ও)

প্রহৰ, quarter of the night (or day.)

সহিও—O. I. A. সখী (খ > হ) M. I. A. সম্বোধনত সহিও)

হে সখীসকল, O, friends.

ভণহ—কোৱা, say.

সেহালিআণং—O I. A. শেফালিকানাম্ (শ > স ; ফ > হ ; ক > অ , ম্ > ং)

শেৱালী ফুলৰ, of the sephalika (flower)

সোত্তুং—O. I A. স্বপ্তুম্ (স্ব > সোব, § 57 ; প্ত > ত্ত, সমীভবন)

শুবলৈ, to sleep.

সুঅহ—O I. A. স্বপিহি

শোৱা, (you) sleep.

তুম্হে—O. I. A. যুষ্মৎ M. I. A. তুম্হ । ১মা বহুবচনত 'তুম্হে'

তোমালোকে, you.

তাবো—O. I. A. তাপঃ (প > ব ; ঃ > ও)

ধনু, b

সহাৱসৰলং—O. I. A. স্বভাৱ সৰলম্ (ৱ > স ; ভ > হ)

স্বাভাৱিকতে পোন straight by nature.

বিচ্ছিৱই—O. I. A. বিক্ষিপতি (ক্ষ > চ্ছ ; প > ৱ ; ত > অ)

নিক্ষেপ কৰে, throws.

গুণম্মি—O. I. A. গুণস্মিন্ (M. I. A. গুণ+ ম্মী একবচন— ম্মি)

ধনুৰ গুণত, in the bow string.

পড়ন্তং—O. I. A. পতন্তম্

পৰা, fallen.

ৱঙ্কস্স—O. I. A. ৱক্ৰস্য (ক্ৰ > ক, স্বতঃ— নাসিক্যীভৱন ;

স্য > স্স, সমীভৱন

বেঁকা বস্তুৰ, of the bent (thing)

উজ্জুঅস্স—O. I. A. ঋজুকস্য (ঋ > উ ; জ > জ্জ, § 67 ;

ক > অ ; স্য > স্স) বেঁকা বস্তুৰ— of the straight (thing)

চিৰং—O. I. A. চিৰম্

দীৰ্ঘস্থায়ী, বহু সময়, lasting, for a long time

কথ—O. I. A. কুত্ৰ, (প্ৰাকৃতত প্ৰকাশাৰ্থক সপ্তমীয় 'কুত্ৰ', 'অত্ৰ', 'যত্ৰ' আদিৰ

ৰূপ ক্ৰমে 'কথ', 'এথ', 'জথ' আদি হয় ।

ক'ত, where

ৰইবিম্বং - O. I. A. ৰবিবিম্বম্ (ৱ > ই, ম্ > ং)

সূৰ্যৰ ৰশ্মি, rays of the sun

পণট্ঠাও—প্ৰণষ্ট (?)

নষ্ট হোৱা, নাইকিয়া হোৱা, destroyed, to be invisible

ৱলাঅপন্তিং—O. I. A. ৱলাকাপংক্তিম্ (ক > অ, পংক্তি > পন্তি)

বগলীৰ শাৰী, (মেঘৰ শাৰী, মেঘমালা)

a row of paddy-birds (row of clouds)

কালো—O. I. A. কালঃ, বৰ্ষাকাল, the rainy season

হোৰং—হোৰাম্—গ্ৰীক ভাষাৰ পৰা অহা শব্দ ।

সময়, ঘন্টা, ৰেখা, জ্যোতিষ শাস্ত্ৰত উল্লিখিত সময়,

time, line, time mentioned in astrology

হোৰং ৱ—এৰ গণকাৰ ৰেখাৰ দৰে,

like the lines drawn by an astrologer

কট্‌ঠই—হাল বায়, ploughs.

(হাল বালে মাটিবিলি যেনেকুৱা হয়, তেনেকৈ আকাশখন মেঘেৰে ভৰি পৰে)

ভমসি, ভমন্তু—O. I. A. ভ্ৰম (ভ্ৰমন্ত)

ভ্ৰমণ কৰা, to roam about.

এমেঅ—O. I. A. এবমেব (এবমেব > এমেঅ, সমাক্ষৰ লোপ)

উদ্দেশ্য বিহীন ভাবে, aimlessly.

সোহগ্গ গৰৱিৰা—O. I. A. সৌভাগ্য গৰ্বিতঃ

(ঔ > ও; গ্য > গ্গ; ভ > হ; ৰ্ব > ৰৱ)

সৌভাগ্যত গৰ্ব্বিত, being proud of one's good fortune.

গোট্‌ঠে—O. I. A. গোষ্ঠে (ষ্ঠ > ট্‌ঠ)

গৰু ৰখা ঠাই, a place where cows are kept.

বিআৰইউং—O. I. A. বিচাৰয়িতুম্ (চ > অ, য় > অ, ত > অ)

বিচাৰ কৰিবলৈ, to judge

খমো সি—O. I. A. ক্ষমঃ অসি (ক্ষ > খ, ঃ > ও, অসি > সি, স্বৰ মাজৰ অন্তৰত 'অ' লোপ হৈছে)

সক্ষম হোৱা, (if) you can

সতণ্হা—O. I. A. সতৃষ্ণা (তৃষ্ণা > তণ্হা)

তৃষ্ণাতুৰ ভাৱে, আগ্ৰহেৰে, with desire, with eagerness

সোউণ—O. I. A. শ্ৰুত্বা ('ক্তাচ্' প্ৰত্যয়ৰ ঠাইত —উণ হয়)

শুনি, hearing

ণিগ্গআ—O. I. A. নিৰ্গতা (ন > ণ, ৰ্গ > গ্গ, ত > অ)

নিৰ্গত হোৱা, ওলাই অহা, coming out

